ECO-RC-1016

# গুৱাহাটী বিশ্ববিদ্যালয়
## দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

স্নাতক প্ৰথম ষাণ্মাসিক
**B.A First Semester**
**(Regular Course)**

PRINCIPLES OF MICRO ECONOMICS–I

## Paper: ECO-RC-1016

# Principles of Micro Economics–I

**(Medium: Assamese)**

www.idolgu.in

UG-ECO-RC-1016

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

**Institute of Distance and Open Learning**

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

স্নাতক প্ৰথম ষাণ্মাসিক

**B.A First Semester**

**(Regular Course)**

**Paper: ECO-RC-1016**

# PRINCIPLES OF MICRO ECONOMICS–I

**(Medium- Assamese)**

**বিষয়শূচী (Contents) :**


প্ৰথম বিভাগ : ব্যষ্টিবাদী অৰ্থনীতিৰ তত্ব

দ্বিতীয় বিভাগ : উপভোক্তাৰ তত্ত্ব

তৃতীয় বিভাগ : উৎপাদন আৰু উৎপাদনী ব্যয়

চতুৰ্থ বিভাগ : পূৰ্ণ-প্ৰতিযোগিতামূলক বজাৰ

**Contributors:**

Ratul Saikia — Unit- 1
Dept. of Economics, Nonoi College, Nagaon

Dr. Lakhimi Nath — Unit- 2
Dept. of Economics, PDUAM, Tulungia, Bongaigaon

Sumit Ghosh — Unit- 3
Dept. of Economics, G.U.

Dr. Bijoy Kr. Nath — Unit- 4
Dept. of Economics, Charaibahi College, Morigaon

**Course Coordination:**

| | |
|---|---|
| Prof. Amit Choudhury | Director, IDOL, Gauhati University |
| Dr. Ratul Mahanta | Associate Prof., Dept. of Economics, G.U. |

**Content Editor:**

| | |
|---|---|
| Prof. Archana Sharma (Unit: 1) | Professor, Dept. of Economics, G.U. |
| Dr. Ratul Mahanta (Unit: 2) | Associate Prof., Dept. of Economics, G.U. |
| Prof. M.P. Bezbaruah (Unit: 3) | Dept. of Economics, G.U. |
| Saurabh Pran Sharma (Unit: 4) | Dept. of Economics, Arya Vidyapeeth College |

**Cover Page Designing:**

| | |
|---|---|
| Bhaskar Jyoti Goswami | IDOL, Gauhati University |

**ISBN: 978-81-944179-0-3**

**November, 2019**

© Copyright by IDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.
Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## প্ৰথম বিভাগ
## ব্যষ্টিবাদী অৰ্থনীতিৰ তত্ব

বিভাগৰ গঠনঃ


১.১ ভূমিকা (**Introduction**)
১.২ উদ্দেশ্য (**Objectives**)
১.৩ দুষ্প্ৰাপ্যতা আৰু পছন্দৰ সমস্যা
    ১.৩.১ পছন্দ আৰু সুযোগ ব্যয়
১.৪ উৎপাদন সম্ভাৱ্য সীমাৰেখা
১.৫ অৰ্থনৈতিক ব্যৱস্থাৱলী
১.৬ চাহিদা আৰু যোগান
    ১.৬.১ চাহিদা নিৰ্দ্ধাৰণকাৰী উপাদানসমূহ
    ১.৬.২ চাহিদাৰ সম্প্ৰসাৰণ-সংকোচন আৰু চাহিদাৰ হ্ৰাস-বৃদ্ধি
    ১.৬.৩ ব্যক্তিগত আৰু বজাৰ চাহিদা ৰেখা
    ১.৬.৪ বজাৰ চাহিদা
    ১.৬.৫ যোগান
    ১.৬.৬ যোগান নিৰ্দ্ধাৰণকাৰী উপাদানসমূহ
    ১.৬.৭ যোগানৰ সম্প্ৰসাৰণ-সংকোচন আৰু যোগানৰ হ্ৰাস-বৃদ্ধি
    ১.৬.৮ বজাৰ যোগান ৰেখা
    ১.৬.৯ বজাৰ ভাৰসাম্যতা
১.৭ অৰ্থবিজ্ঞানত চাহিদা আৰু যোগানৰ ব্যৱহাৰ
    ১.৭.১ সুলভ মূল্যত দৰ নিয়ন্ত্ৰণ
    ১.৭.২ নিম্নতম দৰ
    ১.৭.৩ উপভোক্তাৰ ৰাহি
    ১.৭.৪ উৎপাদকৰ ৰাহি
১.৮ স্থিতিস্থাপকতা
    ১.৮.১ চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্ণয়কাৰী উপাদানসমূহ
    ১.৮.২ চাহিদাৰ আয় স্থিতিস্থাপকতা
    ১.৮.৩ চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা
১.৯ সাৰাংশ (**Summing Up**)
১.১০ প্ৰসঙ্গ গ্ৰন্থ (**References & Suggested Readings**)
১.১১ আৰ্হি প্ৰশ্ন (**Sample Questions**)
১.১২ অগ্ৰগতিৰ খতিয়ান (**Answers to Check Your Progress**)

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ১.০ ভূমিকা (Introduction) ঃ

অৰ্থবিজ্ঞান হ'ল সমাজবিজ্ঞানৰ সেইটো অংশ য'ত দ্ৰব্য বা সেৱা-সামগ্ৰীৰ উৎপাদন, বিনিময়, বিতৰণ, উপভোগ সম্পৰ্কে আলোচনা কৰা হয়। অৰ্থবিজ্ঞানত ব্যক্তি, ব্যৱসায় প্ৰতিষ্ঠান, চৰকাৰ বা দেশৰ সম্পদৰাজি ব্যৱহাৰ কৰি মানুহৰ অভাৱ আৰু প্ৰয়োজনীয়তা সমূহ পূৰণ কৰিবৰ অৰ্থে সু-সংগঠিত আৰু সমন্বয়ৰ মাধ্যমেৰে সৰ্বাধিক উৎপাদন কৰাৰ প্ৰচেষ্টা প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়।

মানুহৰ অভাৱ অসীম। অভাৱসমূহ পূৰণৰ অৰ্থে থকা সম্পদৰ পৰিমাণ সীমিত। সীমিত সম্পদৰাজিৰে মানুহৰ সকলোবিলাক অভাৱ পূৰণ কৰাটো অসম্ভৱ। আনহাতে, সম্পদসমূহ বিকল্প ব্যৱহাৰযোগ্য অৰ্থাৎ একোটা সম্পদ ব্যৱহাৰৰ জৰিয়তে বিভিন্ন প্ৰকাৰৰ অভাৱ পূৰণ কৰিব পৰা যায়। সেয়েহে পছন্দ বা বাছনি সমস্যাৰ সৃষ্টি হয়। অৰ্থবিজ্ঞানত বিকল্প ব্যৱহাৰযোগ্য দূলৰ্ভ সম্পদৰাজি ব্যৱহাৰৰ জৰিয়তে সৰ্বাধিক উৎপাদন বা সৰ্বাধিক অভাৱ পূৰণৰ প্ৰচেষ্টাক প্ৰণালীবদ্ধ আলোচনা কৰা হয়।

এই অধ্যায়ত অৰ্থনীতিৰ কিছুমান গুৰুত্বপূৰ্ণ ধাৰণাৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰচেষ্টা কৰা হৈছে। সেইবোৰ হ'ল - অৰ্থনীতিৰ দুষ্প্ৰাপ্যতা আৰু পছন্দ সমস্যা, অৰ্থনৈতিক ব্যৱস্থাৱলী, চাহিদা আৰু যোগান, বজাৰ ভাৰসাম্যতা, চাহিদা আৰু যোগানৰ ব্যৱহাৰ, সুলভ মূল্যৰ দৰ নিয়ন্ত্ৰণ, নিম্নতম দৰ নিৰ্দ্ধাৰণ আৰু চাহিদা আৰু যোগান ৰেখাৰ স্থিতিস্থাপকতাৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰয়াস কৰা হৈছে।

## ১.২ উদ্দেশ্য (Objectives) ঃ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি কিছুমান গুৰুত্বপূৰ্ণ অৰ্থনৈতিক বিষয়বস্তুৰ সম্পৰ্কে জানিব পাৰিব।

১। দুষ্প্ৰাপ্যতা আৰু পছন্দৰ সমস্যা সম্পৰ্কে জানিব পাৰিব।

২। সুযোগ ব্যয় আৰু সামগ্ৰীক উৎপাদন সম্ভাব্য ৰেখাৰ সম্পৰ্কে জানিব পাৰিব।

৩। অৰ্থনৈতিক ব্যৱস্থাৱলী সম্পৰ্কে জানিব পাৰিব।

৪। দ্ৰব্য আৰু সেৱা সামগ্ৰীৰ চাহিদা আৰু যোগান সম্পৰ্কে জানিব পাৰিব।

৫। বজাৰ ভাৰসাম্যতা কিদৰে নিৰ্দ্ধাৰণ হয় জানিব পাৰিব।

৬। চাহিদা আৰু যোগান ৰেখাৰ ব্যৱহাৰ সম্পৰ্কে জানিব পাৰিব।

৭। সুলভ মূল্যত দৰ নিয়ন্ত্ৰণ সম্পৰ্কে জানিব পাৰিব।

৮। নিম্নতম দৰ নিৰ্দ্ধাৰণ সম্পৰ্কে জানিব পাৰিব। আৰু

৯। চাহিদাৰ স্থিতিস্থাপকতা সম্পৰ্কে জানিব পাৰিব।

## ১.৩ দুষ্প্ৰাপ্যতা আৰু পছন্দৰ সমস্যা ঃ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

অৰ্থশাস্ত্ৰৰ দুটা মৌলিক সমস্যা হ'ল —

১। দ্ৰব্য আৰু সেৱা-সামগ্ৰীৰ প্ৰতি মানুহৰ অভাৱ অসীম।

২। দ্ৰব্য বা সেৱা-সামগ্ৰীসমূহ উৎপাদন কৰিবলগীয়া আহিলা (সময় আৰু সম্পদ)সমূহৰ পৰিমাণ সীমিত।

মানুহৰ অভাৱ অসীম। অভাৱসমূহ সাগৰৰ ঢৌৰ দৰে। এটা অভাৱ পূৰণৰ লগে লগে আন এটা অভাৱে দেখা দিয়ে। কিন্তু এই অভাৱসমূহ পূৰণ কৰাৰ বাবে প্ৰয়োজনীয় আহিলা (সময় আৰু সম্পদ)ৰ পৰিমাণ সীমিত। অভাৱৰ তুলনাত সম্পদৰ পৰিমাণ সীমিত হোৱাটোকে অৰ্থবিজ্ঞানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা হিচাপে চিনাক্ত কৰা হৈছে। অৰ্থাৎ দুষ্প্ৰাপ্যতাৰ সমস্যাই হৈছে অৰ্থবিজ্ঞানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা। যিহেতু সম্পদৰ পৰিমাণ সীমিত, সেয়েহে মানুহৰ সকলোবিলাক অভাৱ পূৰণ কৰিব পৰাকৈ দ্ৰব্য বা সেৱা-সামগ্ৰীসমূহ উৎপাদন কৰিব পৰা নাযায়। ব্যক্তিৰ দৰে সমাজ বা ৰাষ্ট্ৰ এখনৰো সম্পদৰ পৰিমাণ সীমিত। সেয়েহে সমাজ বা ৰাষ্ট্ৰ এখনে দুষ্প্ৰাপ্য সম্পদৰাজি উপযুক্ত ব্যৱহাৰৰ জৰিয়তে সৰ্বাধিক উৎপাদন বা সৰ্বাধিক সামাজিক কল্যাণ সাধনৰ চেষ্টা কৰে। দুষ্প্ৰাপ্য সম্পদৰাজি কেনেদৰে ব্যৱহাৰ কৰিলে সাম্ভাব্য সৰ্বাধিক সন্তুষ্টি লাভ কৰিব পৰা যায়, সমাজ এখনে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলগা হয়।

আনহাতে, অভাৱ পূৰণ কৰিব পৰা সম্পদসমূহ বিকল্প ব্যৱহাৰযোগ্য। অৰ্থাৎ এবিধ সম্পদ ব্যৱহাৰৰ জৰিয়তে বিভিন্ন ধৰণৰ অভাৱ পূৰণ কৰিবপৰা যায়। কিন্তু সম্পদৰ দুষ্প্ৰাপ্যতাৰ বাবে সকলোবিলাক অভাৱ পূৰণ কৰাটো সম্ভৱ নহয়। সেয়েহে পছন্দ বা বাছনি সমস্যাৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে — এডোখৰ ভূমি কৃষিকৰ্মৰ বাবে, বাসগৃহ নিৰ্মাণৰ বাবে বা ব্যৱসায় প্ৰতিষ্ঠান গঢ়ি তুলিবৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। যদিহে ভূমিডোখৰ কৃষি উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয়, তেনেহ'লে গৃহ নিৰ্মাণ বা আন কামত ব্যৱহাৰ কৰিব পৰা নাযায়। সম্পদসমূহ বিকল্প ব্যৱহাৰযোগ্য হোৱাৰ বাবে এজন উপভোক্তাই তেওঁৰ সীমিত সম্পদৰাজিৰ ব্যৱহাৰ কৰি কোনটো অভাৱ প্ৰথমে পূৰণ কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিবলগা হয়। ইয়াকে অৰ্থবিজ্ঞানৰ পছন্দ বা বাছনি সমস্যা বোলে।

প্ৰখ্যাত ইংৰাজ অৰ্থনীতিবিদ লায়'নেল ৰবিন্সে আগবঢ়োৱা অৰ্থবিজ্ঞানৰ সংজ্ঞাটো দুষ্প্ৰাপ্যতা আৰু পছন্দৰ সংজ্ঞা বুলি অভিহিত কৰা হয়। তেখেতে আগবঢ়োৱা অৰ্থবিজ্ঞানৰ সংজ্ঞাটো হ'ল — "অসীম অভাৱ (লক্ষ্য) আৰু সেইবোৰ পৰিপূৰণৰ অৰ্থে থকা বিকল্প ব্যৱহাৰযোগ্য দুষ্প্ৰাপ্য সম্পদ সমূহৰ মাজত মানুহৰ আচৰণ সম্পৰ্ক হিচাপে যি শাস্ত্ৰই অধ্যয়ন আগবঢ়াই, তাকে অৰ্থবিজ্ঞান বোলা হয়।" (Economics is a science which studies human behaviour as a relationship between ends and scarce resources which has alternative uses)

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ১.৩.১ পছন্দ আৰু সুযোগ ব্যয় ঃ

দুষ্প্ৰাপ্য সম্পদবোৰ বিকল্প ব্যৱহাৰযোগ্য হোৱাৰ বাবে পছন্দ বা বাছনি সমস্যাৰ সৃষ্টি হয়। এজন উপভোক্তাই তেওঁৰ সকলোবিলাক অভাৱ একেসময়তে পূৰণ কৰিব নোৱাৰাৰ বাবে অভাৱবিলাকৰ মাজৰ পৰা কোনটো অভাৱ প্ৰথমে পূৰণ কৰিব সেইটো বাছনি কৰিবলগা হয়। উপভোক্তা এজনে এটা দ্ৰব্যৰ অভাৱ পূৰণ কৰাৰ লগে লগে আন এটা দ্ৰব্যৰ অভাৱ পূৰণ কৰাৰ আশা ত্যাগ কৰিব লাগিব। গতিকে উপভোক্তাজনে এটা দ্ৰব্য পাব বিচাৰিলে আনটো দ্ৰব্যৰ পৰিমাণৰ হিচাপত যিখিনি ব্যয় বা যিখিনি ত্যাগ কৰিবলগা হয় ইয়াকে সুযোগ ব্যয় বোলা হয়। অৰ্থাৎ সুযোগ ব্যয় হৈছে দ্বিতীয় সৰ্বোকৃষ্ট দ্ৰব্য এবিধৰ ত্যাগৰ মূল্য। ইয়াৰ মূল্য মুদ্ৰা বা অন্যান্য মাধ্যমেৰে পৰিমাপ কৰা হয়। অৰ্থাৎ দ্ৰব্য এবিধ লাভ কৰাৰ জৰিয়তে উপভোক্তা এজনে অধিক পৰিমাণৰ সন্তুষ্টি লাভ কৰিবলৈ সক্ষম হ'ব পাৰে। সুযোগ ব্যয়ৰ ধাৰণাই দুষ্প্ৰাপ্য সম্পদৰ কাম্য ব্যৱহাৰৰ সম্পৰ্কে ধাৰণা দিয়ে। ইয়াৰ দ্বাৰা সম্পদৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰ সম্পৰ্কে জানিব পৰা যায়। অৰ্থাৎ এজন যুক্তিসংগত উপভোক্তাই তেওঁৰ সীমিত সম্পদৰাজি ব্যৱহাৰৰ দ্বাৰা তেওঁৰ সন্তুষ্টিৰ পৰিমাণ সৰ্বাধিক কৰিব বিচাৰে। উদাহৰণস্বৰূপে - এজন ব্যক্তিয়ে তেওঁৰ সময় আৰু মুদ্ৰা চিনেমা চাবলৈ যোৱাত খৰছ কৰিলে তেওঁ সেই সময়খিনি ঘৰত কিতাপ পঢ়া বা অন্য দ্ৰব্য-সামগ্ৰী ক্ৰয় কৰাত খৰছ কৰিব নোৱাৰে।

**জানি থওঁ আহক**

সুযোগ ব্যয় ধাৰণাটো ব্যক্তি আৰু সমাজ উভয় ক্ষেত্ৰতে প্ৰযোজ্য। ব্যক্তিৰ দৰে সমাজেও কোনো এবিধ সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিবলগা হ'লে আন এবিধ সামগ্ৰীৰ উৎপাদন হ্ৰাস কৰিবলগা হয়। সুযোগ ব্যয়ক অৰ্থনৈতিক ব্যয় বুলিও কোৱা হয়।

**আত্ম মূল্যায়নৰ প্ৰশ্ন**

পছন্দৰ সমস্যাটো অৰ্থবিজ্ঞানৰ এক বিষয়বস্তু বুলি ভাবেনে? ব্যাখ্যা কৰক। (৮০ টা শব্দৰ ভিতৰত)

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) দ্ৰব্য আৰু সেৱা সামগ্ৰীৰ প্ৰতি মানুহৰ অভাৱ অসীম। (শুদ্ধ/অশুদ্ধ)

(খ) লায়'নেল ৰবিন্সে আগবঢ়োৱা অৰ্থবিজ্ঞানৰ সংজ্ঞাটো দুষ্প্ৰাপ্যতাৰ ভিত্তিক। (শুদ্ধ/অশুদ্ধ)

(গ) দুষ্প্ৰাপ্য সম্পদবোৰ বিকল্প ব্যৱহাৰযোগ্য নহয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ লায়'নেল ৰবিন্সে আগবঢ়োৱা অৰ্থবিজ্ঞানৰ সংজ্ঞাটো লিখক।

প্ৰশ্ন নং ৩ ঃ সুযোগ ব্যয় বুলিলে কি বুজে লিখক।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ১.৪ উৎপাদন সম্ভাৱ্য সীমাৰেখা ঃ

মানুহৰ অভাৱ অপৰিসীম। অপৰিসীম অভাৱসমূহ পূৰণৰ অৰ্থে প্ৰয়োজনীয় সম্পদৰ পৰিমাণ সীমিত আৰু বিকল্প ব্যৱহাৰযোগ্য হোৱাৰ বাবে পছন্দ বা বাছনি সমস্যাৰ সৃষ্টি হয়। অধ্যাপক ছেমুৱেলচনে এই পছন্দ বা বাছনি সমস্যাৰ বিষয়ে উৎপাদন সম্ভাৱ্য সীমাৰেখাৰ সহায়ত সুন্দৰ ব্যাখ্যা আগবঢ়াইছে। ব্যক্তিৰ দৰে সমাজ বা দেশ এখনৰো সম্পদৰ পৰিমাণ সদায় সীমিত। সীমিত আৰু বিকল্প ব্যৱহাৰযোগ্য সম্পদসমূহ ব্যৱহাৰৰ জৰিয়তে দেশ বা সমাজ এখনে কোনবিধ দ্ৰব্য কিমান পৰিমাণত উৎপাদন কৰিব আৰু কোনবিধ দ্ৰব্য উৎপাদনৰ বাবে কিমান পৰিমাণৰ উপাদান ব্যৱহাৰ কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিবলগা হয়। যদি কোনো এটা দ্ৰব্যৰ উৎপাদন বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়, তেনেহ'লে আন এটা দ্ৰব্যৰ উৎপাদন কমাবলগীয়া হয় বা উৎপাদনৰ আশা ত্যাগ কৰিব লগা হয়।

উৎপাদন সম্ভাৱ্য সীমাৰেখা কেইটামান সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত—

১। অৰ্থনীতি পূৰ্ণনিয়োগ অৱস্থা বাহাল থাকে। অৰ্থাৎ কোনো ধৰণৰ অব্যৱহৃত সম্পদ নাথাকে।

২। উৎপাদনৰ উপাদান সমূহৰ যোগান স্থিৰ আৰু উপাদানসমূহ এটা সামগ্ৰীৰ উৎপাদনৰ পৰা আন এটা সামগ্ৰী উৎপাদনলৈ স্থানান্তৰ কৰিব পৰা যায়।

৩। উৎপাদনত প্ৰযুক্তিবিদ্যাৰ কোনো পৰিৱৰ্তন নহয় বুলি ধৰি লোৱা হয়।

সীমিত সম্পদ আৰু স্থিৰ প্ৰযুক্তিবিদ্যাৰ জৰিয়তে উৎপাদন সম্ভাৱ্য সীমাৰেখাই এখন দেশৰ দ্ৰব্য সামগ্ৰীসমূহৰ নিৰ্দিষ্ট পৰিমাণ উৎপাদনৰ নিৰ্দেশ কৰে। উদাহৰণস্বৰূপে ধৰা হ'ল বিকল্প ব্যৱহাৰযোগ্য সম্পদবোৰৰ জৰিয়তে কেৱল মাত্ৰ দুবিধ সামগ্ৰীৰ উৎপাদন কৰিব পৰা যায়। ধৰা হ'ল দুবিধ সামগ্ৰী - মাখন আৰু কাপোৰ উৎপাদনৰ বাবে দেশখনৰ সীমিত সম্পদৰাজিৰ ব্যৱহাৰ কৰা হয়। যদিহে দেশ এখনে মাখনৰ উৎপাদন বৃদ্ধি কৰে তেনেহ'লে কাপোৰৰ উৎপাদন হ্ৰাস কৰিবলগা হয়। আনহাতে কাপোৰৰ উৎপাদন বৃদ্ধি কৰিবলৈ হ'লে মাখনৰ উৎপাদন হ্ৰাস কৰিব লাগিব। তলৰ তালিকাৰ সহায়ত অৰ্থনীতিটোৱে উৎপাদন কৰিব পৰা মাখন আৰু কাপোৰৰ সংমিশ্ৰণ তালিকা কৰি দেখুওৱা হ'ল—


*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**বিকল্প উৎপাদন সম্ভাব্য**

| উৎপাদনৰ সম্ভাব্য | মাখন (নিযুত পাউণ্ড) | কাপোৰ (হাজাৰ মিটাৰ) |
|---|---|---|
| A | 0 | 15 |
| B | 1 | 14 |
| C | 2 | 12 |
| D | 3 | 9 |
| E | 4 | 5 |
| F | 5 | 0 |

তালিকা নং - ১.১

**তালিকা নং ১.১ ঃ** দেখা গৈছে যদি আটাইবোৰ সম্পদ মাখন উৎপাদনত ব্যৱহাৰ কৰা হয় তেনেহ'লে 5 নিযুত পাউণ্ড মাখন উৎপাদন কৰিব পাৰি। যদিহে আটাইবোৰ সম্পদ কেৱল কাপোৰ উৎপাদনত ব্যৱহাৰ কৰা হয় তেনেহ'লে 15 হাজাৰ মিটাৰ কাপোৰ উৎপাদন কৰিব পৰা যায়। অথবা দুয়োবিধ দ্ৰব্যৰ সংমিশ্ৰণত দ্ৰব্য উৎপাদন কৰিব পৰা যায়। যদি অৰ্থনীতিটোৱে 1 নিযুত পাউণ্ড মাখন উৎপাদন কৰিব বিচাৰে, তেনেহ'লে 14 হাজাৰ মিটাৰ কাপোৰ উৎপাদন কৰিব পাৰিব। তেনেদৰে মাখনৰ উৎপাদন বৃদ্ধিৰ সিদ্ধান্ত ল'লে অৰ্থাৎ মাখনৰ উৎপাদন 2 নিযুত পাউণ্ডলৈ বৃদ্ধি পালে কাপোৰৰ উৎপাদন 12 হাজাৰ মিটাৰলৈ হ্ৰাস পাব। তেনেদৰে মাখনৰ উৎপাদন 3 নিযুত পাউণ্ড হ'লে কাপোৰৰ উৎপাদন 9 হাজাৰ মিটাৰ আৰু মাখনৰ উৎপাদন 4 নিযুত পাউণ্ড কৰিব বিচাৰিলে কাপোৰৰ উৎপাদন 5 হাজাৰ মিটাৰলৈ হ্ৰাস হয়। তলৰ চিত্ৰৰ সহায়ত উৎপাদন সম্ভাৱনীয়তা ৰেখা দেখুওৱা হ'ল —




চিত্ৰ নং - ১.১

**চিত্ৰ নং ১.১** ত উৎপাদন সাম্ভাব্যৰেখা দেখুওৱা হৈছে। ইয়াত AF সামগ্ৰীক উৎপাদনৰেখা। এই ৰেখা B, C, D, E বিন্দু সংলগ্ন কৰিছে। এই বিন্দুসমূহক বিভিন্ন উৎপাদন সংমিশ্ৰণ বুজাইছে। চিত্ৰত দেখা গৈছে এটা দ্ৰব্যৰ উৎপাদন বৃদ্ধি কৰিলে আনবিধ দ্ৰব্যৰ উৎপাদন হ্ৰাস হৈছে। অৰ্থাৎ পূৰ্ণনিয়োগ আৰু সম্পদৰ দক্ষতাপূৰ্ণ ব্যৱহাৰৰ অৱস্থাত এখন সমাজ বা দেশে দুয়োবিধ সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিব নোৱাৰে। এনে অৱস্থাত সমাজখনে কোনবিধ দ্ৰব্য কিমান পৰিমাণে উৎপাদন কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিবলগা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

<u>**আত্ম মূল্যায়নৰ প্ৰশ্ন**</u>

প্ৰশ্ন ঃ উৎপাদন সম্ভাব্য ৰেখাৰ সহায়ত দেশ এখনৰ সাম্ভাব্য উৎপাদনৰ বিষয়ে জানিব পাৰি। চমুকৈ বিশ্লেষণ কৰক। (৫০ টা শব্দৰ ভিতৰত)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ১.৫ অৰ্থনৈতিক ব্যৱস্থাৱলী ঃ

অৰ্থনৈতিক ব্যৱস্থাৱলী বুলি ক'লে কোনো এখন সমাজ বা ৰাষ্ট্ৰই কি দৰে দ্ৰব্য বা সেৱা-সামগ্ৰীসমূহ উৎপাদন, বিতৰণ আৰু আহৰণ কৰে তাৰ সম্পৰ্কে গ্ৰহণ কৰা নীতি সমূহৰ বিষয়ে অধ্যয়ন কৰা বুজায়। প্ৰত্যেকটো অৰ্থনৈতিক ব্যৱস্থাই প্ৰধানকৈ তিনিটা প্ৰশ্নৰ সন্মুখীন হ'বলগা হয় —

(১) কোনবিধ দ্ৰব্য বা সেৱা-সামগ্ৰী উৎপাদন কৰিব আৰু কেনেদৰে উৎপাদন কৰা হ'ব।

(২) দ্ৰব্য সামগ্ৰীবিধ কিমান পৰিমাণে উৎপাদন কৰা হ'ব। আৰু

(৩) উৎপাদিত সামগ্ৰীবিধ কাৰ কাৰণে উৎপাদন কৰা হ'ব।

ব্যক্তি এজনৰ দৰে প্ৰত্যেক দেশৰে সম্পদৰ পৰিমাণ সীমিত। সীমিত আৰু বিকল্প ব্যৱহাৰযোগ্য সম্পদ সমূহৰ ব্যৱহাৰৰ দ্বাৰা দেশ এখনে কি দ্ৰব্য উৎপাদন কৰিব আৰু কিমান পৰিমাণৰ উৎপাদন কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। আনহাতে, দ্ৰব্য সামগ্ৰীবোৰ কেনেদৰে উৎপাদন কৰা হ'ব তাৰ সিদ্ধান্তও গ্ৰহণ কৰিবলগীয়া হয়। ইয়াৰদ্বাৰা দ্ৰব্য সামগ্ৰী এবিধ উৎপাদনৰ বাবে প্ৰয়োজনীয় বিভিন্ন উপাদানসমূহৰ বিকল্প জোট আৰু প্ৰযুক্তিগত কৌশলৰ বিকল্প ব্যৱহাৰ বুজায়। প্ৰত্যেক অৰ্থনীতিয়ে ব্যয় সৰ্বানিম্ন অথবা উৎপাদন সৰ্বাধিক কৰিব বিচাৰে। একেদৰে জাতীয় উৎপাদনৰ বিতৰণৰ সমস্যাটো জড়িত হৈ পৰে। জাতীয় উৎপাদন দেশৰ জনগণৰ মাজত কেনেদৰে বিতৰণ কৰা হ'ব ইত্যাদি বিষয়সমূহ অৰ্থনৈতিক ব্যৱস্থাৱলীৰ জৰিয়তে বিবেচনা কৰা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

অৰ্থনৈতিক ব্যৱস্থাৱলীয়ে সমাজ বা দেশখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু আৰ্থিক প্ৰতিনিধি সকলক সামৰি লয়। বৰ্তমান সময়ৰ অৰ্থনৈতিক ব্যৱস্থাৱলী প্ৰধানকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে —

(১) বজাৰ অৰ্থনীতি বা পুঁজিবাদী অৰ্থব্যৱস্থা।

(২) সমাজবাদী অৰ্থনীতি বা কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থব্যৱস্থা।

(৩) মিশ্ৰ অৰ্থনীতি।

**(১) বজাৰ অৰ্থনীতি বা পুঁজিবাদী অৰ্থব্যৱস্থা ঃ** বজাৰ অৰ্থনীতি বা পুঁজিবাদী অৰ্থব্যৱস্থাত সা-সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্ব থাকে। দ্ৰব্য বা সেৱা-সামগ্ৰীসমূহ উৎপাদন, বিনিময় বা বিতৰণত কোনোধৰণৰ প্ৰত্যক্ষ চৰকাৰী হস্তক্ষেপ নাথাকে। দৰ ব্যৱস্থা বজাৰ যোগান আৰু বজাৰ চাহিদাৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। এনে বজাৰ ব্যৱস্থাত অৰ্থনৈতিক প্ৰতিনিধিবোৰে তেওঁলোকৰ সা-সম্পত্তি বা দ্ৰব্যবিলাক এজনে আনজনৰ লগত অবাধভাৱে বিনিময় কৰিব পাৰে। ব্যক্তিগত ব্যৱসায় প্ৰতিষ্ঠানসমূহে নিজৰ ইচ্ছা অনুসৰি সামগ্ৰীৰ উৎপাদন আৰু বিক্ৰী কৰিব পাৰে। এনে বজাৰত কোনো এবিধ দ্ৰব্যৰ বজাৰত নিৰ্দ্ধাৰিত হোৱা দৰ ক্ৰেতা আৰু বিক্ৰেতাই উমৈহতীয়াভাৱে মানি লয়। তেনেদৰে উৎপাদনৰ উপাদান সমূহৰ দৰে উপাদানবোৰ যোগান আৰু চাহিদাৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়। পুঁজিবাদী অৰ্থব্যৱস্থাত উৎপাদকে সদায় লাভ অৰ্জনৰ উদ্দেশ্যেৰে উৎপাদন কাৰ্য সম্পাদিত কৰে। পুঁজিবাদী অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল কেইখনমান দেশৰ উদাহৰণ হ'ল — আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, কানাডা ইত্যাদি।

**(২) সমাজবাদী অৰ্থনীতি বা কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থব্যৱস্থা ঃ** কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থব্যৱস্থা বা সমাজবাদী অৰ্থব্যৱস্থাত উৎপাদন, বিতৰণ আৰু বিনিয়োগ কেন্দ্ৰীয় অধিকৰ্তা বা দেশখনৰ চৰকাৰে নিৰ্দ্ধাৰণ কৰে। কেন্দ্ৰীয় অধিকৰ্তা বা চৰকাৰে সকলোবিলাক অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে। এনে অৰ্থব্যৱস্থাত ব্যক্তিগত মালিকীস্বত্ব নাথাকে। ৰাষ্ট্ৰখনৰ সকলো সম্পদৰ গৰাকী হ'ল ৰাষ্ট্ৰ বা চৰকাৰ। গতিকে কি সামগ্ৰী কিমান পৰিমাণে উৎপাদন কৰা হ'ব বা কেনেদৰে উৎপাদন কৰা হ'ব অথবা বিতৰণৰ ব্যৱস্থা কেনে হ'ব সেয়া সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিব। কেন্দ্ৰীয় অধিকৰ্তা বা চৰকাৰে দেশৰ সম্পদসমূহ আহৰণৰ জৰিয়তে সমূহ জনগণৰ সমতাপূৰ্ণ বিকাশৰ প্ৰচেষ্টা কৰে। এনে অৰ্থনীতিৰ দেশৰ উদাহৰণ হ'ল - উত্তৰকোৰিয়া, কিউবা ইত্যাদি।

**(৩) মিশ্ৰ অৰ্থনীতি ঃ** মিশ্ৰ অৰ্থনীতিত বজাৰ অৰ্থনীতি আৰু কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থনীতিৰ গুণৰাজিৰ সংমিশ্ৰণ ঘটা দেখা যায়। এনে অৰ্থনীতিত মুক্ত বজাৰ ব্যৱস্থা আৰু মাজে মাজে চৰকাৰী হস্তক্ষেপ দেখিবলৈ পোৱা যায়। এনে অৰ্থব্যৱস্থাত সম্পদৰ ব্যক্তিগত মালিকীস্বত্ব আৰু ৰাজহুৱা সম্পত্তি বিদ্যমান। কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত চৰকাৰৰ

দ্বাৰা লোৱা হয় আৰু কম-বেছি পৰিমাণে বজাৰ অৰ্থনীতিৰ দ্বাৰা আৰ্থিক কাম-কাজ সম্পাদিত হয়। এনে বজাৰ ব্যৱস্থাত ব্যক্তিগতভাৱে সম্পদ আহৰণ আৰু ব্যক্তিগত মুনাফা লাভৰ বাবে দেশৰ নাগৰিকসকলে প্ৰচেষ্টা চলাব পাৰে। বজাৰত চাহিদা আৰু যোগানৰ দ্বাৰা দাম নিৰ্দ্ধাৰিত হয়। আনহাতে চৰকাৰে উৎপাদন ক্ষেত্ৰত হস্তক্ষেপ কৰিব পাৰে আৰু চৰকাৰৰ ভূমিকাৰ দ্বাৰা উৎপাদন আৰু বজাৰ ব্যৱস্থা নিয়ন্ত্ৰিত হয়। মিশ্ৰ অৰ্থনীতি দেশৰ উদাহৰণ হ'ল - ভাৰতবৰ্ষ, ফ্ৰান্স ইত্যাদি।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### জানি থওঁ আহক

১। সাধাৰণ অৰ্থত বজাৰ বুলিলে বস্তু কিনা-বেচাৰ উদ্দেশ্যে এক নিৰ্দ্দিষ্ট স্থানত ক্ৰেতা আৰু বিক্ৰেতা মিলিত হোৱা বুজায়। অৰ্থনীতিত বজাৰৰ পৰিসৰ বহল। অৰ্থনীতিত বজাৰ বুলিলে কোনো এক নিৰ্দ্দিষ্ট স্থানত ক্ৰেতা আৰু বিক্ৰেতা মিলিত হ'বও পাৰে বা নহ'বও পাৰে। ক্ৰেতা আৰু বিক্ৰেতা মিলিত নহ'লেও অন্য যিকোনো মাধ্যমৰ জৰিয়তে যেনে - ইণ্টাৰনেট, টেলিফোন ইত্যাদিৰ জৰিয়তে দ্ৰব্য সামগ্ৰীবিধ কিনা-বেচা হোৱা সমগ্ৰ প্ৰক্ৰিয়াটোকে বজাৰ বোলা হয়।

২। মনত ৰাখিবলগীয়া যে, বৰ্তমান বিশ্বৰ সকলো অৰ্থনীতিৰ বা দেশেই মিশ্ৰ অৰ্থনীতিৰ দেশ। অৰ্থনৈতিক কাৰ্য-কলাপত চৰকাৰৰ ভূমিকাৰ ওপৰত নিৰ্ভৰ কৰি কম-বেছি পৰিমাণে পুঁজিবাদী আৰু কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থনীতি বুলি কোৱা হয়।

### আত্ম মূল্যায়নৰ প্ৰশ্ন

প্ৰশ্ন ঃ ভাৰতবৰ্ষ এখন মিশ্ৰ অৰ্থনীতিৰ দেশ। আপোনাৰৰ উত্তৰৰ সপক্ষে যুক্তি দিয়ক। (৬০-৭০ টা শব্দৰ ভিতৰত)

.....................................................................................................
.....................................................................................................
.....................................................................................................
.....................................................................................................
.....................................................................................................
.....................................................................................................

### অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক -

(ক) অধ্যাপক ছেমুৱেলচনে উৎপাদন সম্ভাব্য সীমাৰেখাৰ তত্ব আগবঢ়াইছিল। (শুদ্ধ/অশুদ্ধ)

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(খ) সীমিত সম্পদৰাজি বিকল্প ব্যৱহাৰযোগ্য হোৱাৰ বাবে পছন্দ বা বাছনি সমস্যাৰ সৃষ্টি হয়। (শুদ্ধ/অশুদ্ধ)

(গ) অৰ্থনৈতিক ব্যৱস্থাৱলী প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৫ ঃ পুঁজিবাদী অৰ্থব্যৱস্থা আৰু সমাজবাদী অৰ্থব্যৱস্থাৰ পাৰ্থক্য লিখক। (১০০ টা শব্দৰ ভিতৰত)


## ১.৬ চাহিদা আৰু যোগান ঃ

**চাহিদাৰ অৰ্থ ঃ** দ্ৰব্য-সামগ্ৰীৰ অভাৱ পূৰণৰ ক্ষমতা আছে। অভাৱ পূৰণৰ ক্ষমতা থকাৰ বাবেই উপভোক্তাই দ্ৰব্য-সামগ্ৰী এবিধ পাবৰ বাবে হাবিয়াস কৰে। দ্ৰব্য-সামগ্ৰীবিধ পাবৰ বাবে কৰা হাবিয়াসৰ পৰা দ্ৰব্যবিধৰ চাহিদাৰ সৃষ্টি হয়। কিন্তু দ্ৰব্যবিধ পাবৰ বাবে হাবিয়াস কৰিলেই চাহিদা নহয়। উপভোক্তাজনৰ দ্ৰব্যবিধ ক্ৰয় কৰাৰ বাবে ক্ৰয় ক্ষমতা থাকিব লাগিব। কাৰণ বজাৰত উপলব্ধ প্ৰতিবিধ সামগ্ৰীৰ দৰ আছে। গতিকে চাহিদাৰ সৃষ্টি হ'বলৈ হ'লে দ্ৰব্যবিধ ক্ৰয় কৰাৰ প্ৰতি উপভোক্তাজনৰ হাবিয়াস আৰু ক্ৰয় কৰাৰ সামৰ্থ্য দুয়োটা থাকিব লাগিব। মুঠতে চাহিদা বুলি ক'লে, "দ্ৰব্য এবিধৰ প্ৰতি কৰা হাবিয়াস আৰু ক্ৰয় ক্ষমতা থকা উপভোক্তাসকলে এক নিৰ্দিষ্ট সময় আৰু দৰ স্তৰত যি পৰিমাণৰ দ্ৰব্য বা সেৱা-সামগ্ৰী ক্ৰয় কৰিব বিচাৰে তাকে চাহিদা বোলা হয়।"

**জানি থওঁ আহক**

উপভোক্তা হ'ল এজন ব্যক্তি, যিজনে ব্যক্তিগত ব্যৱহাৰৰ অৰ্থে দ্ৰব্য বা সেৱা-সামগ্ৰীৰ ক্ৰয় কৰে।

**চাহিদা বিধি ঃ** সামগ্ৰীৰ দাম আৰু চাহিদাৰ গুৰুত্বপূৰ্ণ সম্বন্ধ আছে। দাম আৰু চাহিদাৰ মাজৰ সম্বন্ধৰ বিশ্লেষণ আগবঢ়োৱা সূত্ৰটোকে চাহিদা বিধি বোলা হয়। চাহিদা বিধি অনুসৰি, "অন্যান্য সকলো পৰিস্থিতি একে থকা অৱস্থাত দ্ৰব্য-সামগ্ৰীৰ দৰ বৃদ্ধি হ'লে চাহিদা হ্ৰাস পায় আৰু দ্ৰব্য-সামগ্ৰীৰ দৰ হ্ৰাস হ'লে চাহিদা বৃদ্ধি হয়।" ইয়াত অন্যান্য পৰিস্থিতিৰ দ্বাৰা উপভোক্তাৰ ৰুচি-অভিৰুচি, উপভোক্তাৰ আয়, বিকল্প বা পৰিপূৰক সামগ্ৰীৰ দৰ একে থকা বুজাইছে। উদাহৰণস্বৰূপে - এটা সামগ্ৰীৰ দৰ 5 টকা হ'লে ক্ৰেতাই 40 একক চাহিদা কৰে আৰু সামগ্ৰীৰ দাম 10 টকালৈ বৃদ্ধি হ'লে ক্ৰেতাই 20 একক পৰিমাণৰ দ্ৰব্যবিধৰ চাহিদা কৰে। তলৰ চিত্ৰৰ সহায়ত চাহিদা বিধিৰ ব্যাখ্যা কৰা হ'ল —




সামগ্ৰীৰ পৰিমাণ

<u>চিত্ৰ নং - ১.২</u>

**চিত্ৰ নং ১.২** ত চাহিদা বিধিৰ কাৰ্যকৰিকৰণ দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে DD এডাল চাহিদা ৰেখা। এই ৰেখা বাওঁহাতৰ পৰা সোঁহাতলৈ তললৈ নামি গৈছে। অৰ্থাৎ দ্ৰব্যৰ দৰ বাঢ়িলে চাহিদা কমে আৰু দৰ কমিলে চাহিদা বৃদ্ধি হয়। চিত্ৰত দেখা গৈছে সামগ্ৰীৰ দৰ যেতিয়া OP হয় চাহিদা OQ আৰু সামগ্ৰীৰ দৰ হ্ৰাস হৈ $OP_1$ হ'লে সামগ্ৰীটোৰ চাহিদা $OQ_1$ হয়।

### ১.৬.১ চাহিদা নিৰ্দ্ধাৰণকাৰী উপাদানসমূহ ঃ

উপভোক্তা এজনৰ চাহিদা সামগ্ৰীবিধৰ দৰৰ উপৰিও আনকিছুমান উপাদানৰ ওপৰত নিৰ্ভৰশীল। তলত চাহিদা নিৰ্দ্ধাৰণকাৰী উপাদানসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

**১। উপভোক্তাৰ ৰুচি-অভিৰুচি ঃ** সামগ্ৰী এবিধৰ চাহিদা উপভোক্তাৰ ৰুচি-অভিৰুচিৰ ওপৰত নিৰ্ভৰশীল। উপভোক্তাৰ ৰুচি-অভিৰুচিৰ পৰিৱৰ্তন হ'লে, চাহিদাত ইয়াৰ প্ৰভাৱ পৰিব। আধুনিক বজাৰ ব্যৱস্থা প্ৰতিযোগিতামূলক। এনে বজাৰ ব্যৱস্থাত নিত্য-নতুন সামগ্ৰী বজাৰত প্ৰৱেশ কৰে অথবা কোনো সামগ্ৰীত নতুনত্ব প্ৰদান, নক্সা পৰিৱৰ্তন আদিৰ ফলত উপভোক্তাৰ ৰুচি-অভিৰুচিৰ পৰিৱৰ্তন ঘটিব পাৰে।

**২। উপভোক্তাৰ আয় ঃ** উপভোক্তাৰ আয় বৃদ্ধি হ'লে চাহিদা বৃদ্ধি হয় আৰু আয় হ্ৰাস হ'লে চাহিদা হ্ৰাস হয়। উপভোক্তাৰ আয় বৃদ্ধি হ'লে তেওঁৰ ক্ৰয় ক্ষমতা বৃদ্ধি হয় ফলস্বৰূপে একে দামতে তেওঁ দ্ৰব্যবিধ আগতকৈ বেছি চাহিদা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

৩। **বিকল্প আৰু পৰিপূৰক সামগ্ৰীৰ দৰ ঃ** চাহিদা কৰা দ্ৰব্যবিধত ইয়াৰ লগত সম্পৰ্ক থকা অন্য দ্ৰব্যৰ দৰৰ প্ৰভাৱ পৰে। বিকল্প দ্ৰব্যৰ ক্ষেত্ৰত, দ্ৰব্যবিধৰ দৰ একে থকা অৱস্থাত বিকল্প দ্ৰব্যৰ দৰ বৃদ্ধি হ'লে চাহিদা কৰা দ্ৰব্যবিধৰ চাহিদা বৃদ্ধি হ'ব আৰু বিকল্প দ্ৰব্যৰ দৰ হ্ৰাস পালে চাহিদা হ্ৰাস পাব। উদাহৰণস্বৰূপে - চাহ আৰু কফি বিকল্প দ্ৰব্য। চাহৰ দৰ একে থকা অৱস্থাত কফিৰ দৰ বৃদ্ধি হ'লে চাহৰ চাহিদা বাঢ়িব। আনহাতে কফিৰ দৰ হ্ৰাস হ'লে চাহৰ চাহিদা কমিব।

আনহাতে, দ্ৰব্যবিধ যদি পৰিপূৰক হয় যেনে - পেট্ৰল আৰু মটৰগাড়ী। তেনেহ'লে পৰিপূৰক দ্ৰব্যৰ দাম বাঢ়িলে চাহিদা কৰা দ্ৰব্যবিধৰ চাহিদা হ্ৰাস হ'ব আৰু পৰিপূৰক দ্ৰব্যৰ দৰ হ্ৰাস হ'লে চাহিদা বৃদ্ধি হ'ব।

৪। **ভৱিষ্যতৰ দৰ পৰিৱৰ্তনৰ প্ৰত্যাশা ঃ** কোনো এবিধ সামগ্ৰীৰ দৰ হ্ৰাস বা বৃদ্ধি হোৱাৰ সম্ভাৱনা থাকিলে দ্ৰব্যবিধৰ চাহিদাত প্ৰভাৱ পৰা দেখা যায়। সামগ্ৰীৰ দৰ বৰ্তমানতকৈ অধিক হোৱাৰ প্ৰৱণতা থাকিলে, দৰ অপৰিৱৰ্তিত হ'লেও চাহিদা বৃদ্ধি হয়। আনহাতে, ভৱিষ্যতে দৰ হ্ৰাস হোৱাৰ প্ৰৱণতা থাকিলে বৰ্তমানত দৰ একে থকা অৱস্থাত চাহিদা হ্ৰাস পায়।

**জানি থওঁ আহক**

মৰ্য্যাদা মূল্য সম্পন্ন দ্ৰব্য যেনে - সোণ, ৰূপ, হীৰা, মুকুতা ইত্যাদি সামগ্ৰীৰ দাম বৃদ্ধি হ'লে চাহিদা বৃদ্ধি হয়। আনহাতে, নিকৃষ্ট দ্ৰব্য যেনে - নিম্নমানৰ খাদ্য সামগ্ৰীৰ দাম বাঢ়িলে চাহিদা বাঢ়ে আৰু দাম হ্ৰাস হ'লে চাহিদা হ্ৰাস হয়। ইয়াক চাহিদা বিধিৰ ব্যতিক্ৰম বোলা হয়। এনেক্ষেত্ৰত চাহিদা ৰেখা উৰ্দ্ধমুখী হয়।

**আত্ম মূল্যায়নৰ প্ৰশ্ন**

"চাহিদা ৰেখা বাওঁহাতৰ পৰা সোঁহাতে তললৈ নামি আহে।" ব্যাখ্যা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

..........................................................................................................


..........................................................................................................

..........................................................................................................

### ১.৬.২ চাহিদাৰ সম্প্ৰসাৰণ-সংকোচন আৰু চাহিদাৰ হ্ৰাস-বৃদ্ধি ঃ

চাহিদাৰ সম্প্ৰসাৰণ-সংকোচন আৰু চাহিদাৰ হ্ৰাস-বৃদ্ধিৰ মাজত গুৰুত্বপূৰ্ণ পাৰ্থক্য আছে। দ্ৰব্য এবিধৰ দাম কমিলে চাহিদাৰ পৰিমাণ বৃদ্ধি হয় আৰু দাম বাঢ়িলে চাহিদাৰ পৰিমাণ হ্ৰাস হয়। এনে অৱস্থাত একেডাল চাহিদা ৰেখাতে চাহিদাৰ পৰিমাণ কম-বেছি হোৱা


দেখুওৱা হয় আৰু চাহিদা অনুসূচীৰো কোনো পৰিৱৰ্তন নহয়। তলৰ চিত্ৰৰ সহায়ত চাহিদাৰ সম্প্ৰসাৰণ আৰু সংকোচন কেনেদৰে হয় দেখুওৱা হ'ল—




<u>চিত্ৰ নং - ১.৩</u>

**চিত্ৰ নং ১.৩** ত OY ৰেখাত সামগ্ৰীৰ দৰ আৰু OX ৰেখাত সামগ্ৰীৰ পৰিমাণ দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে $OP_1$ দৰত $OQ_1$ পৰিমাণৰ দ্ৰব্য চাহিদা কৰা হৈছে। দ্ৰব্যৰ দৰ হ্ৰাস হৈ $OP_2$ হোৱাত চাহিদাৰ পৰিমাণ $OQ_1$ ৰ পৰা $OQ_2$ লৈ বৃদ্ধি হৈছে। এনেদৰে চাহিদাৰ পৰিমাণ কমা বা বাঢ়া হোৱা অৱস্থাক চাহিদাৰ সম্প্ৰসাৰণ বা সংকোচন বোলে।


চাহিদাৰ হ্ৰাস-বৃদ্ধিয়ে চাহিদা অনুসূচীৰ পৰিৱৰ্তন বুজায়। অৰ্থাৎ সামগ্ৰীবিধৰ দৰ একে থকা অৱস্থাত উপভোক্তাৰ আয়, ৰুচি-অভিৰুচি, অন্যান্য সামগ্ৰীৰ দৰ ইত্যাদি কোনো এটা উপাদান বা একাধিক উপাদানৰ পৰিৱৰ্তনৰ ফলস্বৰূপে সামগ্ৰীবিধৰ চাহিদাৰ পৰিৱৰ্তন হ'লে তাকে চাহিদাৰ হ্ৰাস-বৃদ্ধি বুলি কোৱা হয়। ইয়াৰ ফলস্বৰূপে চাহিদা ৰেখা স্থানান্তৰ হয়। অৰ্থাৎ চাহিদা ৰেখা বাওঁহাতে তললৈ বা সোঁহাতে ওপৰলৈ স্থানান্তৰিত হয়। তলৰ চিত্ৰৰ সহায়ত চাহিদা ৰেখাৰ হ্ৰাস-বৃদ্ধি দেখুওৱা হ'ল—




<u>চিত্ৰ নং - ১.৪</u>

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*




চিত্ৰ নং - ১.৫

**চিত্ৰ নং ১.৪** ত চাহিদা বৃদ্ধি দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে DD চাহিদা ৰেখা $D_1D_1$ লৈ বৃদ্ধি হৈছে। অৰ্থাৎ সামগ্ৰীৰ দৰ একে থকা অৱস্থাত (OP) পৰিমাণ OQ ৰ পৰা $OQ_1$ লৈ বৃদ্ধি হৈছে। ইয়াকে চাহিদা বৃদ্ধি বোলা হয়।

আনহাতে **চিত্ৰ নং ১.৫** ত সামগ্ৰীবিধৰ দৰ একে থকা অৱস্থাত চাহিদা ৰেখা DD ৰ পৰা $D_1D_1$ লৈ হ্ৰাস হৈছে। অৰ্থাৎ চাহিদাৰ হ্ৰাস হৈছে। এনে অৱস্থাত সামগ্ৰীবিধৰ দৰ একে থকা অৱস্থাত দ্ৰব্যবিধৰ চাহিদা OQ ৰ পৰা $OQ_1$ লৈ হ্ৰাস হৈছে। ইয়াকে চাহিদাৰ হ্ৰাস বোলা হয়।

### ১.৬.৩ ব্যক্তিগত আৰু বজাৰ চাহিদা ৰেখা ঃ

**ব্যক্তিগত চাহিদা ৰেখা আহৰণ ঃ**

উপভোক্তা এজনৰ আয়, ৰুচি-অভিৰুচি আৰু আন দ্ৰব্যৰ দৰ একে থকা অৱস্থাত উপভোক্তাজনে বিভিন্ন দৰত কিমান পৰিমাণে দ্ৰব্য এবিধ ক্ৰয় কৰিব বিচাৰে তাক সহজে তালিকাকৰণ কৰিব পৰা যায়। এনে তালিকাকে ব্যক্তিগত চাহিদা অনুসূচী বোলে। ধৰা হ'ল এজন উপভোক্তাই তলত দিয়া ধৰণে বিভিন্ন দৰত এবিধ সামগ্ৰীৰ (আপেল) ক্ৰয় কৰিব বিচাৰে। তেওঁৰ ব্যক্তিগত চাহিদা অনুসূচী হ'ব—


ব্যক্তিগত চাহিদা অনুসূচী

| আপেলৰ দাম (টকা হিচাপত) | চাহিদা |
|---|---|
| 10 | 1 |
| 8 | 2 |
| 6 | 3 |
| 4 | 4 |
| 2 | 5 |

তালিকা নং - ১.২

তালিকাত দেখা গৈছে আপেলৰ দৰ 10 টকা হওঁতে ব্যক্তিজনে এটা আপেল, দৰ 8 টকা হ'লে 2 টা আপেল, 6 টকাত 3 টা আপেল, 4 টকাত 4 টা আপেল আৰু 2 টকাত 5 টা আপেল ক্ৰয় কৰিব বিচাৰিছে। এনেদৰে সামগ্ৰীৰ দৰ হ্ৰাস হ'লে দ্ৰব্যটোৰ চাহিদা বাঢ়ে আৰু সামগ্ৰীৰ দৰ বৃদ্ধি হ'লে দ্ৰব্যটোৰ চাহিদা কমে।

**চাহিদা ৰেখা ঃ** চাহিদা অনুসূচীৰ ওপৰত ভিত্তি কৰি চাহিদা ৰেখা অংকন কৰা হয়।




চিত্ৰ নং - ১.৬

**চিত্ৰ নং ঃ ১.৬** ত OX অক্ষত আপেলৰ চাহিদা আৰু OY অক্ষত আপেলৰ দৰ দেখুওৱা হৈছে। DD চাহিদা ৰেখা। এই ৰেখা ক্ৰমে বাওঁহাতৰ পৰা সোঁহাতে তললৈ নামি গৈছে। ইয়াৰ দ্বাৰা সামগ্ৰীৰ দৰ আৰু চাহিদাৰ সম্পৰ্ক দেখুওৱা হৈছে।

### ১.৬.৪ বজাৰ চাহিদা ঃ

ওপৰৰ আলোচনাত ব্যক্তিগত উপভোক্তা এজনে বিভিন্ন দৰ স্তৰত দ্ৰব্য এবিধ কিমান পৰিমাণে চাহিদা কৰে দেখুওৱা হৈছে। কিন্তু বজাৰত দ্ৰব্য সামগ্ৰীবিধৰ বহুতো উপভোক্তা থাকে। সেয়েহে বজাৰ চাহিদা অধ্যয়ন কৰা প্ৰয়োজন।


ব্যক্তিগত চাহিদা অনুসূচীসমূহৰ যোগফল হৈছে বজাৰ চাহিদা অনুসূচী। বজাৰ চাহিদা বুলিলে কোনো এক নিৰ্দিষ্ট ঠাইৰ ব্যক্তিগত উপভোক্তা সকলৰ দ্ৰব্যবিধৰ প্ৰতি থকা চাহিদাৰ যোগফলক বুজায়। উদাহৰণস্বৰূপে— নগাঁৱৰ দৈনিক বজাৰৰ আপেলৰ উপভোক্তাৰ সংখ্যা 200 জন হ'লে প্ৰত্যেকগৰাকী উপভোক্তাই বিভিন্ন দৰত কৰা চাহিদাৰ পৰিমাণ সংগ্ৰহ কৰি বজাৰ চাহিদা প্ৰস্তুত কৰা হয়। অৰ্থাৎ বজাৰ চাহিদা হ'ব 200 জন উপভোক্তাৰ ব্যক্তিগত চাহিদাৰ যোগফল। আলোচনাৰ সুবিধাৰ্থে ধৰা হ'ল এখন বজাৰত

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

মাত্ৰ দুজন উপভোক্তা আছে। উপভোক্তা A আৰু উপভোক্তা B। ধৰা হ'ল সামগ্ৰীবিধৰ $P_1$ দৰত A উপভোক্তাই $Q_1$ পৰিমাণৰ সামগ্ৰী চাহিদা কৰে। B উপভোক্তাই $P_1$ দৰত $Q_2$ পৰিমাণৰ সামগ্ৰী চাহিদা কৰে। ধৰা হ'ল সামগ্ৰীবিধৰ দৰ $P_1$ পৰা $P_2$ লৈ হ্ৰাস হ'ল। এইটো দৰত একে সামগ্ৰীবিধ A উপভোক্তাই $\overline{Q_1}$ পৰিমাণ আৰু B উপভোক্তাই $\overline{Q_2}$ পৰিমাণৰ সামগ্ৰী চাহিদা কৰে। গতিকে দ্ৰব্যবিধৰ বজাৰ চাহিদা হ'ব $P_1$ দৰত $Q_1 + Q_2$ আৰু $P_2$ দৰত $\overline{Q_1} + \overline{Q_2}$ । 2 জনতকৈ অধিক উপভোক্তা থকা বজাৰত ক্ষেত্ৰতো একেই নিয়ম ব্যৱহাৰ কৰি বজাৰ চাহিদা অনুসূচী প্ৰস্তুত কৰা হয়।


বজাৰ চাহিদা ৰেখা, ব্যক্তিগত চাহিদা ৰেখাসমূহৰ যোগফল। তলৰ চিত্ৰৰ সহায়ত বজাৰ চাহিদা ৰেখা অংকন কৰা হ'ল।




পৰিমাণ

A উপভোক্তা


<u>চিত্ৰ নং - ১.৭</u>




পৰিমাণ

B উপভোক্তা

<u>চিত্ৰ নং - ১.৮</u>




পৰিমাণ

বজাৰ চাহিদা ৰেখা

<u>চিত্ৰ নং - ১.৯</u>

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**চিত্ৰ নং ঃ ১.৭** ত A উপভোক্তাৰ ব্যক্তিগত চাহিদা ৰেখা, **চিত্ৰ নং ঃ ১.৮** ত B উপভোক্তাৰ ব্যক্তিগত চাহিদা ৰেখা আৰু **চিত্ৰ নং ঃ ১.৯** ত বজাৰ চাহিদা ৰেখা দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে $D_1D_1$ A উপভোক্তাৰ ব্যক্তিগত চাহিদা ৰেখা, $D_2D_2$ B উপভোক্তাৰ ব্যক্তিগত চাহিদা ৰেখা। A উপভোক্তা আৰু B উপভোক্তাৰ ব্যক্তিগত চাহিদা ৰেখা কিডালক পঠালিকৈ যোগ কৰি **চিত্ৰ নং ঃ ১.৯** ত DD বজাৰ চাহিদা ৰেখা অংকন কৰা হৈছে। **চিত্ৰ নং ঃ ১.৯** ত দেখা গৈছে সামগ্ৰীবিধৰ দৰ $OP_1$ ত বজাৰ চাহিদা $Q_1 + Q_2$ আৰু দৰ হ্ৰাস হৈ $OP_2$ হোৱাত বজাৰ চাহিদা $\overline{Q_1} + \overline{Q_2}$ লৈ বৃদ্ধি হৈছে।

**জানি থওঁ আহক**

এখন নিৰ্দিষ্ট ঠাইৰ বজাৰ চাহিদা অনুসূচী প্ৰস্তুত কৰিব বিচাৰিলে, ঠাইডোখৰৰ উপভোক্তাসকলৰ ব্যক্তিগত চাহিদা অনুসূচী বিলাকক যোগ কৰা হয়। কিন্তু কাৰ্যক্ষেত্ৰত নমুনাপিয়ল পদ্ধতিৰে বজাৰ চাহিদা অনুসূচী প্ৰস্তুত কৰা হয়।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ৬ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) দ্ৰব্য এবিধ পাবৰ বাবে কৰা হাবিয়াসকে চাহিদা বোলে। (শুদ্ধ/অশুদ্ধ)

(খ) সাধাৰণ দ্ৰব্যৰ ক্ষেত্ৰত উপভোক্তাৰ আয় বৃদ্ধি হ'লে চাহিদা বৃদ্ধি হয়। (শুদ্ধ/অশুদ্ধ)

(গ) চাহিদা সম্প্ৰসাৰণ আৰু সংকোচন একেডাল চাহিদা ৰেখাতে নহয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৭ ঃ চাহিদাৰ ধাৰণাটো ব্যাখ্যা কৰক। (৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৮ ঃ বজাৰ চাহিদা ৰেখা ব্যক্তিগত চাহিদা ৰেখা সমূহৰ যোগফল। ব্যাখ্যা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

### ১.৬.৫ যোগান ঃ

কোনো এক নিৰ্দিষ্ট দৰত আৰু নিৰ্দিষ্ট সময়ত উৎপাদিত সামগ্ৰীবিধৰ যিমানটো পৰিমাণ বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিয়া হয় তাকে যোগান বোলে। উৎপাদিত সামগ্ৰীবিধ মজুতকৰণৰ যোগেদি যোগান নিয়ন্ত্ৰিত কৰা হয়। অৰ্থাৎ উৎপাদিত দ্ৰব্যবিধৰ সমগ্ৰ পৰিমাণটো বিক্ৰীৰ বাবে বজাৰলৈ লৈ অনা নহয়। এজন উৎপাদকে সদায় সৰ্বাধিক লাভ অৰ্জনৰ চেষ্টা কৰে। সেয়েহে দ্ৰব্যসামগ্ৰীৰ দাম বৃদ্ধি হ'লে যোগান বৃদ্ধি হয় আৰু দ্ৰব্য সামগ্ৰীৰ দাম হ্ৰাস হ'লে যোগান হ্ৰাস হয়। অৰ্থাৎ সামগ্ৰীৰ দৰ আৰু যোগানৰ ধনাত্মক সম্বন্ধ আছে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**যোগান বিধি ঃ** চাহিদা বিধিৰ দৰে যোগানৰো বিধি আছে। যোগান বিধি চাহিদা বিধিৰ সম্পূৰ্ণ বিপৰীত। যোগান বিধি অনুসৰি "অন্যান্য সকলো পৰিস্থিতি একে থকা অৱস্থাত দ্ৰব্যসামগ্ৰীৰ দৰ বৃদ্ধি হ'লে যোগান বৃদ্ধি হয় আৰু দ্ৰব্যসামগ্ৰীৰ দৰ হ্ৰাস হ'লে যোগান হ্ৰাস হয়।"

**যোগান অনুসূচী ঃ** যোগান অনুসূচী হ'ল উৎপাদকে ভিন ভিন দৰত যোগান ধৰা দ্ৰব্যসামগ্ৰী বিধৰ পৰিমাণৰ তালিকাকৰণ। কোনো এজন উৎপাদনকাৰীয়ে প্ৰচলিত দৰত তেওঁৰ দ্বাৰা উৎপাদিত সামগ্ৰী এবিধৰ যিমানটো পৰিমাণ বজাৰত বিক্ৰীৰ বাবে আগবঢ়াই তাৰ তালিকাকৰণকে যোগান অনুসূচী বোলা হয়। তলৰ তালিকাৰ সহায়ত যোগান অনুসূচী দেখুওৱা হ'ল—


**ব্যক্তিগত যোগান অনুসূচী**

| কমলাৰ দাম (টকা হিচাপত) | কমলাৰ যোগান (হাজাৰত) |
|---|---|
| 1 | 2 |
| 2 | 4 |
| 3 | 6 |
| 4 | 8 |
| 5 | 10 |

**তালিকা নং - ১.৩**

তালিকাত এজন যোগানকাৰীয়ে এখন নিৰ্দিষ্ট বজাৰলৈ যোগান ধৰা কমলাৰ পৰিমাণ দেখুওৱা হৈছে। তালিকাত দেখা গৈছে কমলাৰ দাম বৃদ্ধি হ'লে কমলাৰ যোগান বৃদ্ধি হয়। কমলাৰ দৰ (গোটে প্ৰতি) 1 টকাত 2 হাজাৰ যোগান দেখুওৱা হৈছে। তালিকাত দেখা গৈছে কমলাৰ দৰ বৃদ্ধি হৈ 2 টকা হোৱাত যোগান 4 হাজাৰলৈ বৃদ্ধি হৈছে। সেইদৰে কমলাৰ দৰ 3 টকালৈ বৃদ্ধি হ'লে 6 হাজাৰলৈ বৃদ্ধি হৈছে। একেদৰেই কমলাৰ দৰ 4 টকালৈ বৃদ্ধি হ'লে যোগান 8 হাজাৰলৈ আৰু দৰ 5 টকালৈ বৃদ্ধি হ'লে কমলাৰ যোগান 10 হাজাৰলৈ বৃদ্ধি হয়।

**যোগান ৰেখা ঃ** যোগান অনুসূচী চিত্ৰৰ মাধ্যমেৰে উপস্থাপন কৰিলে যোগান ৰেখা পোৱা যায়। তলৰ চিত্ৰৰ সহায়ত ব্যক্তিগত যোগান ৰেখা দেখুওৱা হ'ল।




চিত্ৰ নং - ১.১০

**চিত্ৰ নং ১.১০** ত যোগান ৰেখা দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে SS যোগান ৰেখা সোঁহাতে ওপৰলৈ উঠি গৈছে। ইয়াৰ দ্বাৰা সামগ্ৰীৰ দৰ বৃদ্ধি হ'লে যোগানৰ পৰিমাণ বৃদ্ধি হোৱা দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে কমলাৰ দৰ বৃদ্ধি হোৱাত কমলাৰ যোগান ক্ৰমান্বয়ে বৃদ্ধি হৈছে।

### ১.৬.৬ যোগান নিৰ্দ্ধাৰণকাৰী উপাদানসমূহ ঃ

চাহিদাৰ দৰে যোগানো দ্ৰব্য বা সামগ্ৰীবিধৰ দামৰ উপৰিও আন কিছুমান উপাদানৰ ওপৰত নিৰ্ভৰশীল। তেনে উপাদান সমূহৰ পৰিৱৰ্তনৰ ফলস্বৰূপে দ্ৰব্য সামগ্ৰীবিধৰ দৰ পৰিৱৰ্তন নোহোৱা অৱস্থাত যোগানৰ তাৰতম্য ঘটিব পাৰে। তলত যোগান নিৰ্দ্ধাৰণকাৰী উপাদানসমূহৰ বিষয়ে আলোচনা কৰা হ'ল-

১। **উৎপাদনী ব্যয় ঃ** উৎপাদনৰ উপাদানসমূহৰ দৰ পৰিৱৰ্তন ঘটিলে যোগান হ্ৰাস-বৃদ্ধি হয়। উৎপাদনৰ উপাদান সমূহৰ দৰ যেনে- শ্ৰমিকৰ মজুৰি, সুতৰ হাৰ আদি পৰিৱৰ্তনৰ ফলত যোগান পৰিৱৰ্তন হয়।

২। **প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তন ঃ** প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ ফলস্বৰূপে উৎপাদন ব্যয়ৰ পৰিমাণ হ্ৰাস পায়। উন্নত প্ৰযুক্তিবিদ্যাৰ সহায়ত কম খৰছত আৰু তুলনামূলকভাৱে কম সময়ত উৎপাদন কাৰ্য সম্ভৱ হৈ উঠে।

৩। **চৰকাৰৰ ৰাজহ নীতি ঃ** দ্ৰব্যসামগ্ৰীৰ যোগান দেশ এখনৰ চৰকাৰৰ ৰাজহ নীতিৰ ওপৰত নিৰ্ভৰশীল। যদিহে দ্ৰব্য এবিধৰ ওপৰত নিৰ্দ্ধাৰণ কৰা কৰৰ পৰিমাণ পূৰ্বতকৈ অধিক হয় তেনেহ'লে উৎপাদনী ব্যয় অধিক হ'ব আৰু যোগান হ্ৰাস পাব। একেদৰেই কোনো দ্ৰব্যৰ ক্ষেত্ৰত ৰাজসাহাৰ্য প্ৰদান অথবা কৰৰ পৰিমাণ হ্ৰাস হ'লে সামগ্ৰীবিধত ব্যয় হ্ৰাস পাব আৰু যোগান বাঢ়িব।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*


*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

৪। **বিকল্প আৰু পৰিপূৰক দ্ৰব্যৰ প্ৰভাৱ ঃ** বজাৰত দ্ৰব্যবিধৰ বিকল্প দ্ৰব্যৰ উপস্থিতি আৰু পৰিপূৰক দ্ৰব্যৰ দামৰ পৰিৱৰ্তনৰ প্ৰভাৱ দ্ৰব্যবিধৰ চাহিদাৰ ওপৰত পৰে। বিকল্প দ্ৰব্যৰ দৰ বৃদ্ধি হ'লে, দ্ৰব্যবিধৰ দৰ একে থকা অৱস্থাত চাহিদা বৃদ্ধি হ'ব আৰু যোগান বাঢ়িব। একেদৰে পৰিপূৰক দ্ৰব্যৰ দৰ বৃদ্ধি হ'লে, দ্ৰব্যবিধৰ দৰ একে থকা অৱস্থাত চাহিদা হ্ৰাস পাব আৰু যোগান কমিব।

৫। **অনাআৰ্থিক উপাদান ঃ** কৃষিজাত সামগ্ৰীৰ ক্ষেত্ৰত প্ৰাকৃতিক দুৰ্যোগ যেনে - বানপানী, খৰাং ইত্যাদিৰ প্ৰভাৱ দ্ৰব্যবিধৰ যোগানত পৰে। প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰিলে দ্ৰব্যবিধৰ যোগান কমে। আনহাতে যুদ্ধ-বিগ্ৰহ, দেশৰ অস্থিৰ ৰাজনৈতিক পৰিৱেশ ইত্যাদি কাৰণটো দ্ৰব্যসামগ্ৰীৰ যোগান হ্ৰাস পায়। কিন্তু দেশৰ স্বাভাৱিক অৱস্থাত দ্ৰব্য সামগ্ৰী এবিধৰ যোগান বৃদ্ধি হয়।

### ১.৬.৭ যোগানৰ সম্প্ৰসাৰণ-সংকোচন আৰু যোগানৰ হ্ৰাস-বৃদ্ধি ঃ


চাহিদাৰ দৰে যোগানৰো সম্প্ৰসাৰণ-সংকোচন আৰু হ্ৰাস-বৃদ্ধিৰ মাজত গুৰুত্বপূৰ্ণ পাৰ্থক্য আছে। কেৱল দাম পৰিৱৰ্তনৰ ফলত যোগানৰ যি পৰিৱৰ্তন হয় তাক যোগানৰ সম্প্ৰসাৰণ-সংকোচন বোলে। অৰ্থাৎ দ্ৰব্য এবিধৰ দৰ বৃদ্ধি হ'লে যোগান বাঢ়ে আৰু দৰ হ্ৰাস হ'লে যোগান কমে। কাষৰ চিত্ৰৰ সহায়ত যোগানৰ সম্প্ৰসাৰণ আৰু সংকোচন দেখুওৱা হ'ল।




চিত্ৰ নং - ১.১১

**চিত্ৰ নং ১.১১** ত দেখা গৈছে দ্ৰব্যৰ দৰ OP ত যোগানৰ পৰিমাণ OQ। দ্ৰব্যৰ দৰ OP ৰ পৰা $OP_1$ লৈ বৃদ্ধি হোৱাত যোগানৰ পৰিমাণ OQ ৰ পৰা $OQ_1$ লৈ বৃদ্ধি হয়। এনেদৰে দৰ বৃদ্ধি হ'লে যোগানৰ পৰিমাণ বাঢ়ি যোৱা বা দৰ হ্ৰাস হ'লে যোগানৰ পৰিমাণ কমি যোৱাক যোগানৰ সম্প্ৰসাৰণ বা সংকোচন বোলে।

যোগানৰ হ্ৰাস-বৃদ্ধি বুলিলে সামগ্ৰীবিধৰ দৰ অপৰিৰ্বৰ্তিত থকা অৱস্থাত সামগ্ৰীবিধৰ যোগান বৃদ্ধি হোৱাক বুজায়। এনে পৰিস্থিতিত যোগানৰেখা স্থানান্তৰিত হয়। তলৰ চিত্ৰৰ সহায়ত যোগানৰেখা কেনেদৰে স্থানান্তৰিত হয় দেখুওৱা হ'ল।




**যোগানৰ পৰিমাণ**

**চিত্ৰ নং - ১.১২**

**চিত্ৰ নং ১.১২** ত দেখা গৈছে দ্ৰব্যৰ দৰ একে থকা অৱস্থাত যোগান ৰেখা সোঁহাতে স্থানান্তৰিত হৈছে। অৰ্থাৎ যোগান বৃদ্ধি হৈছে। এনেদৰে যোগান ৰেখা পূৰ্বৰ যোগান ৰেখাৰ বাওঁহাতে বা সোঁহাতে স্থানান্তৰিত হ'লে তাকে যোগানৰ হ্ৰাস-বৃদ্ধি বোলা হয়।

### ১.৬.৮ বজাৰ যোগান ৰেখা ঃ

কোনো এক নিৰ্দিষ্ট ঠাইৰ আৰু এক নিৰ্দিষ্ট দৰত সমূহ বিক্ৰেতাই দ্ৰব্যসামগ্ৰী এবিধৰ যিটো পৰিমাণ বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিয়ে তাকে দ্ৰব্যবিধৰ বজাৰ যোগান বোলা হয়। ব্যক্তিগত যোগানকাৰীসকলে যোগান অনুসূচীসমূহক যোগ কৰিলে বজাৰ যোগান অনুসূচী পোৱা যায়।

ধৰা হ'ল— গুৱাহাটী মহানগৰৰ দৈনিক বজাৰৰ (কাল্পনিক) আপেলৰ যোগান অনুসূচী প্ৰস্তুত কৰা হৈছে। সমূহ যোগানকাৰীয়ে ভিন ভিন দৰত যোগান কৰা সৰ্বমুঠ আপেলৰ তালিকা তলত দেখুওৱা হ'ল—

**বজাৰ যোগান অনুসূচী**


| আপেলৰ দাম (টকা হিচাপত) | আপেলৰ যোগান (হাজাৰত) |
|---|---|
| 1 | 5 |
| 2 | 10 |
| 3 | 15 |
| 4 | 20 |
| 5 | 25 |

**তালিকা নং - ১.৪**

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

তালিকাত দেখা গৈছে আপেলৰ দৰ (গোটে প্ৰতি) বৃদ্ধি হোৱাত আপেলৰ যোগান বৃদ্ধি হৈছে। বজাৰ যোগান অনুসূচীৰ ওপৰত নিৰ্ভৰ কৰি বজাৰ যোগান ৰেখা অংকন কৰা হয়।





**চিত্ৰ নং - ১.১৩**

**চিত্ৰ নং ১.১৩** ত বজাৰ যোগান ৰেখা দেখুওৱা হৈছে। এই ৰেখাৰ সহায়ত বজাৰখনৰ সৰ্বমুঠ যোগানৰ পৰিমাণ দেখুওৱা হৈছে।

### ১.৬.৯ বজাৰ ভাৰসাম্যতা ঃ

ভাৰসাম্যতা হ'ল এনে এক অৱস্থা য'ত পৰস্পৰ বিপৰীতমুখী শক্তিসমূহ এক নিৰ্দিষ্ট সমতলত উপনীত হয়। অৰ্থবিজ্ঞানত ভাৰসাম্যতা বুলিলে বিভিন্ন অৰ্থনৈতিক উপাদানসমূহ যেনে - চাহিদা আৰু যোগান, উৎপাদন ব্যয় আৰু আয় ইত্যাদি পৰস্পৰ সমান হোৱাটোকে বুজায়। ভাৰসাম্য অৱস্থাত উৎপাদন ক্ষেত্ৰলৈ অতিৰিক্ত উপাদানৰ প্ৰৱেশ বা কোনো উপাদান আঁতৰি যোৱাৰ প্ৰৱণতা নাথাকে।




বজাৰ ভাৰসাম্যতা বুলিলে চাহিদা আৰু যোগানৰ জৰিয়তে দৰ নিৰ্ণয় কৰা প্ৰক্ৰিয়া জনা যায়। এনে অৱস্থাত সামগ্ৰীকভাৱে গ্ৰাহকসকলে বজাৰত নিৰ্দ্ধাৰিত হোৱা দৰত দ্ৰব্যবিধ কিনিবলৈ সন্মত হয় আৰু বিক্ৰেতাসকলেও নিৰ্দ্ধাৰিত দৰত দ্ৰব্যবিধ বিক্ৰী কৰি সন্তুষ্টি লাভ কৰে। ভাৰসাম্যতা হ'ল এক কাম্য অৱস্থা। চিত্ৰৰ সহায়ত ভাৰসাম্যতা ধাৰণাটোৰ ব্যাখ্যা আগবঢ়োৱা হ'ল।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**চিত্ৰ নং ১.১৪** ত বজাৰ ভাৰসাম্যতা দেখুওৱা হৈছে। চিত্ৰত DD চাহিদা ৰেখাই SS যোগান ৰেখাক E বিন্দুত ছেদ কৰিছে। E হ'ল ভাৰসাম্য বিন্দু। OP হ'ল ভাৰসাম্য দৰ আৰু OQ হ'ল ভাৰসাম্য পৰিমাণ।

ধৰা হ'ল - দ্ৰব্যবিধৰ দৰ OP ৰ পৰা $OP_1$ লৈ বৃদ্ধি হ'ল। $OP_1$ দৰত দ্ৰব্যবিধৰ যোগান চাহিদাতকৈ বেছি হৈছে। ফলস্বৰূপে অধিক দৰত অধিক পৰিমাণৰ সামগ্ৰী বেচিবলৈ বিক্ৰেতাসকলৰ মাজত হেতাওপৰা লাগিব। দাম পুনৰ হ্ৰাস হৈ OP প্ৰতিষ্ঠা হ'ব। একেদৰেই দাম হ্ৰাস হ'লে যোগানৰ তুলনাত চাহিদাৰ পৰিমাণ বৃদ্ধি পাব। কম দামত অধিক পৰিমাণৰ দ্ৰব্য কিনিবৰ বাবে গ্ৰাহকৰ মাজত হেতাওপৰা লাগিব। ফলস্বৰূপে দাম পুনৰ বৃদ্ধি হ'ব আৰু পুনৰ ভাৰসাম্য দাম প্ৰতিষ্ঠা হ'ব।

**জানি থওঁ আহক**

দ্ৰব্যসামগ্ৰীৰ যোগান, দ্ৰব্যটোৰ মজুতকৰণ কৰি ৰাখিব পৰা বা নোৱাৰাৰ ওপৰতো নিৰ্ভৰ কৰে। মজুত কৰি ৰাখিব নোৱাৰা দ্ৰব্যৰ ক্ষেত্ৰত (যেনে - কেঁচা মাছ, গাখীৰ ইত্যাদি) দ্ৰব্যবিধৰ ওপৰত দামৰ প্ৰভাৱ কম দেখা যায়। এনে দ্ৰব্যৰ দাম নিৰ্দ্ধাৰণত দ্ৰব্যবিধৰ যোগানকৈ চাহিদাৰ প্ৰভাৱ বেছি।

**আত্ম মূল্যায়নৰ প্ৰশ্ন**

"বজাৰ যোগান ব্যক্তিগত যোগানকাৰীসকলৰ যোগানৰ যোগফল।" ব্যাখ্যা কৰক। (১০০ টা শব্দৰ ভিতৰত)

...........................................................................................................

...........................................................................................................

...........................................................................................................

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ৯ ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) যোগান আৰু দৰৰ সম্পৰ্ক ঋণাত্মক। (শুদ্ধ/অশুদ্ধ)

(খ) চাহিদা বিধি আৰু যোগান বিধি দুয়োটা সম্পূৰ্ণ বিপৰীত। (শুদ্ধ/অশুদ্ধ)

(গ) সামগ্ৰীবিধৰ যোগান কেৱল দৰৰ ওপৰত নিৰ্ভৰশীল। (শুদ্ধ/অশুদ্ধ)

(ঘ) ভাৰসাম্য অৱস্থাত দুটা পৰস্পৰ বিপৰীতমুখী শক্তি সমান হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ১০ ঃ ব্যক্তিগত যোগান অনুসূচীয়ে দ্ৰব্য এবিধৰ ভিন ভিন দৰত যোগান ধৰা দ্ৰব্যৰ পৰিমাণ দেখুৱাই ব্যাখ্যা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ১.৭ অৰ্থবিজ্ঞানত চাহিদা আৰু যোগানৰ ব্যৱহাৰ ঃ

অৰ্থবিজ্ঞানত চাহিদা আৰু যোগানৰ গুৰুত্ব অসীম। বেছিভাগ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সিদ্ধান্ত চাহিদা আৰু যোগানৰ সহায়ত লোৱা হয়। চাহিদা আৰু যোগানৰ দুটা গুৰুত্বপূৰ্ণ দিশ হৈছে - (১) চাহিদাৰেখা আৰু যোগানৰেখাৰ ঢাল। অৰ্থাৎ চাহিদা আৰু যোগানৰ স্থিতিস্থাপকতাই দৰ নিৰ্দ্ধাৰণত গুৰুত্ব লয়। (২) চাহিদা আৰু যোগান হ্ৰাস-বৃদ্ধি কৰা উপাদান সমূহে দৰ আৰু উৎপাদনত প্ৰভাৱ পেলায়।

তলত চাহিদা আৰু যোগানৰ কেইটামান গুৰুত্বপূৰ্ণ ব্যৱহাৰ চমুকৈ আলোচনা কৰা হ'ল—

**১। ব্যৱসায় প্ৰতিষ্ঠানৰ দৰ নিৰ্দ্ধাৰণ ঃ** পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত ব্যৱসায় প্ৰতিষ্ঠানৰ দৰ নিৰ্দ্ধাৰণত চাহিদা আৰু যোগানৰ প্ৰভাৱ দেখা যায়। সাধাৰণতে কৃষিজাত সামগ্ৰী যেনে - ধান, ঘেঁহু, মৰাপাট আদিৰ বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক। এনে বজাৰত ব্যক্তিগত ব্যৱসায় প্ৰতিষ্ঠানে দৰ নিৰ্দ্ধাৰণত প্ৰভাৱ পেলাব নোৱাৰে। ব্যৱসায় প্ৰতিষ্ঠানসমূহ কেৱল দৰ বহন কৰোতা। উদ্যোগত নিৰ্দ্ধাৰিত হোৱা দৰত তেওঁলোকে দ্ৰব্যসামগ্ৰী বিক্ৰী কৰিব লাগে।

যিহেতু এনে প্ৰতিষ্ঠানসমূহে উৎপাদন কৰা দ্ৰব্যবিধ মানুহৰ অত্যাৱশ্যকীয় দ্ৰব্যৰ অন্তৰ্ভূক্ত হয় সেয়েহে চৰকাৰে নূন্যতম দৰ নিৰ্দ্ধাৰণ কৰি উৎপাদনকাৰীক অনুপ্ৰেৰণা যোগায়।

**২। দৰ নিয়ন্ত্ৰণ ঃ** কেতিয়াবা চৰকাৰে কিছুমান অত্যাৱশ্যকীয় দ্ৰব্য যেনে - চাউল, চেনি, দাইল ইত্যাদিৰ ক্ষেত্ৰত দৰৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰিব পাৰে। সাধাৰণতে মুদ্ৰাস্ফীতিৰ সময়ত চৰকাৰে এনে ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। এনে দৰ ভাৰসাম্য দৰতকৈ কম হোৱাৰ বাবে উপভোক্তা সকলে দ্ৰব্যবিধ বেছি পৰিমাণে চাহিদা কৰে। তেনেক্ষেত্ৰত চৰকাৰে সুলভ মূল্যৰ নিয়ন্ত্ৰিত দৰত দ্ৰব্যবিধ যোগানৰ ব্যৱস্থা গ্ৰহণ কৰে।

**৩। ক'লা বজাৰ নিয়ন্ত্ৰণ ঃ** যিখন বজাৰত চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত দ্ৰব্যসামগ্ৰীসমূহ বে-আইনীভাৱে উচ্চ দৰত বিক্ৰী কৰা হয় তাকে দ্ৰব্যবিধৰ ক'লা বজাৰ বোলা হয়। দ্ৰব্যসামগ্ৰীবিধৰ প্ৰতি থকা অত্যাধিক চাহিদাৰ ফলস্বৰূপে ক'লা বজাৰৰ সৃষ্টি হয়। এনে অৱস্থাত কিছুসংখ্যক গ্ৰাহকে নিয়ন্ত্ৰিত দৰতকৈ অধিক দৰত দ্ৰব্যবিধ কিনিবলৈ সন্মত হয় আৰু বিক্ৰেতাসকলে অধিক দৰত দ্ৰব্যবিধ বিক্ৰী কৰি লাভৰ পৰিমাণ বৃদ্ধি কৰিব বিচাৰে।

**৪। উপভোক্তাৰ ৰাহি আৰু উৎপাদকৰ ৰাহি ঃ** চাহিদা আৰু যোগান ৰেখাই উপভোক্তা আৰু উৎপাদকৰ ৰাহিৰ সম্পৰ্কে জনাত সহায় কৰে। উপভোক্তাৰ ৰাহিয়ে কিদৰে উপভোক্তাজনে ভাৰসাম্য দৰতকৈ অধিক দৰত দ্ৰব্য ক্ৰয় কৰাৰ বাবে প্ৰস্তুত থাকে তাকে বুজায়। আনহাতে উৎপাদক এগৰাকীয়ে ভাৰসাম্য দৰৰ তলত দ্ৰব্যসামগ্ৰী এবিধ বিক্ৰীৰ বাবে প্ৰস্তুত হৈ থকা অৱস্থাটোকে বুজায়।

**৫। নিম্নতম মজুৰি নিৰ্দ্ধাৰণ ঃ** শ্ৰমিকৰ নিম্নতম মজুৰি নিৰ্দ্ধাৰণত চাহিদা আৰু যোগান ৰেখাই সহায় কৰে। চৰকাৰে নিম্নতম মজুৰি নিৰ্দ্ধাৰণৰ জৰিয়তে শ্ৰমিকৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰে। ক্ৰয় ক্ষমতা বৃদ্ধি হ'লে চাহিদা বৃদ্ধি হয়। ফলস্বৰূপে উৎপাদন বাঢ়ে।

**৬। ৰাজসাহাৰ্য প্ৰদান ঃ** যদিহে চৰকাৰে কোনো এক ব্যৱসায় প্ৰতিষ্ঠানে বজাৰত যোগান ধৰা দ্ৰব্যবিধৰ ভাৰসাম্য দৰ কম বুলি বিবেচনা কৰে তেনেহ'লে ৰাজসাহাৰ্য প্ৰদানৰ জৰিয়তে তেনে ব্যৱসায় প্ৰতিষ্ঠানক উৎপাদন অব্যাহত ৰাখিবৰ বাবে অনুপ্ৰেৰণা যোগায়। ৰাজসাহাৰ্যৰ পৰিমাণে প্ৰতিষ্ঠানটোৰ যোগানত প্ৰভাৱ পেলায়।

**৭। কৰ ঃ** পৰোক্ষ কৰৰ বোজা উৎপাদক আৰু উপভোক্তাৰ মাজত কিদৰে বিতৰণ হয় সেয়া যোগান আৰু চাহিদা ৰেখাৰ স্থিতিস্থাপকতাৰ পৰা নিৰ্দ্ধাৰণ কৰা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ১.৭.১ সুলভ মূল্যত দৰ নিয়ন্ত্ৰণ (Price Rationing) ঃ

সুলভ মূল্যত দৰ নিয়ন্ত্ৰণৰ অৰ্থ হ'ল সীমিত সম্পদৰাজিৰ আহৰণৰ ক্ষেত্ৰত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা। সুলভ মূল্যত দৰ নিয়ন্ত্ৰণে কিছুমান দুষ্প্ৰাপ্য অত্যাৱশ্যকীয় দ্ৰব্য যেনে - চাউল, ঘেঁহু, চেনি ইত্যাদি সামগ্ৰীৰ উপভোগৰ পৰিমাণ দৰ বৃদ্ধি হোৱা সময়ত সীমিত কৰা ব্যৱস্থাক বুজায়। সুলভ মূল্যত দৰ নিয়ন্ত্ৰণত প্ৰত্যেকজন উপভোক্তাই এক নিৰ্দিষ্ট দৰত সমপৰিমাণৰ দ্ৰব্যসামগ্ৰী উপভোগৰ বাবে আহৰণ কৰিব পাৰে। সুলভ মূল্যত দৰ নিয়ন্ত্ৰণৰ কেইটামান প্ৰধান উদ্দেশ্য হ'ল

১। নিত্যপ্ৰয়োজনীয় দ্ৰব্য সামগ্ৰীৰ দৰ ব্যৱস্থাত মুদ্ৰাস্ফীতি ৰোধ কৰা।

২। নিয়ন্ত্ৰিত দৰত অত্যাৱশ্যকীয় দ্ৰব্য সামগ্ৰী যোগানৰ দ্বাৰা উপভোক্তাৰ স্বাৰ্থ সুৰক্ষা কৰা।

৩। কিছুমান দ্ৰব্য সামগ্ৰীৰ বিশেষকৈ কৃষিজাত দ্ৰব্যৰ নিম্নতম দৰ নিৰ্দ্ধাৰণৰ যোগেদি উৎপাদকৰ স্বাৰ্থ সুৰক্ষা কৰা।


৪। প্ৰয়োজনীয় দুষ্প্ৰাপ্য সম্পদৰাজি জনসাধাৰণৰ মাজত সমবিতৰণৰ ব্যৱস্থা কৰা।

৫। প্ৰতিগৰাকী উপভোক্তাৰ বাবে সমপৰিমাণৰ দ্ৰব্য যোগান ব্যৱস্থাৰ দ্বাৰা সমাজৰ অসমতা দূৰ কৰা।

### ১.৭.২ নিম্নতম দৰ (Price Floor) ঃ

নিম্নতম দৰ হ'ল চৰকাৰ বা প্ৰশাসন ব্যৱস্থাই নিৰ্দ্ধাৰণ কৰা দ্ৰব্য সামগ্ৰী বা উপাদান এটাৰ নিম্নতম বিক্ৰী মূল্য। এই দৰ সাধাৰণতে বজাৰ ব্যৱস্থাৰ দ্বাৰা নিৰ্দ্ধাৰণ হোৱা দৰতকৈ অধিক হয়। ইয়াৰ দ্বাৰা চৰকাৰে দ্ৰব্য বা উপাদানবিধ অতি কম মূল্যত বিক্ৰী হোৱাৰ পৰা সুৰক্ষা প্ৰদান কৰে। সাধাৰণতে শ্ৰমিকৰ নিম্নতম মজুৰি নিৰ্দ্ধাৰণ, কৃষিজাত দ্ৰব্যৰ নিম্নতম দৰ নিৰ্দ্ধাৰণ এনে ব্যৱস্থাৰ উৎকৃষ্ট উদাহৰণ। নিম্নতম মজুৰি নিৰ্দ্ধাৰণৰ দ্বাৰা চৰকাৰে শ্ৰমিকক শোষণৰ পৰা ৰক্ষা কৰিব পাৰে। একেদৰে কৃষিজাত সামগ্ৰী নিম্নতম দৰ নিৰ্দ্ধাৰণৰ দ্বাৰা অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান বৃদ্ধি আৰু কৃষকৰ স্বাৰ্থৰ সুৰক্ষা কৰা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*





**চিত্ৰ নং - ১.১৫**

**চিত্ৰ নং ১.১৫** ত শ্ৰমিকৰ নিম্নতম মজুৰি দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে ভাৰসাম্য অৱস্থাত মজুৰিৰ পৰিমাণ 3 টকা আৰু নিয়োগৰ পৰিমাণ 30 জন শ্ৰমিক। যদি চৰকাৰে মজুৰিৰ পৰিমাণ আইন প্ৰণয়নৰ দ্বাৰা 4 টকালৈ বৃদ্ধি কৰিলে নিয়োগৰ পৰিমাণ 30 জন শ্ৰমিকৰ পৰা 20 জন শ্ৰমিকলৈ কমিব।

নিম্নতম দৰ নিৰ্দ্ধাৰণৰ দ্বাৰা শ্ৰমিকৰ উপাৰ্জনৰ পৰিমাণ বৃদ্ধিৰ প্ৰচেষ্টা কৰা হয়। উপাৰ্জন বাঢ়িলে চাহিদা বৃদ্ধি হ'ব ফলস্বৰূপে অৰ্থনীতিটোৰ অধিক উৎপাদন আৰু নিয়োগৰ সম্ভাৱনা বৃদ্ধি পাব।

### ১.৭.৩ উপভোক্তাৰ ৰাহি ঃ

উপভোক্তা এজনে দ্ৰব্য এবিধ ক্ৰয় কৰোতে যিমান দাম দিবৰ বাবে প্ৰস্তুত থাকে আৰু





চিত্ৰ নং - ১.১৬

দ্ৰব্যবিধৰ বজাৰ দৰ যদি কম হয়, তেনেহ'লে তেওঁ যি পৰিমাণৰ লাভ অৰ্জন কৰে তাকে উপভোক্তাজনৰ ৰাহি বোলা হয়। অৰ্থাৎ উপভোক্তাজনে দ্ৰব্যবিধ ক্ৰয় কৰাৰ বাবদ দিব খোজা দৰ আৰু প্ৰকৃত দৰৰ মাজৰ পাৰ্থক্যকে উপভোক্তাৰ ৰাহি বোলা হয়। ধৰা হ'ল - এজন উপভোক্তাই এযোৰ নতুন জোতা ক্ৰয় কৰিব বিচাৰিছে। তেওঁ জোতা যোৰৰ বাবদ 1200 টকা দিবলৈ প্ৰস্তুত। কিন্তু জোতাযোৰৰ বজাৰমূল্য 1000 টকা হ'লে উপভোক্তাজনৰ ৰাহি হ'ব 200 টকা। চিত্ৰৰ সহায়ত উপভোক্তাৰ ৰাহি ধাৰণাটো ব্যাখ্যা কৰা হ'ল—

চিত্ৰত e হ'ল ভাৰসাম্য বিন্দু। OP ভাৰসাম্য দাম আৰু OQ ভাৰসাম্য পৰিমাণ। চিত্ৰত দেখা গৈছে PAe উপভোক্তাজনৰ ৰাহি। কাৰণ উপভোক্তাজনে OP দৰত OQ পৰিমাণৰ সামগ্ৰী ক্ৰয় কৰোতে তেওঁ মুঠ ব্যয় OPeQ হৈছে। কিন্তু উপভোক্তাজনে দ্ৰব্যবিধ ক্ৰয়ৰ বাবে OAeQ পৰিমাণৰ ব্যয় কৰিবলৈ প্ৰস্তুত। গতিকে উপভোক্তাজনৰ ৰাহি হ'ব OAeQ-OPeQ = PAe.

### ১.৭.৪ উৎপাদকৰ ৰাহি ঃ

উৎপাদক এজনে তেওঁৰ দ্বাৰা উৎপাদিত দ্ৰব্য সামগ্ৰী এবিধ যিটো দৰত বিক্ৰী কৰিব বিচাৰে তাতকৈ যদি বজাৰ দৰ অধিক হয়, তেনেহ'লে তেওঁ যি পৰিমাণে অত্যাধিক লাভ অৰ্জন কৰে তাকে উৎপাদকৰ ৰাহি বোলা হয়। অৰ্থাৎ উৎপাদক এজনে বিক্ৰী কৰিব খোজা দ্ৰব্যবিধৰ দৰ আৰু বজাৰ দৰৰ মাজৰ পাৰ্থক্যকে উৎপাদকৰ ৰাহি বোলা হয়। চিত্ৰৰ সহায়ত উৎপাদকৰ ৰাহি ধাৰণাটোৰ ব্যাখ্যা আগবঢ়োৱা হ'ল।



চিত্ৰ নং - ১.১৬

চিত্ৰত e হ'ল ভাৰসাম্য বিন্দু। OP হ'ল ভাৰসাম্য দাম আৰু OQ ভাৰসাম্য পৰিমাণ। চিত্ৰত দেখা গৈছে PeB উৎপাদকৰ ৰাহি। চিত্ৰত দেখা গৈছে OBeQ পৰিমাণৰ মূল্যত উৎপাদনকাৰীয়ে দ্ৰব্যবিধ যোগান ধৰিবলৈ প্ৰস্তুত। কিন্তু বজাৰত দৰ OP নিৰ্দ্ধাৰণ হোৱাত তেওঁ OQ পৰিমাণৰ দ্ৰব্য বিক্ৰী কৰি লাভ কৰা মূল্য হ'ব OPeQ। গতিকে উৎপাদকৰ ৰাহি হ'ব OPeQ - OBeQ = PeB.

**জানি থওঁ আহক**

উপভোক্তাৰ ৰাহি ধাৰণাটো ফৰাচী অৰ্থনীতিবিদ Dupuit সৰ্বপ্ৰথম আগবঢ়াইছিল। কিন্তু তত্বটোৰ পূৰ্ণ ব্যাখ্যা অধ্যাপক মাৰ্চেলৰ দ্বাৰা কৰা হয়। এই তত্বটো মূলতঃ ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিৰ ওপৰত প্ৰতিষ্ঠিত।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**আত্মমূল্যায়নৰ প্ৰশ্ন**

নিম্নতম দৰ নিৰ্দ্ধাৰণৰ দ্বাৰা চৰকাৰে শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ জনসাধাৰণক উপকৃত কৰে। ব্যাখ্যা কৰক। (১০০ টা শব্দৰ ভিতৰত)

.............................................................................................................

.............................................................................................................

.............................................................................................................

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ১১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) চাহিদা আৰু যোগান ৰেখাৰ সহায়ত উপভোক্তাৰ ৰাহি নিৰ্ণয় কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

(খ) সুলভ মূল্যৰ দৰ নিয়ন্ত্ৰণৰ সকলো উপভোক্তাই এক নিৰ্দিষ্ট দৰত সমপৰিমাণৰ প্ৰয়োজনীয় দ্ৰব্য সামগ্ৰী উপভোগৰ সুবিধা লাভ কৰে। (শুদ্ধ/অশুদ্ধ)

(গ) নিম্নতম দৰ নিৰ্দ্ধাৰণৰ দ্বাৰা দ্ৰব্য বা উপাদানৰ দৰ বজাৰ দৰৰ তলত নিৰ্দ্ধাৰণ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ১২ ঃ উপভোক্তাৰ ৰাহি আৰু উৎপাদকৰ ৰাহিৰ মাজত থকা পাৰ্থক্য লিখক। (৮০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১৩ ঃ চাহিদা আৰু যোগান ৰেখাৰ যিকোনো দুটা ব্যৱহাৰ লিখক। (৮০ টা শব্দৰ ভিতৰত)

## ১.৮ স্থিতিস্থাপকতা ঃ

অৰ্থবিজ্ঞানত কোনো এক স্বতন্ত্ৰ চলকৰ পৰিৱৰ্তনৰ শতকৰা হাৰৰ ওপৰত, নিৰ্ভৰশীল চলকৰ শতকৰা পৰিৱৰ্তনৰ হাৰক স্থিতিস্থাপক বোলা হয়। ধৰা হ'ল দ্ৰব্যৰ দৰ (P) এটা স্বতন্ত্ৰ চলক আৰু পৰিমান (Q) এটা নিৰ্ভৰশীল চলক। গতিকে স্থিতিস্থাপকতা হ'ব—

$$e_p = \frac{Q \text{ ৰ শতকৰা পৰিৱৰ্তন}}{P \text{ ৰ শতকৰা পৰিৱৰ্তন}}$$

### চাহিদাৰ দৰ স্থিতিস্থাপকতা ঃ

দ্ৰব্য সামগ্ৰীৰ দৰ আৰু চাহিদাৰ এক বিপৰীতমুখী সম্পৰ্ক আছে। দৰ পৰিৱৰ্তনৰ ফলত চাহিদাৰ পৰিমাণৰ যি পৰিৱৰ্তন হয় তাকে দ্ৰব্যটোৰ দৰ স্থিতিস্থাপকতা বুলি কোৱা হয়।

দৰ পৰিৱৰ্তনৰ ফলস্বৰূপে চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন সদায় একে নহ'বও পাৰে। দৰ পৰিৱৰ্তনৰ ফলস্বৰূপে চাহিদাৰ পৰিমাণৰ যথেষ্ট বেছি পৰিমাণে পৰিৱৰ্তন হ'লে তেনে দ্ৰব্যবিধৰ চাহিদাক স্থিতিস্থাপক চাহিদা বোলে। আনহাতে দৰ পৰিৱৰ্তনৰ ফলত চাহিদাৰ বিশেষ পৰিৱৰ্তন নহ'লে তেনে দ্ৰব্যৰ চাহিদাক অস্থিতিস্থাপক চাহিদা বোলে।

এটা দ্ৰব্যৰ চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্ণয় কৰা সূত্ৰটো হ'ল—

$$e_d = \frac{\text{দ্ৰব্যটোৰ চাহিদাৰ শতকৰা পৰিৱৰ্তন}}{\text{দ্ৰব্যটোৰ দৰৰ শতকৰা পৰিৱৰ্তন}}$$

$$e_d = \frac{\dfrac{\text{চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন}}{\text{মূল চাহিদা}}}{\dfrac{\text{দৰৰ পৰিৱৰ্তন}}{\text{মূল দৰ}}}$$

$$ed = \frac{\dfrac{Q - Q'}{Q} \times 100}{\dfrac{P - P'}{P} \times 100}$$

$$\partial Q = (Q - Q^1)$$

বা $$e_d = \frac{\partial Q / Q \times 100}{\partial P / P \times 100}$$

বা $$e_d = \frac{\partial Q / Q}{\partial P / P}$$

$$ed = \frac{\partial Q}{\partial P} \cdot \frac{P}{Q}$$

ইয়াত $P =$ দ্ৰব্যটোৰ মূল দৰ

দ্ৰব্যটোৰ নতুন দৰ

দ্ৰব্যটোৰ মূল পৰিমাণ

$Q' =$ দ্ৰব্যটোৰ পৰিৱৰ্তন হোৱা চাহিদাৰ পৰিমাণ

আৰু $\partial =$ পৰিৱৰ্তন বুজাইছে

অৰ্থাৎ আৰু

$$\partial P = (P - P^1)$$

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

এটা উদাহৰণৰ সহায়ত চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্ণয় কৰা পদ্ধতিটো ব্যাখ্যা কৰা হ'ল।

ধৰা হওঁক কমলাৰ দাম গোটে প্ৰতি 10 টকা থাকোতে গুৱাহাটীৰ দৈনিক বজাৰত 1000 টা কমলা বিক্ৰী হৈছিল। যদি কমলাৰ দৰ 8 টকালৈ হ্ৰাস পোৱাত ইয়াৰ বিক্ৰীৰ পৰিমাণ 1200 টা গোটলৈ বৃদ্ধি পায়। এনেক্ষেত্ৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা হ'ব—

$$e_d = \frac{\partial Q}{\partial P} \cdot \frac{P}{Q}$$

$$= \frac{(Q - Q^1)}{(P - P^1)} \cdot \frac{P}{Q}$$

$$= \frac{1000 - 1200}{10 - 8} \times \frac{10}{1000}$$

$$= \frac{-2}{2} \times \frac{1}{1}$$

$$\therefore \quad = -1$$

বা

উল্লেখযোগ্য যে চাহিদাৰ দৰ স্থিতিস্থাপকতা সদায় এটা ঋণাত্মক সংখ্যা হয়। কিন্তু জটিলতা এৰাই চলাৰ বাবে এই ঋণাত্মক চিহ্নটো বিবেচনা কৰা নহয়।

### ১.৮.১ চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্ণয়কাৰী উপাদানসমূহ ঃ

চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্দ্ধাৰণকাৰী উপাদানসমূহ তলত আলোচনা কৰা হ'ল—

**১। দ্ৰব্যবিধৰ প্ৰকৃতি ঃ** দ্ৰব্যবিধৰ প্ৰকৃতিৰ ওপৰত স্থিতিস্থাপকতা নিৰ্ভৰশীল। জীৱন ধাৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰত স্থিতিস্থাপকতা কম আৰু আন সামগ্ৰীৰ ক্ষেত্ৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা বেছি।

**২। নিকট বিকল্প দ্ৰব্যৰ উপস্থিতি ঃ** নিকট বিকল্প দ্ৰব্য থকা সামগ্ৰীৰ ক্ষেত্ৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা অধিক হয়। উদাহৰণস্বৰূপে - চাহ আৰু কফি বিকল্প দ্ৰব্য। কফিৰ দাম একে থকা অৱস্থাত চাহৰ দাম বৃদ্ধি হ'লে চাহৰ চাহিদা যথেষ্ট পৰিমাণে হ্ৰাস হয়। আনহাতে কফিৰ দাম একে থকা অৱস্থাত চাহৰ দাম হ্ৰাস হ'লে চাহৰ চাহিদা যথেষ্ট পৰিমাণে বৃদ্ধি হয়।

**৩। গ্ৰাহকৰ বাজেটত দ্ৰব্যবিধৰ ব্যয়ৰ গুৰুত্ব ঃ** যিবোৰ দ্ৰব্য কম ব্যয়বহুল হয়, তেনে দ্ৰব্যৰ চাহিদা প্ৰায় অস্থিতিস্থাপক। আনহাতে অধিক ব্যয়বহুল দ্ৰব্যৰ চাহিদা অধিক স্থিতিস্থাপক হয়। উদাহৰণস্বৰূপে - বাতৰি কাকতৰ চাহিদা প্ৰায় অস্থিতিস্থাপক তাৰ বিপৰীতে মটৰগাড়ীৰ চাহিদা যথেষ্ট স্থিতিস্থাপক।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

৪। **সময়ৰ প্ৰভাৱ ঃ** হ্ৰস্বকালীন সময়তকৈ দীৰ্ঘকালীন সময়ত চাহিদাৰ স্থিতিস্থাপকতা অধিক হয়। দীৰ্ঘকালত উপভোক্তাসকলে ৰুচি-অভিৰুচি পৰিৱৰ্তন অথবা বিকল্প দ্ৰব্যৰ সন্ধানৰ যোগেদি দাম বৃদ্ধি হোৱা দ্ৰব্যটোৰ প্ৰতি কৰা চাহিদাৰ পৰিমাণ হ্ৰাস কৰিব পাৰে।

৫। **দ্ৰব্যৰ স্থায়িত্ব ঃ** দীৰ্ঘস্থায়ী দ্ৰব্যৰ তুলনাত ক্ষণস্থায়ী দ্ৰব্যৰ চাহিদাৰ স্থিতিস্থাপকতা কম হয়। দীৰ্ঘস্থায়ী দ্ৰব্য যেনে - মটৰ চাইকেল, ফ্ৰিজ ইত্যাদি দ্ৰব্যৰ দৰ বৃদ্ধি পালে চাহিদা বেছি পৰিমাণে হ্ৰাস হয়। আনহাতে ক্ষণস্থায়ী দ্ৰব্য যেনে - বিজুলী বাতিৰ চাহিদা প্ৰায় অস্থিতিস্থাপক। জনসাধাৰণে ক্ষণস্থায়ী দ্ৰব্য নষ্ট হোৱাৰ লগে লগে নতুন দ্ৰব্য কিনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

### ১.৮.২ চাহিদাৰ আয় স্থিতিস্থাপকতা ঃ

দ্ৰব্য এবিধৰ দৰ আৰু অন্যান্য পৰিস্থিতি একে থকা অৱস্থাত উপভোক্তা এজনৰ আয়ৰ পৰিৱৰ্তনৰ ফলস্বৰূপে চাহিদাৰ পৰিমাণৰ যি পৰিৱৰ্তন ঘটে তাকে চাহিদাৰ আয় স্থিতিস্থাপকতা বোলে। চাহিদাৰ আয় স্থিতিস্থাপকতা নিৰ্দ্ধাৰণ কৰা সমীকৰণটো হৈছে—

$$e_y = \frac{\text{চাহিদাৰ পৰিমাণৰ আনুপাতিক পৰিবৰ্তন}}{\text{আয়ৰ আনুপাতিক পৰিৱৰ্তন}}$$

বা

$$e_y = \frac{\dfrac{\text{চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন}}{\text{মূল চাহিদা}}}{\dfrac{\text{আয়ৰ পৰিমাণৰ পৰিৱৰ্তন}}{\text{মূল আয়}}}$$

### ১.৮.৩ চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা ঃ

বিকল্প আৰু পৰিপূৰক দ্ৰব্যৰ ক্ষেত্ৰত, এটা দ্ৰব্যৰ দামৰ পৰিৱৰ্তনে আন এটা দ্ৰব্যৰ চাহিদাৰ পৰিৱৰ্তন ঘটায়। এটা দ্ৰব্যৰ দৰৰ পৰিৱৰ্তনৰ ফলত আন এটা দ্ৰব্যৰ চাহিদাৰ যি পৰিৱৰ্তন হয় তাকে চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা বোলে। উদাহৰণস্বৰূপে - চাহ আৰু কফি বিকল্প দ্ৰব্য। চাহৰ দাম একে থকা অৱস্থাত কফিৰ দাম বৃদ্ধি হ'লে চাহৰ চাহিদা বাঢ়িব। আনহাতে মটৰগাড়ী আৰু পেট্ৰল পৰিপূৰক সামগ্ৰী। মটৰগাড়ীৰ দৰ একে থকা অৱস্থাত পেট্ৰলৰ দাম বৃদ্ধি হ'লে মটৰগাড়ীৰ চাহিদা হ্ৰাস পাব। বিকল্প আৰু পৰিপূৰক দ্ৰব্যৰ দৰ আৰু চাহিদাৰ এনে সম্পৰ্কক চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা বোলা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**জানি থওঁ আহক**

চাহিদাৰ দৰ স্থিতিস্থাপকতা পাঁচ প্ৰকাৰৰ - (১) একক স্থিতিস্থাপক চাহিদা, (২) এককতকৈ অধিক স্থিতিস্থাপক চাহিদা, (৩) এককতকৈ কম স্থিতিস্থাপক চাহিদা, (৪) স্থিতিস্থাপকতা শূন্য বা পূৰ্ণ অস্থিতিস্থাপক চাহিদা, আৰু (৫) পূৰ্ণ স্থিতিস্থাপক চাহিদা।

**আত্ম মূল্যায়নৰ প্ৰশ্ন**

প্ৰতি কিলো পিয়াজৰ মূল্য 25 টকাৰ পৰা 20 টকালৈ হ্ৰাস হোৱাত, গুৱাহাটীৰ দৈনিক বজাৰত পিয়াজৰ চাহিদা 800 কেজিৰ পৰা 1000 কেজিলৈ বৃদ্ধি হ'লে চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্ণয় কৰক।

.........................................................................................................

.........................................................................................................

.........................................................................................................

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ১৪ ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) কোনো এক স্বতন্ত্ৰ চলকৰ শতকৰা পৰিৱৰ্তনৰ ওপৰত নিৰ্ভৰশীল চলকৰ শতকৰা পৰিৱৰ্তনৰ হাৰক স্থিতিস্থাপকতা বোলা হয়। (শুদ্ধ/অশুদ্ধ)

(খ) স্বাভাৱিক দ্ৰব্যৰ দৰ আৰু চাহিদাৰ এক যোগাত্মক সম্পৰ্ক আছে। (শুদ্ধ/অশুদ্ধ)

(গ) নিকট বিকল্প দ্ৰব্য থাকিলে দ্ৰব্যবিধৰ দৰ স্থিতিস্থাপকতা বেছি হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ১৫ ঃ দ্ৰব্যৰ প্ৰকৃতি স্থিতিস্থাপকতা নিৰ্দ্ধাৰণ কিদৰে প্ৰভাৱ পেলাই আলোচনা কৰক। (৩০ টা শব্দৰ ভিতৰত)

## ১.৯ সাৰাংশ (Summing Up) ঃ

- মানুহৰ অসীম অভাৱসমূহ পূৰণৰ অৰ্থে থকা সম্পদৰ পৰিমাণ সীমিত আৰু বিকল্প ব্যৱহাৰযোগ্য হোৱাৰ বাবে পছন্দ বা বাছনি সমস্যাৰ সৃষ্টি হয়।
- সীমিত সম্পদৰাজিৰে সকলো অভাৱ পূৰণ কৰিব নোৱাৰাৰ বাবে এটা অভাৱ পূৰণ কৰিলে আন এটা অভাৱ পূৰণৰ আশা ত্যাগ কৰিব লগা হয়। এই ত্যাগৰ মূল্যক সুযোগ ব্যয় বা অৰ্থনৈতিক ব্যয় বোলা হয়।
- ব্যক্তিৰ দৰে সমাজ বা দেশ এখনৰো সম্পদৰ পৰিমাণ সীমিত হোৱাৰ বাবে, সমাজ বা দেশ এখনৰ দ্ৰব্য সামগ্ৰী উৎপাদনত সীমাৰদ্ধতা আহে। উৎপাদন সম্ভাৱনীয় সীমাৰেখাৰ সহায়ত ইয়াৰ বিশ্লেষণ কৰা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- অৰ্থনৈতিক কাৰ্যকলাপত চৰকাৰৰ ভূমিকাৰ ওপৰত নিৰ্ভৰ কৰি অৰ্থনৈতিক ব্যৱস্থাৱলী প্ৰধানকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে — (১) বজাৰ অৰ্থনীতি বা পুঁজিবাদী অৰ্থব্যৱস্থা, (২) সমাজবাদী অৰ্থনীতি বা কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থব্যৱস্থা আৰু (৩) মিশ্ৰ অৰ্থনীতি।

- উপভোক্তা এজনে সামগ্ৰী এবিধৰ বাবে কৰা হাবিয়াস আৰু ক্ৰয় ক্ষমতাৰে পৰিপুষ্ট হ'লে তাকে চাহিদা বোলে। চাহিদা বিধিয়ে দাম আৰু চাহিদাৰ বিপৰীতমুখী সম্পৰ্ক দেখুৱায়। অৰ্থাৎ দাম বাঢ়িলে চাহিদা কমে আৰু দাম কমিলে চাহিদা বৃদ্ধি হয়। সেয়েহে চাহিদা ৰেখাডাল সোঁফালে তললৈ নামি আহে।

- কেৱল দাম পৰিৱৰ্তনৰ ফলস্বৰূপে চাহিদাৰ যি পৰিৱৰ্তন ঘটে তাকে চাহিদাৰ সম্প্ৰসাৰণ আৰু সংকোচন বোলে। আনহাতে, দাম একে থকা অৱস্থাত উপভোক্তাৰ আয়, ৰুচি-অভিৰুচি ইত্যাদি পৰিৱৰ্তনৰ ফলত চাহিদাৰ যি পৰিৱৰ্তন ঘটে তাক চাহিদাৰ হ্ৰাস-বৃদ্ধি বোলা হয়।

- সামগ্ৰীৰ দৰ বৃদ্ধি হ'লে যোগান বৃদ্ধি হয় আৰু সামগ্ৰীৰ দৰ হ্ৰাস হ'লে যোগান হ্ৰাস হয়। সেয়েহে যোগান ৰেখাডাল সোঁফালে ওপৰলৈ উঠি যায়।

- অৰ্থবিজ্ঞানত চাহিদা আৰু যোগানৰ গুৰুত্ব অসীম। বেছিভাগ অৰ্থনৈতিক সিদ্ধান্ত যেনে — (১) ব্যৱসায় প্ৰতিষ্ঠানৰ দৰ নিৰ্দ্ধাৰণ, (২) দৰ নিয়ন্ত্ৰণ, (৩) ক'লা বজাৰ নিয়ন্ত্ৰণ, (৪) নিম্নতম মজুৰি নিৰ্দ্ধাৰণ ইত্যাদি চাহিদা আৰু যোগানৰ সহায়ত নিৰ্দ্ধাৰণ কৰা হয়।

- সুলভ মূল্যৰ দৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ জৰিয়তে দুষ্প্ৰাপ্য অত্যাৱশ্যকীয় সামগ্ৰী যেনে — চাউল, ঘেঁহু, চেনি ইত্যাদি প্ৰত্যেকজন উপভোক্তাই এক নিৰ্দিষ্ট দৰত সমপৰিমাণে উপভোগৰ বাবে আহৰণ কৰিব লাগে।

- নিম্নতম দৰ নিয়ন্ত্ৰণৰ জৰিয়তে, নিৰ্দ্ধাৰিত দৰ সাধাৰণতে ভাৰসাম্য দৰতকৈ অধিক হয় আৰু ইয়াৰ দ্বাৰা শ্ৰমিক আৰু কৃষকৰ স্বাৰ্থ সুৰক্ষা কৰা হয়।

- উপভোক্তা এজনে দ্ৰব্য এবিধ ক্ৰয় কৰোতে দিবখোজা দাম আৰু বজাৰ দৰৰ পাৰ্থক্যক উপভোক্তাৰ ৰাহি বোলে। আনহাতে, উৎপাদক এজনে সামগ্ৰী এবিধ যি দৰত বিক্ৰী কৰিব বিচাৰে তাতোকৈ যদি বজাৰ দৰ অধিক হয় তাকে উৎপাদকৰ ৰাহি বোলা হয়।

- কোনো এক স্বতন্ত্ৰ চলকৰ পৰিৱৰ্তনৰ হাৰৰ ওপৰত নিৰ্ভৰশীল চলকৰ শতকৰা পৰিৱৰ্তন হাৰক স্থিতিস্থাপকতা বোলে। সামগ্ৰীৰ দাম পৰিৱৰ্তনৰ ফলত চাহিদাৰ পৰিমাণৰ যি পৰিৱৰ্তন ঘটে তাকে চাহিদাৰ দৰ স্থিতিস্থাপকতা বোলে।

- চাহিদাৰ আয় স্থিতিস্থাপকতাই উপভোক্তাৰ আয়ৰ পৰিৱৰ্তনৰ ফলত হোৱা চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন বুজায়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- বিকল্প আৰু পৰিপূৰক দ্ৰব্যৰ ক্ষেত্ৰত এটা সামগ্ৰীৰ দৰৰ পৰিৱৰ্তনে ইয়াৰ লগত সম্পৰ্কিত আনবিধ দ্ৰব্যৰ চাহিদাক প্ৰভাৱ পেলায়। ইয়াকে চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা বোলে।

## ১.১০ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings) ঃ

1. Ahuja, H.L. (1997), Advanced Economic Theory, New Delhi; S chand & Company Ltd.

2. Kousoyiannis, A (1979), Modern Micro economics, New Delhi; Macmillan.

3. Dewett K.K. (2005), Modern Economic Theory; New Delhi; S chand & Sons.

**অসমীয়া গ্ৰন্থ ঃ**

১। গোস্বামী, ননী গোপাল (২০১৩), স্নাতক ব্যষ্টিবাদী অৰ্থবিজ্ঞান তত্ব; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২। গোস্বামী, অতুল (১৯৮৯), অৰ্থবিজ্ঞানৰ মূল তত্ব; ডিব্ৰুগড় ঃ ষ্টুডেণ্টচ্ এম্পাৰিয়াম।

## ১.১১ আৰ্হি প্ৰশ্ন (Sample Questions) ঃ

**(ক) অতি চমু উত্তৰ লিখক ঃ**

প্ৰশ্ন নং ১ ঃ অৰ্থবিজ্ঞানৰ মৌলিক সমস্যা কেইটা উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ উৎপাদন সম্ভাৱনীয় সীমাৰেখা কি?

প্ৰশ্ন নং ৩ ঃ এখন মিশ্ৰ অৰ্থনীতিৰ দেশৰ উদাহৰণ দিয়ক।

প্ৰশ্ন নং ৪ ঃ চাহিদা বিধিটো উল্লেখ কৰক।

প্ৰশ্ন নং ৫ ঃ স্বাভাৱিক দ্ৰব্যৰ চাহিদা ৰেখা এডালৰ ঢাল কেনেকুৱা হয়?

প্ৰশ্ন নং ৬ ঃ চাহিদাৰ সম্প্ৰসাৰণ-সংকোচন বুলিলে কি বুজে লিখক।

প্ৰশ্ন নং ৭ ঃ যোগান কাক বোলে?

প্ৰশ্ন নং ৮ ঃ যোগান বিধিটো উল্লেখ কৰক।

প্ৰশ্ন নং ৯ ঃ বজাৰ ভাৰসমতা বুলিলে কি বুজে?

প্ৰশ্ন নং ১০ ঃ ক'লা বজাৰ কি?

প্ৰশ্ন নং ১১ ঃ সুলভ মূল্যত দৰ নিয়ন্ত্ৰণ বুলিলে কি বুজে লিখক।

প্ৰশ্ন নং ১২ ঃ নূন্যতম দৰ নিয়ন্ত্ৰণৰ দ্বাৰা উপকৃত হোৱা ২ প্ৰকাৰৰ ব্যক্তি কোন?

প্ৰশ্ন নং ১৩ ঃ উপভোক্তাৰ ৰাহি বুলিলে কি বুজে লিখক।

প্ৰশ্ন নং ১৪ ঃ উৎপাদক এজনৰ ৰাহি কাক বোলে?

প্ৰশ্ন নং ১৫ ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতা কাক বোলে?

প্ৰশ্ন নং ১৬ ঃ চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা কি?

**(খ) চমু প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত)**

প্ৰশ্ন নং ১ ঃ পছন্দ বা বাছনি সমস্যা কিদৰে সৃষ্টি হয় ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ সুযোগ ব্যয় বুলিলে কি বুজে লিখক।

প্ৰশ্ন নং ৩ ঃ বজাৰ অৰ্থনীতিৰ ধাৰণাটো লিখক।

প্ৰশ্ন নং ৪ ঃ চাহিদাৰ হ্ৰাস-বৃদ্ধি বুলিলে কি বুজে লিখক।

প্ৰশ্ন নং ৫ ঃ ব্যক্তিগত চাহিদা অনুসূচী কি? ব্যক্তিগত (কাল্পনিক) চাহিদা অনুসূচী এখন প্ৰস্তুত কৰক।

প্ৰশ্ন নং ৬ ঃ 'যোগান ৰেখা সোঁহাতে ওপৰলৈ উঠি যায়।' কিয়?

প্ৰশ্ন নং ৭ ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতা নিৰ্দ্ধাৰণ কৰা সূত্ৰটো ব্যাখ্যা কৰক।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ**

প্ৰশ্ন নং ১ ঃ উৎপাদন সম্ভাৱনীয় সীমাৰেখা কি? উপযুক্ত তালিকা আৰু চিত্ৰৰ সহায়ত উৎপাদন সম্ভাৱনীয় সীমা ৰেখা ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ অৰ্থনৈতিক ব্যৱস্থাৱলী বুলিলে কি বুজে? অৰ্থনৈতিক ব্যৱস্থাৱলীৰ প্ৰধান ভাগসমূহৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন নং ৩ ঃ চাহিদা নিৰ্দ্ধাৰণকাৰী উপাদান সমূহৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন নং ৪ ঃ চাহিদাৰ সম্প্ৰসাৰণ-সংকোচন আৰু চাহিদা হ্ৰাস-বৃদ্ধি কিয় আৰু কেনেদৰে হয় উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৫ ঃ ব্যক্তিগত চাহিদা ৰেখাৰ পৰা বজাৰ চাহিদা ৰেখা কেনেদৰে আহৰণ কৰা হয় ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৬ ঃ যোগান নিৰ্দ্ধাৰণকাৰী উপাদানসমূহৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন নং ৭ ঃ বজাৰ ভাৰসমতা কি? বজাৰ ভাৰসমতা কিদৰে নিৰ্দ্ধাৰণ হয় উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৮ ঃ চাহিদা আৰু যোগানৰ ব্যৱহাৰ সম্পৰ্কত এটি টোকা লিখক।

প্ৰশ্ন নং ৯ ঃ উৎপাদকৰ ৰাহি আৰু উপভোক্তাৰ ৰাহি ধাৰণা কেইটা উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন নং ১০ ঃ চাহিদা দৰ স্থিতিস্থাপকতা নিৰ্ণয়কাৰী উপাদানসমূহৰ বিষয়ে বহলাই লিখক।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ১.১২ অগ্ৰগতিৰ খতিয়ান (Answers to Check Your Progress) ঃ

**প্ৰশ্ন নং ১ ঃ** উত্তৰ ঃ (ক) শুদ্ধ।
(খ) শুদ্ধ।
(গ) অশুদ্ধ।

**প্ৰশ্ন নং ২ ঃ** উত্তৰ ঃলায়'নেল ৰবিন্সে আগবঢ়োৱা অৰ্থবিজ্ঞানৰ সংজ্ঞাটো হ'ল "অসীম অভাৱ (লক্ষ্য) আৰু সেইবোৰ পৰিপূৰণৰ অৰ্থে থকা বিকল্প ব্যৱহাৰযোগ্য দুস্প্ৰাপ্য সম্পদসমূহৰ মাজত মানুহৰ আচৰণ সম্পৰ্কে যি শাস্ত্ৰই অধ্যয়ন আগবঢ়াই তাকে অৰ্থবিজ্ঞান বোলা হয়।"

**প্ৰশ্ন নং ৩ ঃ** উত্তৰ ঃঅভাৱ পূৰণৰ অৰ্থে থকা সম্পদৰ পৰিমাণ সীমিত হোৱাৰ বাবে উপভোক্তা এজনে এটা দ্ৰব্যৰ অভাৱ পূৰণ কৰাৰ লগে লগে আন এটা দ্ৰব্যৰ অভাৱ পূৰণ কৰাৰ আশা ত্যাগ কৰিব লগা হয়। গতিকে উপভোক্তা এজনে এটা দ্ৰব্য লাভ কৰাৰ লগে লগে আনটো দ্ৰব্যৰ ত্যাগৰ বিনিময়ত যি মূল্য হেৰুৱাই তাকে সুযোগ ব্যয় বোলে।

**প্ৰশ্ন নং ৪ ঃ** উত্তৰ ঃ (ক) শুদ্ধ।
(খ) শুদ্ধ।
(গ) শুদ্ধ।

**প্ৰশ্ন নং ৫ ঃ** উত্তৰ ঃপুঁজিবাদী অৰ্থব্যৱস্থা আৰু সমাজবাদী বা কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থব্যৱস্থা সম্পূৰ্ণ বিপৰীতমুখী নীতিৰ ওপৰত প্ৰতিস্থিত। তলত পুঁজিবাদী আৰু সমাজবাদী অৰ্থব্যৱস্থাৰ পাৰ্থক্যসমূহ আলোচনা কৰা হ'ল —

(১) পুঁজিবাদী অৰ্থব্যৱস্থাত দ্ৰব্য বা সেৱা সামগ্ৰীৰ উৎপাদন, বিতৰণ, বিনিময়ত কোনো ধৰণৰ চৰকাৰী হস্তক্ষেপ নাথাকে। আনহাতে, সমাজবাদী বা কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থব্যৱস্থাত এনে সিদ্ধান্তসমূহ দেশখনৰ চৰকাৰ বা কেন্দ্ৰীয় অধিকৰ্তাই গ্ৰহণ কৰে।

(২) পুঁজিবাদী অৰ্থব্যৱস্থাত ব্যক্তিগত মালিকীস্বত্ব থাকে। আনহাতে, সমাজবাদী অৰ্থব্যৱস্থাত ব্যক্তিগত মালিকীস্বত্ব নাথাকে। দেশৰ সকলো সম্পদৰ গৰাকী হ'ল ৰাষ্ট্ৰ।

(৩) পুঁজিবাদী অৰ্থব্যৱস্থাত ব্যক্তিগত মুনাফা লাভৰ বাবে প্ৰচেষ্টা কৰা হয়। আনহাতে, সমাজবাদী অৰ্থব্যৱস্থাত কেন্দ্ৰীয় অধিকৰ্তা বা চৰকাৰে দেশৰ সমূহ জনগণৰ সমতাপূৰ্ণ বিকাশৰ প্ৰচেষ্টা কৰে।

(৪) পুঁজিবাদী বজাৰ ব্যৱস্থাত চাহিদা আৰু যোগানৰ দ্বাৰা সামগ্ৰীৰ দৰ নিৰ্দ্ধাৰণ কৰা হয়। আনহাতে, সমাজবাদী অৰ্থব্যৱস্থাত দৰ নিৰ্দ্ধাৰণৰ কোনো গুৰুত্ব নাথাকে।

**প্ৰশ্ন নং ৬ ঃ** উত্তৰ ঃ (ক) অশুদ্ধ।
(খ) শুদ্ধ।
(গ) অশুদ্ধ।

**প্ৰশ্ন নং ৭ ঃ** উত্তৰ ঃদ্ৰব্য সামগ্ৰীৰ অভাৱ পূৰণৰ সমতা থকাৰ বাবেই উপভোক্তাই দ্ৰব্য সামগ্ৰী এবিধ পাবৰ বাবে হাবিয়াস কৰে। কিন্তু দ্ৰব্যবিধ পাবৰ বাবে হাবিয়াস কৰিলেই চাহিদা নহয়। উপভোক্তাজনৰ দ্ৰব্যবিধ পাবৰ বাবে ক্ৰয়ক্ষমতা থাকিব লাগিব। অৰ্থাৎ চাহিদা বুলি ক'লে দ্ৰব্য এবিধৰ প্ৰতি কৰা হাবিয়াস আৰু ক্ৰয়ক্ষমতা থকা বুজায়।

**প্ৰশ্ন নং ৮ ঃ** উত্তৰ ঃব্যক্তিগত চাহিদা অনুসূচীসমূহৰ যোগফল হৈছে চাহিদা অনুসূচী। বজাৰ চাহিদা বুলিলে কোনো এক নিৰ্দিষ্ট ঠাইৰ ব্যক্তিগত উপভোক্তাসকলৰ দ্ৰব্য এবিধৰ প্ৰতি থকা চাহিদাৰ যোগফলক বুজায়। উদাহৰণস্বৰূপে ধৰা হ'ল - কোনো এখন ঠাইত পাঁচজন উপভোক্তা আছে আৰু তেওঁলোকে আপেলৰ চাহিদা কৰে। উপভোক্তাসকলে এক নিৰ্দিষ্ট দৰ স্তৰত (ধৰা হ'ল ৫০ টকা দৰত) ১ নং উপভোক্তাই ২ কেজি আপেল, ২ নং উপভোক্তাই ১ কেজি আপেল, ৩ নং উপভোক্তাই ৪ কেজি আপেল, ৪ নং উপভোক্তাই ২ কেজি আপেল আৰু ৫ নং উপভোক্তাই ৫ কেজি আপেলৰ চাহিদা কৰে। তেনেহ'লে আপেলৰ বজাৰ চাহিদা হ'ব ২ কেজি + ১ কেজি + ৪ কেজি + ২ কেজি + ৫ কেজি = ১৪ কেজি আপেল। (চিত্ৰৰ ব্যাখ্যা সংযোগ কৰিব লাগিব।)

**প্ৰশ্ন নং ৯ ঃ** উত্তৰ ঃ (ক)অশুদ্ধ।
(খ)শুদ্ধ।
(গ)অশুদ্ধ।
(ঘ) শুদ্ধ।

**প্ৰশ্ন নং ১০ ঃ** উত্তৰ ঃ যোগান অনুসূচী হ'ল উৎপাদক এজনে ভিন ভিন দৰত যোগান ধৰা দ্ৰব্য সামগ্ৰী এবিধৰ পৰিমাণৰ তালিকাকৰণ। যোগানবিধি অনুসৰি অন্যান্য সকলো পৰিস্থিতি একে থাকিলে দ্ৰব্যসামগ্ৰীৰ দৰ বৃদ্ধি হ'লে যোগান বৃদ্ধি হয় আৰু দ্ৰব্যসামগ্ৰীৰ দৰ হ্ৰাস হ'লে যোগান হ্ৰাস হয়। তলৰ তালিকাৰ সহায়ত ব্যক্তিগত যোগান অনুসূচী দেখুওৱা হ'ল।

**ব্যক্তিগত যোগান অনুসূচী**

| কমলাৰ দাম (টকা হিচাপত) | কমলাৰ যোগান (হাজাৰত) |
|---|---|
| 1 | 2 |
| 2 | 4 |
| 3 | 6 |
| 4 | 8 |
| 5 | 10 |

তালিকাত দেখা গৈছে কমলাৰ দাম (গোটে প্ৰতি) ১ টকা হ'লে যোগানৰ পৰিমাণ ২০০০ হ'ব, ২ টকা হ'লে যোগান ৪০০০ হ'ব, ৩ টকা যোগানৰ পৰিমাণ ৬০০০ হ'ব, ৪ টকাত ৮০০০ হ'ব আৰু ৫ টকাত ১০,০০০ হ'ব। অৰ্থাৎ কমলাৰ দৰ বৃদ্ধি হোৱাত যোগানৰ পৰিমাণ বৃদ্ধি হৈছে। সেয়েহে ব্যক্তিগত যোগান ৰেখা সোঁহাতে ওপৰলৈ উঠি যায়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

| শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই |
| --- |
| |

**প্ৰশ্ন নং ১১ ঃ** উত্তৰ ঃ (ক) শুদ্ধ।

(খ) শুদ্ধ।

(গ) অশুদ্ধ।

**প্ৰশ্ন নং ১২ ঃ** উত্তৰ ঃ উপভোক্তা এজনে দ্ৰব্য এবিধ ক্ৰয় কৰোতে যিমান দাম দিবৰ বাবে প্ৰস্তুত থাকে আৰু দ্ৰব্যবিধৰ বজাৰ দৰ যদি কম হয়, তেনেহ'লে তেওঁ যি পৰিমাণৰ লাভ অৰ্জন কৰে তাকে উপভোক্তাৰ ৰাহি বোলা হয়। আনহাতে, উৎপাদক এজনে তেওঁৰ দ্বাৰা উৎপাদিত দ্ৰব্য সামগ্ৰী এবিধ যিটো দৰত বিক্ৰী কৰিব বিচাৰে তাতোকৈ যদি বজাৰ দৰ অধিক হয়, তেনেহ'লে তেওঁ যি পৰিমাণৰ লাভ অৰ্জন কৰে তাকে উপভোক্তাৰ ৰাহি বোলা হয়।

**প্ৰশ্ন নং ১৩ ঃ** উত্তৰ ঃ অৰ্থবিজ্ঞানত চাহিদা আৰু যোগানৰ গুৰুত্ব অসীম। বেছিভাগ অৰ্থনৈতিক সিদ্ধান্ত চাহিদা আৰু যোগানৰ সহায়ত লোৱা হয়। চাহিদা আৰু যোগানৰ দুটা গুৰুত্বপূৰ্ণ ব্যৱহাৰ তলত আলোচনা কৰা হ'ল।

(১) ব্যৱসায় প্ৰতিষ্ঠানৰ দৰ নিৰ্দ্ধাৰণ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত ব্যৱসায় প্ৰতিষ্ঠানৰ দৰ নিৰ্দ্ধাৰণত চাহিদা আৰু যোগানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এনে বজাৰ ব্যৱস্থাত ব্যৱসায় প্ৰতিষ্ঠানসমূহে উদ্যোগত নিৰ্দ্ধাৰিত হোৱা দৰত সামগ্ৰী বিক্ৰী কৰিব লাগে।

(২) নিম্নতম মজুৰি নিৰ্দ্ধাৰণ ঃ শ্ৰমিকৰ নিম্নতম মজুৰি নিৰ্দ্ধাৰণ চাহিদা আৰু যোগান ৰেখাই সহায় কৰে। সাধাৰণতে নিম্নতম মজুৰি হাৰ ভাৰসাম্য মজুৰি হাৰতকৈ বেছি হয়। নিম্নতম মজুৰি নিৰ্দ্ধাৰণৰ দ্বাৰা শ্ৰমিক আৰু কৃষকৰ স্বাৰ্থ সুৰক্ষা কৰাৰ প্ৰচেষ্টা কৰা হয়।

**প্ৰশ্ন নং ১৪ ঃ** উত্তৰ ঃ (ক) শুদ্ধ।

(খ) অশুদ্ধ।

(গ) শুদ্ধ।

**প্ৰশ্ন নং ১৫ ঃ** উত্তৰ ঃ দ্ৰব্য এবিধৰ প্ৰকৃতিৰ ওপৰত স্থিতিস্থাপকতা নিৰ্ভৰশীল। জীৱন ধাৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰী যেনে - চাউল, দাইল, চেনি ইত্যাদি সামগ্ৰীৰ ক্ষেত্ৰত স্থিতিস্থাপকতা কম হয়। আনহাতে, বিলাসী দ্ৰব্যৰ ক্ষেত্ৰত চাহিদাৰ স্থিতিস্থাপকতা অধিক হয়।

---*---

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

# দ্বিতীয় বিভাগ
# উপভোক্তাৰ তত্ত্ব

বিভাগৰ গঠনঃ

২.১ ভূমিকা (**Introduction**)

২.২ উদ্দেশ্য (**Objectives**)

২.৩ উপযোগিতাৰ ধাৰণা

২.৩.১ উপযোগিতা আৰু সন্তুষ্টি

২.৩.২ মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতা

২.৩.৩ ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি

২.৩.৪ সীমাবদ্ধতা

২.৪ নিৰপেক্ষ ৰেখাৰ বিশ্লেষণ

২.৪.১ নিৰপেক্ষ ৰেখাৰ বিশ্লেষণৰ প্ৰধান অভিধাৰণা

২.৪.২ নিৰপেক্ষ ৰেখাৰ সংজ্ঞা

২.৪.৩ নিৰপেক্ষ সূচী

২.৪.৪ নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্য

২.৫ বাজেট ৰেখা

২.৫.১ বাজেট বাধকতা

২.৫.২ উপভোক্তাৰ ভাৰসাম্যতা

২.৫.৩ প্ৰতিকল্পন প্ৰভাৱ

২.৫.৪ আয় বা উপাজন প্ৰভাৱ বা বিপাক- স্বাভাৱিক দ্ৰব্য

২.৬ নিৰপেক্ষ ৰেখাৰ পৰা চাহিদা ৰেখাৰ আহৰণ

২.৭ পানী-হীৰাৰ সাঁথৰ

২.৮ আৰ্হি প্ৰশ্ন (**Sample Questions**)

২.৯ প্ৰসঙ্গ গ্ৰন্থ (**References/Suggested Readings**)

## ২.১ ভূমিকা (Introduction) ঃ

আমি জানো যে মানুহৰ অভাৱ সীমাহীন কিন্তু সম্পদৰ পৰিমাণ বা ব্যয় ক্ষমতা সীমিত। সেইবাবে উপভোক্তাই বিচৰা সকলো সামগ্ৰী আৰু সেৱা দ্ৰব্য উপভোগ কৰিব নোৱাৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

গতিকে উপভোক্তাই যিখিনি সামগ্ৰী আৰু সেৱা দ্ৰব্য সৰ্বাধিক গুৰুত্বপূৰ্ণ বুলি ভাবে আৰু যিখিনি তেওঁৰ ব্যয় কৰিব পৰা ক্ষমতাৰ ভিতৰত পৰিব সেইখিনিয়ে নিৰ্বাচন কৰিব লাগিব। অৰ্থাৎ অগ্ৰাধিকাৰ আৰু ৰুচিৰ বিষয়টো তেওঁ উপভোগ কৰিব বিচৰা দ্ৰব্যৰ উপযোগিতাৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে, উপভোক্তাৰ আচৰণ বিধিৰ আলোচনাৰ প্ৰধান বিষয় বস্তু হৈছে উপযোগিতা। এজন উপভোক্তাই তেওঁৰ সীমিত সম্পদৰ সৈতে কেনেকৈ নিজৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ সামগ্ৰী আৰু সেৱাদ্ৰব্য নিৰ্বাচন কৰি সৰ্বাধিক মুঠ উপযোগিতা অৰ্জন কৰিব তাকেই উপভোক্তাৰ আচৰণ বিধিয়ে অধ্যয়ন কৰে।

### ২.২ উদ্দেশ্য (Objectives) ঃ

উপভোক্তাৰ আচৰণবিধি অধ্যয়নৰ মূল উদ্দেশ্যসমূহ হৈছে—

* উপভোক্তাৰ ক্ৰয় আচৰণ সম্পৰ্কে অধ্যয়ন।
* উপভোক্তাৰ ক্ৰয় আচৰণত প্ৰভাৱ পেলোৱা উপাদান সমূহৰ বিষয়ে অধ্যয়ন।
* উপভোক্তাৰ আচৰণ আৰু বজাৰৰ মাজত থকা সম্পৰ্কৰ বিষয়ে অধ্যয়ন।
* সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত উপভোক্তাৰ সিদ্ধান্ত গঠন প্ৰক্ৰিয়াৰ বিষয়ে অধ্যয়ন।
* উপভোক্তা এজনৰ আচৰণত প্ৰভাৱ পেলোৱা বিভিন্ন সংখ্যাগত আৰু গুণগত দিশ সমূহৰ বিষয়ে অধ্যয়ন।

### ২.৩ উপযোগিতাৰ ধাৰণা ঃ

কোনো সামগ্ৰী অথবা সেৱা দ্ৰব্যৰ অভাৱ পূৰণৰ ক্ষমতাই হৈছে সেই সামগ্ৰী অথবা সেৱা দ্ৰব্যৰ উপযোগিতা। মানুহৰ জীৱন-ধাৰণৰ ক্ষেত্ৰত অভাৱ পূৰণৰ কাৰণে যিবিলাক দ্ৰব্য সামগ্ৰী উৎপাদন কৰা হয়, তেনে দ্ৰব্য সামগ্ৰী সমূহৰ অভাৱ পূৰণৰ ক্ষমতাকে উপযোগিতা বুলি কোৱা হয়। উপযোগিতা এক মানসিক অৱস্থা ইয়াক মুদ্ৰাৰ মূল্যত জোখাটো সম্ভৱপৰ নহয়। উদাহৰণস্বৰূপে এজন ব্যক্তিয়ে এটা আপেল উপভোগ কৰি কিমান উপযোগিতা লাভ কৰিছে সেইবিষয়ে তেওঁ নিজৰ মনত এক ধাৰণা কৰিব পাৰে; কিন্তু ইয়াৰ প্ৰকৃত পৰিমাণ মুদ্ৰাৰ মানত সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰিব। কিন্তু উপভোক্তাজনে দুটা দ্ৰব্যৰ মাজত উপযোগিতা তুলনা কৰিব পাৰে। উদাহৰণস্বৰূপে; এজন উপভোক্তাই দুটা আপেলে এটা কমলাতকৈ অধিক উপযোগিতা প্ৰদান কৰা বুলি ধাৰণা কৰিব পাৰে।

#### ২.৩.১ উপযোগিতা আৰু সন্তুষ্টি ঃ

ওপৰত উল্লেখ কৰা হৈছে যে কোনো সামগ্ৰী বা দ্ৰব্যৰ অভাৱ পূৰণৰ ক্ষমতাই হৈছে উপযোগিতা। অৰ্থাৎ সামগ্ৰীৰ প্ৰয়োজনীয়তাই হৈছে সামগ্ৰীটোৰ উপযোগিতা। আনহাতে

সামগ্ৰী এটা উপভোগ কৰাৰ পাছত উপভোক্তাজনে যিখিনি মানসিক পৰিতৃপ্তি লাভ কৰে সেইখিনিয়ে হৈছে সামগ্ৰীটোৰ পৰা আহৰণ কৰা সন্তুষ্টি। একোটা দ্ৰব্য বা সামগ্ৰীৰ উপযোগিতা আৰু সন্তুষ্টি ব্যক্তি অনুসৰি পৃথক হ'ব পাৰে। উদাহৰণস্বৰূপে, ভোকত থকা মানুহ এজনৰ কাৰণে এটা আপেলৰ উপযোগিতা আৰু সন্তুষ্টি ভোকত নথকা মানুহ এজনৰ এটা আপেলৰ উপযোগিতা আৰু সন্তুষ্টিতকৈ পৃথক হয়। গতিকে উপযোগিতা আৰু সন্তুষ্টি দুয়োটাই হৈছে উপভোক্তাজনৰ মানসিক উপলব্ধি।

**জানি থওঁ আহা**

কোনো সামগ্ৰী অথবা সেৱা দ্ৰব্যৰ অভাৱ পূৰণৰ ক্ষমতাই হৈছে সামগ্ৰীটোৰ অথবা সেৱাদ্ৰব্যৰ উপযোগিতা। আনহাতে, সামগ্ৰী এটা উপভোগৰ ফলত যিখিনি মানসিক সন্তুষ্টি লাভ কৰে তাকে সন্তুষ্টি বোলে।

### ২.৩.২ মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতা ঃ

উপযোগিতা হৈছে দ্ৰব্য বা সামগ্ৰীৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতা। আনকথাত যিকোনো দ্ৰব্য বা সামগ্ৰী উপভোগ কৰি যিখিনি সন্তুষ্টি লাভ কৰে তাকেই উপযোগিতা বুলি কোৱা হয়।

মুঠ উপযোগিতা বুলিলে কোনো এটা সামগ্ৰীৰ এক নিৰ্দ্দিষ্ট পৰিমাণৰ গোট উপভোগ কৰি যিখিনি উপযোগিতা লাভ কৰিব পাৰি তাকেই বুজায়। অন্যকথাত, যিকোনো এটা সামগ্ৰীৰ নিৰ্দ্দিষ্ট পৰিমাণৰ গোট উপভোগ কৰি যিখিনি সন্তুষ্টি পোৱা যায় তাকেই মুঠ উপযোগিতা বোলে। উদাহৰণস্বৰূপে প্ৰথমটো কমলা উপভোগ কৰাৰ পাছত লাভ কৰা উপযোগিতাৰ পৰিমাণ 10 আৰু দ্বিতীয় কমলাৰ উপযোগিতাৰ পৰিমাণ 8 আৰু তৃতীয়টো কমলাৰ উপযোগিতাৰ পৰিমাণ 6, তেন্তে তিনিওটা কমলাৰ মুঠ উপযোগিতা হ'ব 10+8+6=24।

গাণিতিক চিহ্নত মুঠ উপযোগিতা হৈছে-

$TU_n = U_1+U_2+U_3+ \text{---------} + U_n$

ইয়াত $TU_n$ = n গোটৰ মুঠ উপযোগিতা

$U_1$= এক নম্বৰ গোটৰ উপযোগিতা

$U_2$= দুই নম্বৰ গোটৰ উপযোগিতা

$U_3$= তিনি নম্বৰ গোটৰ উপযোগিতা

Un= n গোটবোৰৰ উপযোগিতা

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

অৰ্থাৎ কোনো সামগ্ৰীৰ নিৰ্দ্দিষ্ট পৰিমাণৰ গোটৰ ক্ষেত্ৰত প্ৰতিটো গোটৰ পৰা আহৰণ কৰা উপযোগিতাৰ যোগফলেই হৈছে সামগ্ৰীটোৰ মুঠ উপযোগিতা।

কোনো এটা সামগ্ৰীৰ এটা অতিৰিক্ত গোট উপভোগ কৰি যি অতিৰিক্ত উপযোগিতা পোৱা যায় তাকেই প্ৰান্তিক উপযোগিতা বুলি কোৱা হয়। আনকথাত এটা সামগ্ৰীৰ শেষৰ গোটটোৰ পৰা যি অতিৰিক্ত উপযোগিতা পোৱা যায় তাকেই প্ৰান্তিক উপযোগিতা বোলে। উদাহৰণস্বৰূপেঃ এজন উপভোক্তাই প্ৰথম কমলাটো উপভোগ কৰি লাভ কৰা উপযোগিতাৰ পৰিমাণ আছিল 10, দ্বিতীয়টো কমলা উপভোগ কৰি লাভ কৰা উপযোগিতা হ'ল 8, অৰ্থাৎ দ্বিতীয় কমলাটোৰ প্ৰান্তিক উপযোগিতা 8। একেদৰে এটা অতিৰিক্ত অৰ্থাৎ, তৃতীয় কমলাটো উপভোগ কৰি লাভ কৰা উপযোগিতা হ'ল 6 । ইয়াৰ অৰ্থ হ'ল তৃতীয় কমলাটোৰ প্ৰান্তিক উপযোগিতা 6।

গাণিতিক চিহ্নত প্ৰান্তিক উপযোগিতা হৈছে-

$MU_n = TU_n - TU_{n-1}$

ইয়াত $MUn$= n গোটৰ প্ৰান্তিক উপযোগিতা

$TUn$ = n গোটবোৰৰ মুঠ উপযোগিতা

$TU_{n-1}$ = (n−1) গোটবোৰৰ মুঠ উপযোগিতা

এটা বিকল্প সমীকৰণৰ সহায়ত প্ৰান্তিক উপযোগিতা সংজ্ঞা দিব পৰা যায়। উক্ত সংজ্ঞাটো হৈছে—

$$MU = \frac{\Delta TU}{\Delta Q}$$

MU= প্ৰান্তিক উপযোগিতা

$\Delta$ TU= মুঠ উপযোগিতাৰ পৰিবৰ্তন

$\Delta$ Q= সামগ্ৰীৰ পৰিমাণৰ পৰিবৰ্তন

অৰ্থাৎ সামগ্ৰীটোৰ উপভোগৰ সামান্য পৰিবৰ্তনৰ ফলত মুঠ উপযোগিতা যি পৰিমাণে সলনি হয় তাকেই প্ৰান্তিক উপযোগিতা বোলে।

যিদৰে প্ৰান্তিক উপযোগিতা মুঠ উপযোগিতাৰ পৰা নিৰ্ণয় কৰিব পাৰি একেদৰে মুঠ উপযোগিতা প্ৰান্তিক উপযোগিতাৰ পৰা নিৰ্ণয় কৰিব পাৰি। কোনো এটা দ্ৰব্যৰ প্ৰতিটো গোটৰ প্ৰান্তিক উপযোগিতা যোগ কৰিলে মুঠ উপযোগিতা পোৱা যায়।

$TU_n = MU_1 + MU_2 + MU_3 + \text{------} MU_n$

অথবা $TU = \Sigma MU$

ইয়াত TUn= n গোটৰ মুঠ উপযোগিতা

$MU_1$, $MU_2$, $MU_3$, ------, $MU_n$ প্ৰথম, দ্বিতীয়, তৃতীয়,-----n নম্বৰ গোট ইত্যাদিৰ প্ৰান্তিক উপযোগিতা।


মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতাৰ মাজৰ সম্পৰ্ক 2.1 নং তালিকাৰ সহায়ত দেখুৱাব পাৰি- তালিকা নং 2.1.

**তালিকা নং 2.1**

| উপভোগ কৰা দ্ৰব্যৰ পৰিমাণ | প্ৰান্তিক উপযোগিতা (MU) | মুঠ উপযোগিতা (TU) |
|---|---|---|
| 1 | 10 | 10 |
| 2 | 8 | 18 |
| 3 | 6 | 24 |
| 4 | 4 | 28 |
| 5 | 2 | 30 |
| 6 | 0 | 30 |
| 7 | −2 | 28 |

তালিকা নং 2.1 ৰ পৰা দেখা পোৱা যায় যে যিমানেই সামগ্ৰীৰ গোটৰ উপভোগৰ পৰিমাণ বৃদ্ধি পাইছে অতিৰিক্ত গোটসমূহৰ প্ৰান্তিক উপযোগিতা ক্ৰমান্বয়ে হ্ৰাস পাইছে। যিহেতু মুঠ উপযোগিতা প্ৰান্তিক উপযোগিতাৰ যোগফল সেয়েহে মুঠ উপযোগিতা বৃদ্ধি পাই গৈ থাকে। যেতিয়া প্ৰান্তিক উপযোগিতা শূন্য হ'ব তেতিয়া মুঠ উপযোগিতা সৰ্বোচ্ছ হ'ব। তাৰ পাছত প্ৰান্তিক উপযোগিতা যেতিয়া হ্ৰাস হৈ নেতিবাচক হ'ব, মুঠ উপযোগিতা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ আৰম্ভ হ'ব। ওপৰৰ তালিকা নং 2.1 চিত্ৰৰ সহায়ত দেখুৱাব পাৰি—


মুঠ উপযোগিতা (TU)




উপভোগ কৰা সামগ্ৰীৰ পৰিমাণ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*



উপভোগ কৰা সামগ্ৰীৰ পৰিমাণ

ওপৰৰ চিত্ৰৰ ‘X’ ৰেখাই উপভোগ কৰা সামগ্ৰী পৰিমাণ বুজাইছে আৰু ‘Y’ ৰেখাই মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতা বুজাইছে। MU যে প্ৰান্তিক উপযোগিতা ৰেখা আৰু TU য়ে মুঠ উপযোগিতা ৰেখা বুজাইছে। যিহেতু প্ৰটিটো গোটৰ উপভোগৰ পৰিমাণ বৃদ্ধি পাইছে গতিকে TU ৰেখা ক্ৰমান্বয়ে উৰ্ধ্বগামী হৈছে। কিন্তু গোটৰ উপভোগৰ পৰিমাণ বৃদ্ধিৰ ফলত প্ৰান্তিক উপযোগিতা হ্ৰাস পাইছে সেয়েহে MU ৰেখাডাল ক্ৰমান্বয়ে নিম্নগামী হৈছে। ‘N’ বিন্দুত TU ৰেখা শীৰ্ষবিন্দুত উপনীত হৈছে আৰু মুঠ উপযোগিতা ৰেখাৰ এনে অৱস্তাত প্ৰান্তিক উপযোগিতা ৰেখা MU য়ে ‘X’ ৰেখাৰ ‘M’ বিন্দু ছেদ কৰিছে। অৰ্থাৎ প্ৰান্তিক উপযোগিতা শূন্য হৈছে। ইয়াৰ ওপৰি যেতিয়া MU ৰেখা নেতিবাচক হয়, তেতিয়া TU ৰেখা হ্ৰাসৰ ফাল অৰ্থাৎ ক্ৰমান্বয়ে নিম্নগামী হ’বলৈ আৰম্ভ কৰে। তালিকা আৰু চিত্ৰয়ে প্ৰান্তিক উপযোগিতা আৰু মুঠ উপযোগিতাৰ মাজত তিনিটা সম্পৰ্ক নিৰ্দেশ দিয়ে —

১। প্ৰান্তিক উপযোগিতা ইতিবাচক হৈ থকাৰ অৱস্থাত অতিৰিক্ত গোটৰ উপভোগে মুঠ উপযোগিতা বৃদ্ধি কৰে।

২। প্ৰান্তিক উপযোগিতা যেতিয়া শূণ্য হয়, তেতিয়া মুঠ উপযোগিতা সৰ্ব্বাধিক হয়।

৩। প্ৰান্তিক উপযোগিতা নেতিবাচক হ’লে মুঠ উপযোগিতা হ্ৰাস হয়।

**জানি থওঁ আহা**

* কোনো এটা সামগ্ৰীৰ এক নিৰ্দ্দিষ্ট পৰিমাণৰ গোট উপভোগ কৰি যিখিনি উপযোগিতা লাভ কৰিব পাৰি তাকে মুঠ উপযোগিতা বোলে।

* কোনো এটা সামগ্ৰীৰ এটা অতিৰিক্ত গোট উপভোগ কৰি যিখিনি উপযোগিতা লাভ কৰিব পাৰি তাকেই প্ৰান্তিক উপযোগিতা বোলে।

* ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি অনুসৰি যেতিয়া এটা নিৰ্দ্দিষ্ট সামগ্ৰীৰ এটাৰ পিছত আনটো গোট কোনো সময়ৰ ব্যৱধান নোলোৱাকৈ ভোগ কৰা হয়, অতিৰিক্ত গোট সমূহৰ প্ৰান্তিক উপযোগিতা ক্ৰমান্বয়ে কমি আহে।

**অগ্ৰগতিৰ খতিয়ান**

১। উপযোগিতা বুলিলে কি বুজা? মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতাৰ মাজৰ পাৰ্থক্য লিখা।

২। উপযোগিতা আৰু সন্তুষ্টি কি?

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ২.৩.৩ ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি ঃ

মানুহৰ অভাৱ সীমাহীন হ'লেও এটা নিৰ্দ্দিষ্ট অভাৱৰ সম্পূৰ্ণ সন্তুষ্টি সাধন কৰিব পাৰে। অৰ্থাৎ নিৰ্দ্দিষ্ট সামগ্ৰী এটাৰ পিছত আনটো কোনো সময়ৰ ব্যৱধান নোলোৱাকৈ উপভোগ কৰি গ'লে, সেই সামগ্ৰীটোৰ প্ৰতি ভোগৰ ইচ্ছা এটা সময়ত সম্পূৰ্ণ নাইকিয়া হয়। মানুহৰ ভোগৰ এনে প্ৰবৃত্তিৰ ওপৰত ভিত্তি কৰিয়েই বিশিষ্ট অৰ্থনীতিবিদ আলফ্ৰেদ মাৰ্ছালে ক্ৰমহ্ৰাসমাণ প্ৰান্তিক উপযোগিতা বিধি প্ৰতিষ্ঠা কৰিছে। এই বিধি অনুসৰি যেতিয়া এটা নিৰ্দ্দিষ্ট দ্ৰব্যৰ এটাৰ পিছত আনটো গোট কোনো সময়ৰ ব্যৱধান নোলোৱাকৈ ভোগ কৰি থাকে তেতিয়া অতিৰিক্ত গোটসমূহৰ উপযোগিতা ক্ৰমান্বয়ে কমি আহে আৰু এটা সময়ৰ পাছত দ্ৰব্যটোৰ উপযোগিতা উপভোক্তা জনৰ কাৰণে সম্পূৰ্ণ নোহোৱা হৈ পৰে। এটা উদাহৰণৰ সহায়ত ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি বুজাব পাৰি। ধৰি লোৱা হ'ল এজন উপভোক্তাই এটাৰ পাছত এটাকৈ মুঠ 6 টা আপেল উপভোগ কৰিছে। প্ৰথম আপেলটোৰ পৰা লাভ কৰা উপযোগিতা 20। যেতিয়া তেওঁ দ্বিতীয় আৰু তৃতীয় আপেল উপভোগ কৰিব প্ৰতিটো অতিৰিক্ত আপেলৰ প্ৰান্তিক উপযোগিতা ক্ৰমান্বয়ে হ্ৰাস পাব। ইয়াৰ কাৰণ হৈছে যেতিয়া এটাৰ পিছত আনটো আপেলৰ উপভোগ বৃদ্ধি পাব তেতিয়া উপভোক্তাজনৰ অতিৰিক্ত আপেল উপভোগৰ প্ৰৱণতা হ্ৰাস পাব। গতিকে ইয়াৰ পৰা বুজিব পাৰি যে কোনো দ্ৰব্যৰ এটাৰ পিছত আনটো গোট উপভোগ কৰি থাকিলে অতিৰিক্ত গোটসমূহৰ প্ৰান্তিক উপযোগিতা ক্ৰমান্বয়ে হ্ৰাস হয়। ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিটো তালিকা নং ২.২ৰ সহায়ত দেখুৱাব পাৰি—


*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**তালিকা নং 2.2**

| আপেলৰ গোট | প্ৰান্তিক উপযোগিতা (MU) | মুঠ উপযোগিতা (TU) |
|---|---|---|
| 1 | 20 | 20 |
| 2 | 15 | 35 |
| 3 | 10 | 45 |
| 4 | 5 | 50 |
| 5 | 0 | 50 |
| 6 | – 5 | 45 |

২.২ নং তালিকাৰ পৰা দেখা পোৱা গ'ল যে ১ম আপেলৰ প্ৰান্তিক উপযোগিতা হ'ব 20 । যেতিয়া উপভোগৰ পৰিমাণ ক্ৰমান্বয়ে বৃদ্ধি হ'ল প্ৰতিটো অতিৰিক্ত আপেলৰ প্ৰান্তিক উপযোগিতা ক্ৰমান্বয়ে হ্ৰাস পাব ধৰিলে। ৫ নং আপেলৰ ক্ষেত্ৰত প্ৰান্তিক উপযোগিতা হ্ৰাস হৈ শূণ্য হৈছে য'ত মুঠ উপযোগিতা সৰ্ব্বাধিক হৈছে। ইয়াৰ পাছত যদি উপভোক্তাজনে অতিৰিক্ত আপেল উপভোগ কৰিব বিচাৰে তেনেক্ষেত্ৰত প্ৰান্তিক উপযোগিতা নেতিবাচক হ'ব আৰু মুঠ উপযোগিতা ক্ৰমান্বয়ে হ্ৰাস হ'ব।

তালিকা নং ২.২ চিত্ৰৰ সহায়ত দেখুৱাব পাৰি—



ওপৰৰ চিত্ৰত 'X' ৰেখাই আপেল উপভোগৰ গোটৰ পৰিমাণ বুজাইছে আৰু 'Y' ৰেখাই প্ৰান্তিক উপযোগিতা ৰেখা বুজাইছে। MU ৰেখাই আপেলৰ প্ৰান্তিক উপযোগিতা ৰেখা বুজাইছে। MU ৰেখাডাল ক্ৰমান্বয়ে নিম্নগামী হৈছে কাৰণ যিমানেই আপেলৰ গোটৰ উপভোগৰ পৰিমাণ বৃদ্ধি পাইছে প্ৰতিটো অতিৰিক্ত আপেলৰ প্ৰান্তিক উপযোগিতা হ্ৰাস পাইছে। 'M' বিন্দুটোত প্ৰান্তিক উপযোগিতা ৫নং আপেলৰ ক্ষেত্ৰত শূণ্য হৈছে ইয়াৰ পাছত ৬ নং আপেলৰ ক্ষেত্ৰত প্ৰান্তিক উপযোগিতা নেতিবাচক হৈছে। গতিকে দেখা পোৱা গ'ল যে ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি অনুসৰি যেতিয়া এজন উপভোক্তাই কোনো সময়ৰ ব্যৱধান নোলোৱাকৈ কোনো দ্ৰব্যৰ এটাৰ পাছত আনটো গোট উপভোগ কৰে প্ৰতিটো অতিৰিক্ত গোটৰ প্ৰান্তিক উপযোগিতা ক্ৰমান্বয়ে হ্ৰাস হয়। সেয়েহে প্ৰান্তিক উপযোগিতা ৰেখাডাল নিম্নগামী হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**২.৩.৪ সীমাবদ্ধতা ঃ**

ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিৰ সীমাবদ্ধতা সমূহ তলত আলোচনা কৰা হ'ল—

১। এই বিধি অনুসৰি দ্ৰব্যৰ সকলো গোট সমান আকৃতিৰ আৰু সমগুণসম্পন্ন। কিন্তু বাস্তৱত দ্ৰব্যৰ সকলো গোট সমান আকৃতি আৰু সমগুণসম্পন্ন নহয়।

২। উপভোক্তাৰ ৰুচি, অভ্যাস, ইচ্ছা ইত্যাদিৰ কোনো পৰিবৰ্তন নহয় বুলি এই বিধিটোৱে ধাৰণা কৰিছে। প্ৰকৃততে উপভোক্তাৰ অভ্যাস, ৰুচি ইত্যাদি সদায় একে নাথাকে।

৩। এই বিধি অনুসৰি উপভোক্তাজনে সময়ৰ কোনো ব্যৱধান নোলোৱাকৈ দ্ৰব্যৰ গোটসমূহ উপভোগ কৰিব লাগে। কিন্তু সময়ৰ ব্যৱধানত গোটসমূহ উপভোগ কৰিলে প্ৰান্তিক উপযোগিতা হ্ৰাস নহৈ বৃদ্ধি হ'বও পাৰে।

৪। এই বিধি অনুসৰি দ্ৰব্যৰ দৰ আৰু বিকল্প দ্ৰব্যৰ দৰ সদায় স্থিৰ হ'ব লাগে। কিন্তু প্ৰকৃততে দ্ৰব্য দৰ সদায় স্থিৰ নহয়, সময়ৰ লগত পৰিবৰ্তন হয়।

৫। এই বিধিটো কেৱল সাধাৰণ দ্ৰব্যৰ ক্ষেত্ৰতহে প্ৰজোয্য হ'ব। যদি দ্ৰব্যসমূহ যেনে হীৰা, গহণা অথবা এচাম মানুহৰ কিছুমান দ্ৰব্যৰ প্ৰতি থকা ৰাপৰ ক্ষেত্ৰত এই বিধিটো প্ৰযোজ্য নহয়। এনে বস্তুৰ ক্ষেত্ৰত প্ৰান্তিক উপযোগিতা বৃদ্ধি হে হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**অগ্ৰগতিৰ খতিয়ান**

১. ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিটো আলোচনা কৰা।

..........................................................................................................

..........................................................................................................

**২.৪ নিৰপেক্ষ ৰেখাৰ বিশ্লেষণ ঃ**

অৰ্থনীতিবিদ আলফ্ৰেড মাৰ্ছালে উপভোক্তাৰ আচৰণ বিধি বিষয়টো সংখ্যাবাচক উপযোগিতা নিৰ্ধাৰণ ব্যৱস্থাৰ ভিত্তিত প্ৰতিষ্ঠিত কৰাৰ কাৰণে বহুতো অৰ্থনীতিবীদে ইয়াক এক ত্ৰুটিপূৰ্ণ পদ্ধতি হিচাবে বিবেচনা কৰিছে। এইচাম অৰ্থনীতিবিদৰ মতে, উপযোগিতা এক মানসিক সন্তুষ্টি আৰু ইয়াৰ বিষয়ে অনুমান কৰিব পৰা যায়; কিন্তু সংখ্যাৰ মানত জুখিব পৰা নাযায়। ১৯২৮ চনত জে. আৰ. হিক্স (J.R. Hicks) আৰু আৰ. জি. ডি এলেন (R.G. D. Allen) নামৰ দুজন অৰ্থনীতিবিদে তেখেতসকলৰ গৱেষণা পত্ৰ 'A Reconstruction of the Theory of Value' ত মাৰ্ছালৰ উপযোগিতা বিশ্লেষণক সমালোচনা কৰাৰ লগতে উপভোক্তাৰ চাহিদাৰ বিষয়টোৰ এক বিজ্ঞানসন্মত ব্যাখ্যা প্ৰদানৰ কাৰণে 'নিৰপেক্ষ ৰেখাৰ বিশ্লেষণ' নামকৰণেৰে এক নতুন পদ্ধতি গ্ৰহণৰ পৃষ্ঠপোষকতা কৰে। অৰ্থনীতিবিদ হিক্সে ১৯৩৯ চনত তেখেতৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ 'Value and Capital' ত উপভোক্তাৰ চাহিদাৰ এই নতুন তত্বটোৰ বিষয়ে ব্যাখ্যা প্ৰদান কৰিছে।

**২.৪.১ নিৰপেক্ষ ৰেখাৰ বিশ্লেষণৰ প্ৰধান অভিধাৰণা ঃ**

নিৰপেক্ষ ৰেখাৰ বিশ্লেষণৰ প্ৰধান অভিধাৰণাসমূহ তলত উল্লেখ কৰা হ'ল—

১। এজন উপভোক্তাই যি অৰ্থনৈতিক পৰিবেশত দ্ৰব্য-সামগ্ৰী উপভোগৰ অৰ্থে আহৰণ কৰে সেই পৰিবেশৰ বিষয়ে সম্পূৰ্ণ তথ্য তেওঁৰ হাতত থাকে। অৰ্থাৎ দ্ৰব্য-সামগ্ৰীৰ দৰ, আৰু বজাৰ তথা এইবোৰৰ পৰা পাব পৰা উপযোগিতাৰ বিষয়ে তেওঁৰ সম্পূৰ্ণ জ্ঞান থাকে।

২। উপভোক্তাৰ প্ৰধান লক্ষ্য হৈছে দ্ৰব্য-সামগ্ৰী উপভোগৰ জৰিয়তে সৰ্বাধিক সন্তুষ্টি আহৰণ কৰা।

৩। নিৰপেক্ষ ৰেখাৰ বিশ্লেষণ চলমান অভিধাৰণাৰ ভিত্তিত গঠন কৰা হৈছে। অৰ্থাৎ উপভোক্তাই উপভোগ কৰিব বিচৰা দ্ৰব্যৰ সকলো সম্ভাব্য গোটে তেওঁক দিব পৰা সন্তুষ্টিৰ ভিত্তিত অগ্ৰাধিকাৰ স্থাপন কৰিব পাৰে।

৪। নিৰপেক্ষ ৰেখাৰ বিশ্লেষণত মাৰ্ছালৰ উপযোগিতাৰ সংখ্যাবাচক নিৰ্ধাৰণ পদ্ধতিৰ পৰিবৰ্তে অগ্ৰাধিকাৰ ভিত্তিত উপযোগিতা নিৰ্ধাৰণ (Ordinal utility) পদ্ধতি ব্যৱহাৰ কৰিছে। অৰ্থাৎ এজন উপভোক্তাই লাভ কৰা সন্তুষ্টি মুদ্ৰাৰ মানত

নিৰ্ধাৰণ কৰা সম্ভৱ নহয়। সেয়েহে অগ্ৰাধিকাৰ ভিত্তিত উপযোগিতা নিৰ্ধাৰণ পদ্ধতি অধিক বাস্তৱসম্মত বুলি প্ৰকাশ কৰিছে।

৫। সংগতিপূৰ্ণ বা সুস্থিৰ অগ্ৰাধিকাৰ হৈছে নিৰপেক্ষ ৰেখাৰ বিশ্লেষণৰ মূল ভেঁটি। উদাহৰণস্বৰূপে এজন উপভোক্তাই উপভোগ কৰিব বিচৰা দ্ৰব্যৰ বিভিন্ন গোটক ক, খ, গ,ঘ ইত্যাদি হিচাপে যদি ভাগ কৰা হয় তেতিয়া তেওঁ নিশ্চিতভাৱে ক'ব পাৰে যে তেওঁৰ 'ক' তকৈ 'খ' ই অথবা 'খ' তকৈ 'গ' ই অধিক অথবা কম অথবা সমপৰিমাণৰ উপযোগিতা প্ৰদান কৰিব। আৰু এনেভাৱে স্থাপন কৰা অগ্ৰাধিকাৰৰ পাছত কোনো পৰিবৰ্তন নঘটে।

৬। এজন উপভোক্তাৰ এটা দ্ৰব্যৰ চাহিদাৰ পৰিমাণ আনটো দ্ৰব্যৰ চাহিদাৰ ওপৰত নিৰ্ভৰশীল নহয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ২.৪.২ নিৰপেক্ষ ৰেখাৰ সংজ্ঞা ঃ

নিৰপেক্ষ ৰেখা হৈছে এনে এডাল ৰেখা যিডাল ৰেখাৰ বিভিন্ন বিন্দু সমূহে দুটা দ্ৰব্যৰ বিভিন্ন গোটসমূহক বুজাই যাৰ পৰা উপভোক্তাই সম পৰিমাণৰ সন্তুষ্টি লাভ কৰে। অৰ্থাৎ এডাল নিৰপেক্ষ ৰেখাৰ বিভিন্ন গোটৰ বিন্দুত এজন উপভোক্তাই ব্যৱহাৰ কৰা দুটা দ্ৰব্যৰ গোটসমূহৰ হ্ৰাস বৃদ্ধি হ'লেও উপযোগিতাৰ পৰিমাণ সদায় একে থাকিব। নিৰপেক্ষ ৰেখাৰ প্ৰতিটো বিন্দুৰ পৰা উপভোক্তাই সমান উপযোগিতা লাভ কৰে কাৰণে এই ৰেখাক সম-উপযোগিতা ৰেখা বুলিও কোৱা হয়।

### ২.৪.৩ নিৰপেক্ষ সূচী ঃ

নিৰপেক্ষ সূচী হৈছে এনে এক তালিকা যাৰ দুটা দ্ৰব্যৰ বিভিন্ন গোটে এজন উপভোক্তাক সম পৰিমাণৰ সন্তুষ্টি দিয়ে আৰু সেইকাৰণে দুটা দ্ৰব্যৰ যিকোনো গোটেই উপভোক্তাজনৰ বাবে সমানে গ্ৰহণযোগ্য। এনে এখন তালিকা তলত বৰ্ণনা কৰা হ'ল—

**তালিকা নং 2.3**


| দ্ৰব্যৰ গোট (Combination) | দ্ৰব্য X | দ্ৰব্য Y |
|---|---|---|
| A | 1 | 12 |
| B | 2 | 8 |
| C | 3 | 5 |
| D | 4 | 3 |
| E | 5 | 2 |

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

তালিকা নং 2.3 ৰ পৰা দেখা গ'ল যে এজন উপভোক্তাই দ্ৰব্যৰ গোট 'A' য'ত 1 টা X দ্ৰব্য আৰু 12 টা Y দ্ৰব্য উপভোগ কৰি যিখিনি সন্তুষ্টি পাব একে পৰিমাণৰ সন্তুষ্টি তেওঁ দ্ৰব্যৰ গোট B অথবা C অথবা D অথবা E টো লাভ কৰিব। অৰ্থাৎ উপভোক্তাজনে ওপৰৰ তালিকাৰ যিটো দ্ৰব্যৰ গোটেই গ্ৰহণ কৰিব সেই প্ৰত্যেক গোটৰ পৰা সম পৰিমাণৰ সন্তুষ্টি লাভ কৰিব।

যিহাৰত এজন উপভোক্তাই এটা দ্ৰব্যৰ পৰিবৰ্তে আন এটা দ্ৰব্যৰ ব্যৱহাৰ কৰি সমপৰিমাণৰ সন্তুষ্টি লাভ কৰিব তাকেই প্ৰতিক্লপনৰ প্ৰান্তিক হাৰ বুলি কোৱা হয়। অৰ্থাৎ দুটা দ্ৰব্যৰ প্ৰান্তিক গোটৰ উপভোগৰ ক্ষেত্ৰত বিনিময়ৰ অনুপাতেই হৈছে প্ৰতিকল্পনৰ প্ৰান্তিক হাৰ। নিৰপেক্ষ ৰেখাৰ ক্ষেত্ৰত দেখা যায় যে যেতিয়া এজন উপভোক্তাই দুটা দ্ৰব্যৰ এটাৰ পৰিবৰ্তে আনটো বেছিকৈ ব্যৱহাৰ কৰে তেতিয়া সিহঁতৰ প্ৰতিকল্পনৰ প্ৰাান্তিক হাৰ কমি আহে। সেইকাৰণে প্ৰতিকল্পৰ প্ৰান্তিক বিধিটোক ক্ৰমহ্ৰাসমান প্ৰতিকল্পনৰ প্ৰান্তিক বিধি বুলি কোৱা হয়। তালিকা নং 2.3 ৰ পৰা দেখা যায় যে এজন উপভোক্তাই দ্ৰব্যৰ গোট 'A' ত 1 টা 'X' দ্ৰব্য আৰু 12 টা 'Y' দ্ৰব্য উপভোগ কৰি যিখিনি সন্তুষ্টি পাব, দ্ৰব্যৰ গোট 'B' ত 2 টা 'X' দ্ৰব্য আৰু 8 টা 'Y' দ্ৰব্য গ্ৰহণ কৰি একে সন্তুষ্টিয়ে পাব। অৰ্থাৎ অতিৰিক্ত 1 টা 'X' দ্ৰব্যৰ কাৰণে তেওঁ 4 টা 'Y' দ্ৰব্যৰ উপভোগ ত্যাগ কৰিছে। একেদৰে দ্ৰব্যৰ গোট B,C,D আৰু E ত দেখা গৈছে যে অতিৰিক্ত 1 টা 'X' দ্ৰব্যৰ কাৰণে 'Y' দ্ৰব্য ক্ৰমান্বয়ে 3 টা 2 টা আৰু 1 তাকৈ ত্যাগ কৰিছে। অৰ্থাৎ দ্ৰব্য 'X' আৰু 'Y' ৰ ক্ষেত্ৰত প্ৰতিকল্পনৰ প্ৰান্তিক হাৰ ক্ৰমান্বয়ে কমি আহিছে। ইয়াকে ক্ৰমহ্ৰাসমান প্ৰতিকল্পনৰ প্ৰান্তিক বিধি বুলি কোৱা হয়। সেয়েহে নিৰপেক্ষ ৰেখা বাওঁফালৰ পৰা সোঁফাললৈ নিম্নগামী হয়। তলৰ চিত্ৰৰ সহায়ত নিৰপেক্ষ ৰেখা দেখুওৱা হ'ল—

দ্ৰব্য Y




দ্ৰব্য X

চিত্ৰৰ পৰা দেখা গৈছে যে 'X' ৰেখাই দ্ৰব্য 'X' আৰু 'Y' ৰেখাই দ্ৰব্য 'Y' বুজাইছে। IC ৰেখাই নিৰপেক্ষ ৰেখা বুজাইছে। IC ৰেখাৰ প্ৰতিটো বিন্দুয়ে দ্ৰব্য 'X' আৰু দ্ৰব্য 'Y' ৰ বিভিন্ন গোটসমূহ বুজাইছে য'ত উপভোক্তাই সম-পৰিমাণৰ সন্তুষ্টি লাভ কৰিব।


তালিকা নং 2.3 দেখুওৱাৰ দৰে উপভোক্তাজনে দ্ৰব্যৰ গোট A,B,C,D আৰু E ক্ষেত্ৰত সমপৰিমাণৰ সন্তুষ্টি লাভ কৰিব। ক্ৰমহ্ৰাসমান প্ৰতিক্লপনৰ প্ৰান্তিক বিধি অনুসৰি অতিৰিক্ত এটা ‘X’ দ্ৰব্যৰ কাৰণে উপভোক্তাজনে প্ৰথম অৱস্থাতকৈ কম পৰিমাণে ‘Y’ দ্ৰব্যৰ পৰিমাণ ত্যাগ কৰিছে। সেয়েহে নিৰপেক্ষ ৰেখা IC বাওঁফালৰ পৰা সোঁফালে নিম্নগামী হোৱা দেখা যায়।

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

**২.৪.৪ নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্য ঃ**


নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

১। নিৰপেক্ষ ৰেখা কেন্দ্ৰৰ প্ৰতি উত্তল— ক্ৰমহ্ৰাসমান প্ৰতিকল্পনৰ প্ৰান্তিক হাৰ বিধিৰ কাৰণে এডাল নিৰপেক্ষ ৰেখা সোঁফাললৈ নিম্নগামী হয় আৰু ই কেন্দ্ৰৰ প্ৰতি উত্তল হয়। তলৰ চিত্ৰত দেখুওৱা হ'ল—




X সামগ্ৰী

২। নিৰপেক্ষ ৰেখা সোঁফাললৈ নিম্নগামী হয়— দুটা দ্ৰব্যৰ বিভিন্ন গোটৰ পৰা সম-পৰিমাণৰ সন্তুষ্টি পাবলৈ হ'লে এটা দ্ৰব্যৰ উপভোগৰ পৰিমাণ বৃদ্ধি কৰিলে আনটো দ্ৰব্যৰ উপভোগৰ পৰিমাণ হ্ৰাস কৰিব লাগিব। সেইকাৰণে নিৰপেক্ষ ৰেখা সোঁফাললৈ নিম্নগামী হয়। তলৰ চিত্ৰত দেখুওৱা হ'ল—





X সামগ্ৰী

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

৩। প্ৰতিডাল নিৰপেক্ষ ৰেখাৰ উচ্চ স্তৰত থকা সোঁফালৰ নিৰপেক্ষ ৰেখাডালে অধিক সন্তুষ্টি প্ৰদান কৰে।

Y সামগ্ৰী





X সামগ্ৰী

চিত্ৰত দেখুৱাৰ দৰে $IC_1$ নিৰপেক্ষ ৰেখাৰ তুলনাত $IC_2$ নিৰপেক্ষ ৰেখাই অধিক সন্তুষ্টি দিব। একেদৰে $IC_2$ ৰ তলনাত $IC_3$ নিৰপেক্ষ ৰেখাই অধিক সন্তুষ্টি প্ৰদান কৰে। কাৰণ এডাল উচ্চস্তৰৰ নিৰপেক্ষ ৰেখাই অধিক পৰিমাণৰ সামগ্ৰীক বুজায়।

৪। দুডাল নিৰপেক্ষ ৰেখাৰ এডালে আনডালক কেতিয়াও ছেদ কৰিব নোৱাৰে। কাৰণ প্ৰতিডাল ৰেখাই এক নিৰ্দ্দিষ্ট সন্তুষ্টিৰ প্ৰতিনিধিত্ব কৰে আৰু দুডাল এনে ৰেখাই যদি এটা বিন্দুত ছেদ কৰে তেতিয়া সেইবিন্দুত দুয়োডাল ৰেখাৰ পৰা পোৱা উপযোগিতা সমান হ'ব যিটো কেতিয়াও সম্ভৱ নহয়।

Y সামগ্ৰী



X সামগ্ৰী

**জানি থওঁ আহা**

* নিৰপেক্ষ ৰেখা হৈছে এনে এডাল ৰেখা যিডাল ৰেখাৰ বিভিন্ন বিন্দু সমূহে দুটা সামগ্ৰীৰ বিভিন্ন গোটসমূহক বুজাই যাৰ পৰা এজন উপভোক্তাই সম পৰিমাণৰ সন্তুষ্টি লাভ কৰে।

* নিৰপেক্ষ ৰেখা সদায় সোঁফাললৈ, তললৈ নিম্নগামী হয়।

* নিৰপেক্ষ ৰেখা সদায় কেন্দ্ৰ প্ৰতি উত্তল হয়।

**অগ্ৰগতিৰ খতিয়ান**

১. নিৰপেক্ষ ৰেখা বুলিলে কি বুজা?

২. নিৰপেক্ষ ৰেখা অভিধাৰণাসমূহ কি?

৩. কিয় নিৰপেক্ষ ৰেখা কেন্দ্ৰৰ প্ৰতি উত্তল হয়?

৪. নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্যসমূহ লিখা।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ২.৫ বাজেট ৰেখা ঃ

এজন উপভোক্তাই তেওঁৰ সীমিত আয়ৰ ভিতৰত অগ্ৰাধিকাৰ অনুযায়ী যিখিনি অধিক প্ৰয়োজনীয় বস্তু সেৱা ক্ৰয় কৰিব পাৰিব তাৰ হিচাপটোকে উপভোক্তাৰ বাজেট বোলে। উদাহৰণস্বৰূপে, ভোক্তাজনৰ মাহিলী আয় যদি ১০,০০০ টকা হয় আৰু যদি তেওঁ ভাৱে যে প্ৰয়োজনীয় সেৱা বস্তু মাজত খাদ্যবস্তু, স্বাস্থসেৱা, ইন্ধন, বিদ্যুৎশক্তি, পানী, কাপোৰ, নূন্যতম প্ৰমোদ আৰু অলপমান সঞ্চয়ত সম্পূৰ্ণ টকাখিনি ব্যয় হৈ যাব, তেনেহ'লে কোনবোৰ বস্তুক ক্ষেত্ৰত কিমান ব্যয় হ'ব তাৰ আনুমানিক ব্যয় তালিকাটোয়েই হৈছে উপভোক্তাৰ বাজেট।


যদি এজন উপভোত্তাৰ নিৰপেক্ষ ৰেখাই নিধাৰণ কৰা দুটা সমাগ্ৰীৰ ক্ষেত্ৰত তেওঁৰ আয়ৰ এটা অংশ ব্যয় কৰিব বিচাৰে সেই দ্ৰব্য দুটাৰ বজাৰত নিৰ্দ্দিষ্ট দৰত বিক্ৰীৰ ব্যৱস্থা আছে। গতিকে সীমিত উপাৰ্জনৰ এটা অংশৰে নিৰ্ধাৰিত দ্ৰব্যৰ দুটাৰ এটা নিৰ্দ্দিষ্ট পৰিমাণহে ক্ৰয় কৰিব পাৰিব। গতিকে বাজেট ৰেখা হৈছে সেইডাল ৰেখা যিডাল ৰেখাই দুটা দ্ৰব্যৰ বিভিন্ন গোটসমূহক বুজায় যিসমূহ গোট উপভোক্তাজনে এক নিৰ্দ্দিষ্ট বজাৰ দৰত তেওঁৰ সীমিত উপাৰ্জনৰে ক্ৰয় কৰিবলৈ সক্ষম হয়।

### ২.৫.১ বাজেট বাধকতা (Budget Constraint) ঃ

উপভোক্তাৰ আয়ৰ পৰিমাণ সীমিত হোৱাৰ বাবে তেওঁৰ ক্ৰয় ক্ষমতা সীমিত। তেওঁৰ সীমিত আয়ৰ এটা অংশ দুটা নিৰ্দিষ্ট দ্ৰব্য নিৰ্ধাৰিত বজাৰ দৰত ক্ৰয় কৰিব বিচাৰিলে এক নিৰ্দিষ্ট পৰিমাণৰ গোটোহে ক্ৰয় কৰিব পাৰিব। উপভোক্তাজনৰ এই বাধ্যবাধকতাকেই বাজেট বাধকতা বোলে।

উদাহৰণ স্বৰূপে, এজন উপভোক্তাই তেওঁৰ সীমিত আয়ৰ 50 টকা কমলা আৰু আপেলত খৰছ কৰিব বিচাৰে। কমলাৰ প্ৰতি গোটৰ দাম 5 টকা আৰু আপেলৰ প্ৰতি গোটৰ দাম 10 টকা। তেওঁ যদি কেৱল কমলা ক্ৰয় কৰিব বিচাৰে তেন্তে 50 টকাত 10 টা ($5\times10=50$) কমলা ক্ৰয় কৰিব পাৰিব আৰু যদি কেৱল আপেল ক্ৰয় কৰিব বিচাৰে তেন্তে 5 টা ($10\times5=50$) আপেল ক্ৰয় কৰিব পাৰিব। সীমিত উপাৰ্জন আৰু দ্ৰব্য দুটাৰ দৰৰ ভিত্তিত উপভোক্তাৰ বাজেট ৰেখা তলৰ চিত্ৰত অংকন কৰা হ'ল—

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই




ওপৰত চিত্ৰত 'X' ৰেখাই আপেলৰ পৰিমাণ বুজাইছে আৰু 'Y' ৰেখাই কমলাৰ পৰিমাণ বুজাইছে। ওপৰৰ উদাহৰণটো অনুসৰি উপভোক্তাজন সীমিত উপাৰ্জনৰ 50 টকাৰে সৰ্বাধিক 10 টা কমলা অথবা 5 টা আপেল ক্ৰয় কৰিব পাৰে। কমলা আৰু আপেলৰ এই সৰ্বাধিক পৰিমাণক সংযোগ কৰি যিডাল ৰেখা অৰ্থাৎ OA ৰেখা অংকন কৰা হৈছে সেইডালেই হৈছে বাজেট ৰেখা। 'A' বিন্দুয়ে সৰ্বাধিক 10 টা কমলা ক্ৰয় কৰা দেখুৱাইছে আৰু 'B' বিন্দুয়ে সৰ্বাধিক 5 টা আপেল ক্ৰয় কৰা বুজাইছে। AB বাজেট ৰেখা। A আৰু B বিন্দুৰ মাজৰ প্ৰতিটো বিন্দুয়ে আপেল আৰু কমলাৰ বিভিন্ন গোট বুজাইছে যিসমূহ গোট উপভোক্তাই নিৰ্দ্দিষ্ট বজাৰ দৰত তেওঁৰ সীমিত আয়ৰে ক্ৰয় কৰিব পাৰিব।

সাংকেতিক চিহ্নৰ সহায়ত বাজেট ৰেখা বা বাজেট বাধকতা দেখুৱাব পাৰি—

ধৰা হ'ল উপভোক্তাৰ আয় $= M$

দুটা সামগ্ৰী হৈছে $= 1$ আৰু $2$

সামগ্ৰী দুটাৰ পৰিমাণ $= x_1$ আৰু $x_2$

প্ৰথম সামগ্ৰীৰ বজাৰ দৰ $= P_1$

দ্বিতীয় সামগ্ৰীৰ বজাৰ দৰ $= P_2$

সেয়েহে, প্ৰথম সামগ্ৰী ব্যয়ৰ পৰিমাণ $= P_1 x_1$ আৰু দ্বিতীয় সামগ্ৰী ব্যয়ৰ পৰিমাণ $= P_2 x_2$ যাতে $P_1 x_1$ আৰু $P_2 x_2$ ৰ সংযোজিত পৰিমাণ আয় M ৰ সমান হয় অথবা M তকৈ কম হয়।

সেয়ে

$$(P_1 x_1 + P_2 x_2) \leq M$$

**জানি থওঁ আহা**

বাজেট ৰেখাই দুটা সামগ্ৰীৰ নিৰ্দ্দিষ্ট গোট সমূহক বুজায় যিসমূহ গোট উপভোক্তা জনে এক নিৰ্দ্দিষ্ট বজাৰ দৰত তেওঁক সীমিত উপাৰ্জনেৰে ক্ৰয় কৰিবলৈ সক্ষম হয়।

**অগ্ৰগতিৰ খতিয়ান**

১. বাজেট ৰেখা বুলিলে কি বুজা ?

২. বাজেট বাধকতা কি?

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ২.৫.২ উপভোক্তাৰ ভাৰসাম্যতা (Consumer's Equilibrium) ঃ

উপভোক্তাৰ ভাৰসাম্যতা নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখাৰ সহায়ত নিৰ্ধাৰণ কৰিব পাৰি। এজন উপভোক্তাৰ ভাৰসাম্যতা বুলিলে সেই অৱস্থাটোক বুজা যায় য'ত তেওঁ সীমিত আয়ৰ এটা অংশৰে দুটা সামগ্ৰীৰ যি বোৰ গোট ক্ৰয় কৰে তাৰ পৰা সৰ্বাধিক সন্তুষ্টি লাভ কৰিব। উপভোক্তাৰ ভাৰসাম্যতা তলত উল্লেখ কৰা অভিধাৰণাসমূহৰ ওপৰত নিৰ্ভৰশীল —

১. উপভোক্তাজনৰ এক সীমিত আয় আছে যিখিনি তেওঁ দুটা দ্ৰব্যৰ ক্ষেত্ৰত ব্যয় কৰিবলৈ বিচৰে।

২. তেওঁ উপভোগ কৰিব বিচৰা দ্ৰব্য দুটাৰ নিৰ্দ্দিষ্ট দৰ আছে আৰু সেই বিষয়ে তেওঁ সম্পূৰ্ণৰূপে অৱগত।

৩. উপভোক্তাজনৰ মনত এলানি নিৰপেক্ষ ৰেখা আছে আৰু এই এলানি নিৰপেক্ষ ৰেখাই তেওঁৰ দ্ৰব্য দুটাৰ প্ৰতি অগ্ৰাধিকাৰ ব্যক্তি কৰিছে।


৪. উপভোক্তাই উপভোগ কৰা দ্ৰব্য দুটা সমগুণসম্পন্ন আৰু বিভাজ্য গুণৰ অধিকাৰী।

৫. দ্ৰব্য দুটা উপভোগ কৰা সময়ছোৱাত তেওঁৰ ৰুচি অপৰিবৰ্তিত।

৬. উপভোক্তাই বিবেচক উপভোক্তাৰ দৰে আচৰণ কৰে।

উল্লেখিত অভিধাৰণাৰ ভিত্তিত উপভোক্তাৰ নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখাৰ সহায়ত কেনেদৰে ভাৰসাম্য বিন্দুত উপনীত হ'ব সেই বিষয়ে তলৰ চিত্ৰত দেখুওৱা হ'ল—

কমলাৰ পৰিমাণ




আপেলৰ পৰিমাণ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

সিপিঠিৰ চিত্ৰত 'X' ৰেখাই আপেলৰ পৰিমাণ আৰু 'Y' ৰেখাই কমলাৰ পৰিমাণ বুজাইছে। উপভোক্তাজনে তেওঁৰ সীমিত আয়ৰে যদি কমলাৰ পৰিমাণ ব্যয় কৰিব বিচাৰে তেন্তে OP পৰিমাণৰ কমলা পাব আৰু যদি আপেল কিনিব বিচাৰে OL পৰিমাণৰ আপেল পাব। গতিকে PL হৈছে কমলাৰ দৰ বা বাজেট ৰেখা। উপভোক্তাজনৰ মনত $IC_1$, $IC_2$,$IC_3$, $IC_4$ এলানি নিৰপেক্ষ ৰেখাৰ মানচিত্ৰ আছে। আমি জানো নিৰপেক্ষ ৰেখা যিমানে উচ্চ হয় অধিক সন্তুষ্টি লাভ কৰে। কিন্তু যিহেতু আয়ৰ পৰিমাণ সীমিত সেয়েহে বাজেট ৰেখাই ঢুকি পোৱা নিৰপেক্ষ ৰেখাডালহে তেওঁ স্পৰ্শ কৰিব পাৰিব। চিত্ৰত দেখুওৱা অনুসৰি $IC_1$ নিৰপেক্ষ ৰেখাই বাজেট ৰেখাৰ C বিন্দুত অৱস্থান কৰিছে ; কিন্তু তেওঁৰ বাজেট ৰেখা $IC_1$ ৰ ওপৰত আছে সেয়েহে তেওঁ অধিক আপেল আৰু কমলা উপভোগৰ কাৰণে উচ্চস্তৰৰ নিৰপেক্ষ ৰেখালৈ গতি কৰিব বিচাৰিব। তেওঁৰ উপাৰ্জনে $IC_3$ নিৰপেক্ষ ৰেখালৈ গতি কৰিবলৈ অনুমতি দিছে আৰু সেইকাৰণে তেওঁ $IC_3$ ৰ E বিন্দুত উপনীত হ'ব পাৰিছে। এই বিন্দুত তেওঁ $IC_1$ আৰু $IC_2$ তকৈ অধিক আপেল আৰু কমলা ক্ৰয় কৰিব পাৰিব। তেঁও ইচ্ছা কৰিলেও $IC_4$ নিৰপেক্ষ ৰেখালৈ গতি কৰিবনোৱাৰে কাৰণ তেওঁৰ সীমিত উপাৰ্জনৰে $IC_4$ ত উপনীত হ'ব নোৱাৰে। গতিকে উপভোক্তাজনে $IC_3$ নিৰপেক্ষ ৰেখাতে উপনীত হোৱাটো বিচাৰিব আৰু তেওঁ $IC_1$ আৰু $IC_2$ নিৰপেক্ষ ৰেখালৈ গতি কৰিব নিবিচাৰে কাৰণ $IC_3$ নিৰপেক্ষ ৰেখা $IC_1$ আৰু $IC_2$ নিৰপেক্ষ ৰেখাতকৈ উচ্চস্তৰত আছে। গতিকে $IC_1$ আৰু $IC_2$ ৰ তুলনাত $IC_3$ ত তেওঁ অধিক সন্তুষ্টি লাভ কৰিব। গতিকে উপভোক্তাজনৰ ভাৰসাম্য বিন্দু হৈছে $IC_3$ ৰেখাৰ E বিন্দু য'ত নিৰপেক্ষ ৰেখাই বাজেট ৰেখাক স্পৰ্শ কৰিছে আৰু তেঁও ON পৰিমাণৰ কমলা আৰু OM পৰিমাণৰ আপেল উপভোগ কৰি সৰ্বাধিক সন্তুষ্টি লাভ কৰিছে।

**জানি থওঁ আহা**


* উপভোক্তাৰ ভাৰসাম্যতা বাজেট ৰেখা আৰু নিৰপেক্ষ ৰেখাৰ সহায়ত নিৰ্ধাৰণ কৰিব পাৰি।

* উপভোক্তাৰ ভাৰসাম্য অৱস্থাত উপভোক্তাজনে তেওঁৰ সীমিত আয়ৰে দুটা সামগ্ৰীৰ যিবোৰ গোট ক্ৰয় কৰে তাৰ পৰা সৰ্বাধিক সন্তুষ্টি লাভ কৰে।

### ২.৫.৩ প্ৰতিকল্পন প্ৰভাৱ (Substitution Effect) ঃ

যেতিয়া এজন উপভোক্তাৰ দুটা দ্ৰব্যৰ ওপৰত ব্যয় কৰা উপাৰ্জনৰ পৰিমাণৰ কোনো পৰিবৰ্তন নহয়, কিন্তু দ্ৰব্য দুটাৰ দামৰ এনে ভাৱে পৰিবৰ্তন হয় যে উপভোক্তাজনে পুৰণি ভাৰসাম্য অৱস্থাৰ পৰা আঁতৰি আহি এক নতুন ভাৰসাম্য অৱস্থাত উপনীত হ'লেও তেঁও দ্ৰব্য দুটাৰ উপভোগৰ পৰা আহৰণ কৰা মুঠ উপযোগিতা বা সন্তুষ্টিৰ কোনো পৰিবৰ্তন নঘটে তেতিয়া তাক প্ৰতিকল্পন প্ৰভাৱ বুলি কোৱা হয়।

তলৰ চিত্ৰৰ সহায়ত উপভোক্তাৰ প্ৰতিকল্পন প্ৰভাৱ দেখুৱা হ'ল—





চিত্ৰত 'X' ৰেখাই আপেলৰ পৰিমাণ আৰু 'Y' ৰেখাই কমলাৰ পৰিমাণ বুজাইছে। উপভোক্তাজনে তেওঁৰ সীমিত সময়ৰ OA পৰিমাণৰ কমলা অথবা OB পৰিমাণৰ আপেল ক্ৰয় কৰিব পাৰে। সেয়েহে AB হৈছে আপেল আৰু কমলাৰ বাজেট ৰেখা। যিহেতু AB ৰেখাই IC নিৰপেক্ষ ৰেখাৰ $Q_1$ বিন্দু স্পৰ্শ কৰিছে গতিকে $Q_1$ হ'ব ভাৰসাম্য বিন্দুৰ য'ত ON পৰিমাণৰ কমলা আৰু OM পৰিমাণৰ আপেল উপভোগ কৰি সৰ্বাধিক উপযোগিতা লাভ কৰিব। কিন্তু এতিয়া দ্ৰব্যদুটাৰ দৰৰ পৰিবৰ্তন ঘটিল অৰ্থাৎ কমলাৰ দৰ বৃদ্ধি পালে আৰু আপেলৰ দৰ হ্ৰাস পালে। এনে অৱস্থাত সীমিত আয়ৰে তেঁও আগতকৈ কম পৰিমাণৰ কমলা আৰু বেছি পৰিমাণৰ আপেল ক্ৰয় কৰিব অৰ্থাৎ তেঁওৰ নতুন বাজেট ৰেখা হৈছে $A_1B_1$। তেনে অৱস্থাত উপভোক্তাজনে $OA_1$ পৰিমাণৰ কমলা অথবা $OB_1$ পৰিমাণৰ আপেল ক্ৰয় কৰিব পাৰিব। কিন্তু নতুন বাজেট ৰেখাই নিৰপেক্ষ ৰেখা IC ক $Q_2$ বিন্দুত স্পৰ্শ কৰিছে। গতিকে তেওঁৰ ভাৰসাম্য বিন্দু $Q_1$ ৰ পৰা $Q_2$ লৈ স্থানান্তৰ হৈছে। $Q_2$ বিন্দুত তেঁও $ON_1$ পৰিমাণৰ কমলা আৰু $OM_1$ পৰিমাণৰ আপেল ক্ৰয় কৰিব পাৰিব। কিন্তু উপভোক্তাজনৰ ভাৰসাম্য বিন্দু একে ডাল নিৰপেক্ষ ৰেখা IC তে $Q_1$ ৰ পৰা $Q_2$ লৈ স্থানান্তৰ হৈছে গতিকে এনে পৰিবৰ্তনৰ ফলত তেওঁৰ মুঠ উপযোগিতা বা সন্তুষ্টি কোনো পৰিবৰ্তন নঘটে। কাৰণ নিৰপেক্ষ ৰেখাৰ প্ৰতিটো বিন্দুয়ে উপভোক্তাজনক সমান উপযোগিতা প্ৰদান কৰে। গতিকে উপভোক্তাজনে কেৱল অধিক দামৰ কমলাৰ পৰিবৰ্তে কম দামৰ আপেল অধিক পৰিমাণে ক্ৰয় কৰিছে। এনেদৰে প্ৰতিকল্পনৰ প্ৰভাৱৰ ক্ষেত্ৰত এজন উপভোক্তাই পুৰণা ভাৰসাম্য অৱস্থাৰ পৰা নতুন ভাৰসাম্য অৱস্থালৈ গতি কৰিলেও তেঁওৰ মুঠ উপযোগিতা অথবা সন্তুষ্টিৰ কোনো পৰিবৰ্তন নঘটে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**২.৫.৪ আয় বা উপাজন প্ৰভাৱ বা বিপাক- স্বাভাৱিক দ্ৰব্য** (Income Effect)

যেতিয়া দুটা দ্ৰব্যৰ দামৰ পৰিবৰ্তন নঘটে কিন্তু উপভোক্তাজনৰ আয় বা উপাৰ্জনৰ পৰিবৰ্তন ঘটে তেতিয়া তেওঁ পুৰণি ভাৰসাম্যৰ পৰা আঁতৰি নতুন নিৰপেক্ষ ৰেখাত ভাৰসাম্য স্থাপন কৰিব সক্ষম হয়। এনেদৰে আৰ্থিক উপাৰ্জনৰ পৰিবৰ্তনৰ কাৰণে যেতিয়া উপভোক্তাই আন এডাল নতুন নিৰপেক্ষ ৰেখাত ভাৰসাম্য স্থাপন কৰিব পাৰে, তাকেই আয় বা উপাৰ্জনৰ বিপাক বা প্ৰভাৱ বুলি কোৱা হয়। তলৰ চিত্ৰৰ সহায়ত আয় প্ৰভাৱ দেখুওৱা হ'ল—




চিত্ৰত দেখুওৱা অনুসৰি এজন উপভোক্তাই তেওঁৰ সীমিত আয়ৰে OA পৰিমাণৰ কমলা আৰু OB পৰিমাণৰ আপেল ক্ৰয় কৰিবলৈ হৈছিল আৰু তেঁওৰ ভাৰসাম্য বিন্দু $Q_1$ উপভোক্তাজনৰ আয়ৰ পৰিমাণ বৃদ্ধি পোৱাত বৰ্তমান তেওঁ আগতকৈ অধিক $OA_1$ পৰিমাণৰ কমলা আৰু $OB_1$ পৰিমাণৰ আপেল ক্ৰয় কৰিবলৈ সক্ষম হ'ল। অৰ্থাৎ দ্ৰব্যৰ দৰৰ পৰিবৰ্তন নোহোৱাকৈ আয়ৰ বৃদ্ধি হোৱাৰ বাবে AB বাজেট ৰেখা সমান্তৰালকৈ $A_1B_1$ লৈ ওপৰলৈ স্থানান্তৰ হৈছে। নতুন $A_1B_1$ বাজেট ৰেখাই নতুন নিৰপেক্ষ ৰেখা $IC_2$ ক $Q_2$ বিন্দুত স্পৰ্শ কৰিছে। গতিকে তেওঁৰ নতুন ভাৰসাম্য বিন্দু $Q_2$। যিহেতু উপভোক্তাজনে $IC_1$ ৰ পৰা উচ্চস্তৰৰ নিৰপেক্ষ ৰেখা $IC_2$ লৈ স্থানান্তৰ হৈছে গতিকে তেওঁৰ মুঠ উপযোগিতাৰ পৰিমাণ পূৰ্বতকৈ বৃদ্ধি পাইছে। চিত্ৰত দেখুওৱাৰ দৰে যদি উপভোক্তাজনৰ আয়ৰ পুনৰ বৃদ্ধি হয় তেন্তে তেওঁৰ নতুন বাজেট ৰেখা হ'ব $A_2B_2$ আৰু ই উচ্চস্তৰৰ নিৰপেক্ষ ৰেখা $IC_3$ ক স্পৰ্শ কৰি $Q_3$ বিন্দুত ভাৰসাম্য প্ৰতিষ্ঠা কৰিব, য'ত তেওঁৰ মুঠ উপযোগিতাৰ পৰিমাণো পূৰ্বতকৈ বৃদ্ধি পাব। $Q_1$, $Q_2$ আৰু $Q_3$ ৰেখা বিন্দুক সংযোগ কৰাকৈ যিডাল ৰেখা অঁকা হৈছে সেইডাল ৰেখাক আয় উপভোগ ৰেখা বুলি কোৱা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**জানি থওঁ আহা**

* প্ৰতিকল্পনৰ প্ৰভাৱৰ অৰ্থ হৈছে যেতিয়া উপভোক্তাজনৰ আয়ৰ কোনো পৰিবৰ্তন নোহোৱাকৈ সামগ্ৰীৰ দৰৰ পৰিবৰ্তন হয়, তেনে অৱস্থাত তেওঁ নতুন ভাৰসাম্য উপনীত হয় য'ত দ্ৰব্য দুটাৰ উপভোগৰ পৰা আহৰণ কৰা উপযোগিতাৰ কোনো পৰিবৰ্তন নহয়।

* আয় বা উপাৰ্জন প্ৰভাৱৰ অৰ্থ হৈছে দ্ৰব্যৰ দৰৰ কোনো পৰিবৰ্তন নোহোৱাকৈ যেতিয়া উপভোক্তাজনৰ আয়ৰ পৰিবৰ্তন হয়, তেতিয়া তেওঁ এডাল উচ্চস্তৰৰ নিৰপেক্ষ ৰেখাত ভাৰসাম্য স্থাপন কৰিবলৈ সক্ষম হয়।

**অগ্ৰগতিৰ খতিয়ান**

১. উপভোক্তাজনৰ ভাৰসাম্য বুলিলে কি বুজা?

২. প্ৰতিকল্পনৰ প্ৰভাৱ বুলিলে কি বুজা?


৩. আয় বা উপাৰ্জনৰ প্ৰভাৱ বুলিলে কি বুজা?

৪. নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখা বুলিলে কি বুজা ?


৫. নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখাৰ সহায়ত উপভোক্তাৰ ভাৰসাম্যতা নিৰ্ণয় কৰা।

## ২.৬ নিৰপেক্ষ ৰেখাৰ পৰা চাহিদা ৰেখাৰ আহৰণ ঃ

চাহিদাবিধি অনুসৰি বস্তুৰ দাম বাঢ়িলে চাহিদা কমে আৰু দাম কমিলে চাহিদা বাঢ়ে। সেয়েহে চাহিদা ৰেখা বাওঁফালৰ পৰা সোঁফালে তললৈ ঢালখোৱা হয়। এতিয়া নিৰপেক্ষ ৰেখাৰ পৰা কেনেকৈ চাহিদা ৰেখা আহৰণ কৰিব পাৰি তলৰ চিত্ৰৰ সহায়ত দেখুৱাব পাৰি—



*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*




চিত্ৰ A ত 'X' ৰেখাই আপেলৰ পৰিমাণ আৰু 'Y' ৰেখাই কমলাৰ পৰিমাণ বুজাইছে। AB হৈছে উপভোক্তাজনৰ বাজেট ৰেখা অথবা দৰ ৰেখা। AB ৰেখাই নিৰপেক্ষ ৰেখাক e বিন্দুত স্পৰ্শ কৰিছে। গতিকে e হৈছে উপভোক্তাৰ ভাৰসাম্য বিন্দু। AB দৰ ৰেখাই আপেলৰ দৰ OP বুজাইছে । OP আপেলৰ দৰত উপভোক্তাজনে $OX_1$ পৰিমাণৰ আপেল আৰু $OY_1$ পৰিমাণৰ কমলা ক্ৰয় কৰি সৰ্বাধিক উপযোগিতা লাভ কৰিব। যদি আপেলৰ দৰ OP ৰ পৰা $OP_1$ লৈ হ্ৰাস হয় তেন্তে উপভোক্তাজনে একে পৰিমাণৰ সীমিত আয়ৰে আগতকৈ অধিক আপেল আৰু কমলাৰ পৰিমাণ ক্ৰয় কৰিব সক্ষম হ'ব। কিন্তু মন কৰিবলগীয়া কথা যে কমলাৰ দামৰ পৰিবৰ্তন নহয়। উপভোক্তাজনৰ নতুন দৰ ৰেখা হ'ব $AB_1$। এই $AB_1$ ৰেখাই এডাল নতুন উচ্চস্তৰৰ নিৰপেক্ষ ৰেখা $IC_1$ ক $e_1$ বিন্দুত স্পৰ্শ কৰিব। গতিকে $e_1$ হৈছে তেওঁৰ নতুন ভাৰসাম্য বিন্দু য'ত পূৰ্বতকৈ অধিক পৰিমাণৰ অৰ্থাৎ $OX_2$ পৰিমাণৰ আপেল আৰু $OY_2$ পৰিমাণৰ কমলা ক্ৰয় কৰিব পাৰিব। যেতিয়া e আৰু $e_1$ বিন্দু সংযোগ হোৱাকৈ এডাল ৰেখা আঁকা হয় সেইৰেখাডালক দৰ উপভোগ ৰেখা বোলা হয়। চিত্ৰত PCC য়ে দৰ উপভোগ ৰেখা বুজাইছে।

চিত্ৰ B ত 'X' ৰেখাই আপেলৰ চাহিদা আৰু 'Y' ৰেখাই আপেলৰ দৰ বুজাইছে। যেতিয়া আপেলৰ দৰ OP আছিল উপভোক্তাজনে OX পৰিমাণৰ আপেল ক্ৰয় কৰিছিল। আপেলৰ দৰ OP ৰ পৰা $OP_1$ লৈ হ্ৰাস পাওঁতে চাহিদাৰ পৰিমাণ OX ৰ পৰা $OX_1$ লৈ বৃদ্ধি পালে। চিত্ৰত দেখুওৱাৰ দৰে a আৰু b বিন্দুদুটা সংযোগ কৰিলে DD চাহিদা ৰেখা পোৱা যায়। এনেদৰেই নিৰপেক্ষ ৰেখাৰ পৰা চাহিদা ৰেখা আহৰণ কৰিব পাৰি।

### ২.৭ পানী-হীৰাৰ সাঁথৰ ঃ

বিশিষ্ট অৰ্থনীতিবিদ আডাম স্মিথে পানী-হীৰাৰ সাঁথৰ ধাৰণাটো প্ৰতিষ্ঠা কৰিছিল। এই ধাৰণা অনুসৰি পানী হৈছে প্ৰাণীৰ প্ৰাণ। পানীৰ অবিহনে জীৱন ধাৰণ অসম্ভৱ। কিন্তু এনে এটা প্ৰয়োজনীয় সম্পদৰ মূল্য অতি কম। কিন্তু হীৰা হৈছে জিলিকি থকা এটুকুৰা শিলৰ অংশ। হীৰাৰ অবিহনেও জীৱন নিৰ্বাহ কৰাটো সম্ভৱ। তথাপিও প্ৰকৃততে হীৰাৰ মূল্য অত্যাধিক। কিয় অৰ্থনীতিত জীৱন ধাৰণৰ বাবে অপৰিহাৰ্য্য সম্পদ পানীৰ মূল্য অতি কম আৰু হীৰাৰ দৰে এটা জিলিকি থকা বস্তুৰ মূল্য অত্যাধিক হয়; এই প্ৰশ্নটোৰ ভিত্তিতে পানী-হীৰাৰ সাঁথৰ ধাৰণাটো প্ৰতিষ্ঠিত হৈছে। কিছুমান অৰ্থনীতিবিদৰ মতে যিহেতু পানীৰ যোগান যথেষ্ট বেছি ইয়াক সহজে পাব পাৰি সেয়েহে পানীৰ মূল্য অতি কম। কিন্তু হীৰাৰ যোগান অতি সীমিত সেইকাৰণে হয়টো হীৰাৰ মূল্য পানীৰ তুলনাত অত্যাধিক হয়।

**অগ্ৰগতিৰ খতিয়ান**

১। পানী-হীৰাৰ সাঁথৰ ধাৰণাটো কোনজন অৰ্থনীতিবিদে আগবঢ়াইছে?

২। কিদৰে নিৰপেক্ষ ৰেখাৰ পৰা চাহিদা ৰেখা আহৰণ কৰিব পাৰি?

### ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions) ঃ

১। উপযোগিতা বুলিলে কি বুজা?

২। মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতা বুলিলে কি বুজা? তালিকাৰ সহায়ত মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতাৰ পাৰ্থক্য দেখুওৱা।

৩। ক্ৰমহাসমান প্ৰান্তিক উপযোগিতা বিধিটো চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

৪। নিৰপেক্ষ ৰেখা বুলিলে কি বুজা? নিৰপেক্ষ ৰেখাৰ অভিধাৰণাসমূহ লিখা।

৫। নিৰপেক্ষৰেখাৰ বৈশিষ্ট্যসমূহ লিখা।

৬। বাজেট ৰেখা কি?

৭। বাজেট বাধকতা কি?

৮। নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখাৰ সহায়ত উপভোক্তাৰ ভাৰসাম্যতা নিৰ্ণয় কৰা।

৯। পানী-হীৰাৰ সাঁথৰ ধাৰণাটো লিখা।

১০। প্ৰতিকল্পনৰ প্ৰভাৱ বুলিলে কি বুজা?

১১। আয় উপভোগ ৰেখা কি দৰে নিৰ্ণয় কৰা হয়?

১২। আয় বা উপাৰ্জনৰ বিপাক বা প্ৰভাৱ বুলিলে কি বুজা?

১৩। কি দৰে নিৰপেক্ষ ৰেখাৰ পৰা চাহিদা ৰেখা আহৰণ কৰা হয়?

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings) ঃ**

১। অৰ্থবিজ্ঞান তত্ত্বঃ ব্যষ্টিবাদী আৰু সমষ্টিবাদী, ড° ননীগোপাল গোস্বামী, জ্যোতি প্ৰকাশন।

২। প্ৰাথমিক ব্যষ্টিবাদী অৰ্থনীতি, মূলঃ জগতজ্যোতি বৰুৱা, অনুবাদঃ শৈলেন দত্ত, মহাবীৰ প্ৰকাশন।

৩। ব্যষ্টিগত অৰ্থতত্ত্ব, ৰফিক আহমেদ, উনিকা প্ৰকাশন।

৪। Principles of Microeconomics, Dr. H.L. Ahuja, S. Chand Publication.

৫। Microeconomics, Robert Pindyek and Daniel Rubinfeld, Pearson.

---*---

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

# তৃতীয় বিভাগ
# উৎপাদন আৰু উৎপাদনী ব্যয়
# (ক- শাখা)

বিভাগৰ গঠনঃ


৩.১ ভূমিকা (**Introduction**)

৩.২ উদ্দেশ্য (**Objectives**)

৩.৩ মুনাফা সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠানৰ আচৰণ

৩.৪ উৎপাদন প্ৰক্ৰিয়া

৩.৫ উৎপাদন ফলন

৩.৫.১ হ্ৰস্বকাল আৰু দীৰ্ঘকাল

৩.৫.২ মুঠ উৎপাদন, গড় উৎপাদন আৰু প্ৰান্তীক উৎপাদন

৩.৬ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি

৩.৬.১ এই বিধিৰ স্বীকাৰ্যসমূহ

৩.৭ প্ৰযুক্তি বিদ্যাৰ নিৰ্বাচন বা পচন্দ

৩.৮ সমউৎপাদন আৰু সমব্যয় ৰেখা

৩.৮.১ সমউৎপাদন ৰেখা

৩.৮.২ সম উৎপাদন ৰেখাৰ বৈশিষ্ট্য

৩.৮.৩ সমব্যয় ৰেখা

৩.৯ ব্যয় সৰ্বনিম্ন কৰণৰ ভাৰসাম্য অৱস্থা

৩.১০ আৰ্হি প্ৰশ্ন (**Sample Questions**)

৩.১১ প্ৰসঙ্গ গ্ৰন্থ (**References/Suggested Readings**)


## ৩.১ ভূমিকা (Introduction)

এক নিৰ্দিষ্ট পৰিমাণৰ উৎপাদকৰ লগত এক নিৰ্দিষ্ট পৰিমাণৰ উৎপাদনৰ সম্বন্ধ ব্যাখ্যাই হৈছে উৎপাদন কাৰ্যৰ মূল বিষয়। বিভিন্ন উৎপাদক সমূহ উৎপাদনলৈ ৰূপান্তৰিত কৰাই হৈছে উৎপাদন কাৰ্য। কিন্তু অৰ্থনীতিত উৎপাদন কাৰ্যই কেৱল উৎপাদক সমূহ উৎপাদনলৈ ৰূপান্তৰ কৰাই নুবুজায়, উৎপাদন হৈছে অতিৰিক্ত মূল্য বা উপযোগিতা সৃষ্টি কাৰ্য। সেয়েহে

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

বিভিন্ন সেৱা কাৰ্যও উৎপাদনৰ অন্তৰ্ভুক্ত হয়। এজন উৎপাদনকাৰীয়ে উৎপাদন কাৰ্য সম্পন্ন কৰোতে বিভিন্ন সীমাবদ্ধতাৰ সন্মূখীন হয়। গতিকে বিভিন্ন সীমাবদ্ধতাৰ মাজত এজন উৎপাদনকাৰীয়ে কেনেকৈ সৰ্বাধিক উৎপাদন কৰে, তাৰেই খতিয়ান এই অধ্যায়ত দাঙি ধৰা হৈছে। লগতে উৎপাদন প্ৰক্ৰিয়া আৰু ইয়াৰ আনুসংগীক ধাৰণা সমূহ আলোচনা কৰা হৈছে।

### ৩.২ উদ্দেশ্য (Objecvtives)

এই অধ্যায়ত উৎপাদনৰ বিভিন্ন ধাৰণা সমূহ বিশ্লেষণ কৰা হৈছে। এই অধ্যয়ৰ অন্তত আপুনি জানিব -

- উৎপাদন প্ৰক্ৰিয়া কি?
- উৎপাদন ফলন কি?
- উৎপাদন ফলনৰ লগত জড়িত বিভিন্ন বিষয় যেনে উৎপাদন বিধি, সমউৎপাদন ৰেখা, সমব্যায় ৰেখাৰ বিষয়ে।

### ৩.৩ মুনাফা সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠানৰ আচৰণ ঃ

### (Behaviour of Profit Maximising Firms)

এখন প্ৰতিষ্ঠান হৈছে এটা ব্যৱসায় গোট যিয়ে দ্ৰব্য আৰু সেৱা বিক্ৰী কৰে, মুনাফা উপাৰ্জনৰ উদ্দেশ্যে। গতিকে প্ৰতিষ্ঠান এখন সদায় মুনাফা উপাৰ্জনৰ অভিপ্ৰায়ৰে পৰিচালিত হয়। এই উদ্দেশ্য ৰূপায়ণৰ বাবে প্ৰতিষ্ঠান এখনে কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। এই সিদ্ধান্ত নিৰ্ভৰ কৰে প্ৰতিষ্ঠানটোৱে যোগান ধৰা দ্ৰব্য বা সামগ্ৰীৰ পৰিমাণৰ ওপৰত। অৰ্থাৎ কিমান পৰিমাণ দ্ৰব্য উৎপাদন কৰিব আৰু যোগান ধৰিব, প্ৰতিষ্ঠানটোৱে সিদ্ধান্ত ল'ব লাগে। ইয়াৰ উপৰিও এই সিদ্ধান্ত নিৰ্ভৰ কৰে প্ৰতিষ্ঠানটোৱে উৎপাদন কৰা দ্ৰব্যৰ চাহিদাৰ ওপৰত।

এখন মুনাফা উপাৰ্জনকাৰী প্ৰতিষ্ঠানে উৎপাদন কাৰ্য চলাই নিওঁতে কেনেধৰণৰ উৎপাদন পদ্ধতি ব্যৱহাৰ কৰিব, সেই বিষয়েও সিদ্ধান্ত ল'ব লাগে। উৎপাদন কাৰ্যত বিভিন্ন ব্যয় জড়িত হৈ থাকে, গতিকে উৎপাদনকাৰী এজনে এই ব্যয় ন্যুনতম কৰি সৰ্বাধিক উৎপাদন কৰিব বিচাৰে।

**জানি থওক আহক**

এখন প্ৰতিষ্ঠান হৈছে এটা ব্যৱসায় গোট যিয়ে দ্ৰব্য আৰু সেৱা বিক্ৰিৰ জৰিয়তে লাভ উপাৰ্জনৰ উদ্দেশ্য পূৰণ কৰিব বিচাৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ১ ঃ এখন মুনাফা সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠানৰ আচৰণ কেনেকুৱা?

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৪ উৎপাদন প্ৰক্ৰিয়া (Production Process)

উৎপাদন প্ৰক্ৰিয়া হৈছে বিভিন্ন উৎপাদক সমূহ উৎপাদনলৈ ৰূপান্তৰ কৰা। কিন্তু ওপৰত উল্লেখ কৰা ধৰণে উৎপাদক সমূহ উৎপাদনলৈ ৰূপান্তৰ কৰাই উৎপাদন প্ৰক্ৰিয়া নুবুজায়। উৎপাদনৰ ফলত অতিৰিক্ত মূল্য সৃষ্টি হোৱাটো উৎপাদনৰ মূল। এই উৎপাদন প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ কিছুমান উৎপাদনৰ উপাদান ব্যৱহাৰ কৰা হয়। উৎপাদনৰ উপাদান মূলত: চাৰিটা, ভূমি, শ্ৰম, মূলধন আৰু সংগঠন। উৎপাদনৰ এই উপাদান সমূহ ব্যৱহাৰৰ যোগেদি উৎপাদনকাৰীয়ে দ্ৰব্য-সামগ্ৰী উৎপন্ন কৰা কাৰ্যই হৈছে প্ৰক্ৰিয়া।

**জানি থও আহক**

উৎপাদন প্ৰক্ৰিয়া হৈছে বিভিন্ন উৎপাদক সমূহ উৎপাদনলৈ ৰূপান্তৰ কৰা। এই উৎপাদন প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ কিছুমান উৎপাদনৰ উপাদান ব্যৱহাৰ কৰা হয়। উৎপাদনৰ এই উপাদান সমূহ ব্যৱহাৰৰ যোগেদি উৎপাদনকাৰীয়ে দ্ৰব্য-সামগ্ৰী উৎপন্ন কৰা কাৰ্যই হৈছে উৎপাদন প্ৰক্ৰিয়া।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ২ ঃ উৎপাদন প্ৰক্ৰিয়াৰ সংজ্ঞা দিয়া।

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৫ উৎপাদন ফলন (Production Function)

উৎপাদন হৈছে বিভিন্ন উপাদান সমূহ দ্ৰব্য সামগ্ৰীলৈ ৰূপান্তৰ কৰা। ব্যৱহৃত উপাদান আৰু উৎপাদিত সামগ্ৰীৰ পৰিমাণৰ মাজত থকা কাৰিকৰী সম্পৰ্কটোৱে হ'ল উৎপাদন ফলন বা ক্ৰিয়া। অৰ্থাৎ উৎপাদনৰ বিভিন্ন আহিলা বা উপাদান আৰু উৎপাদিত দ্ৰব্যৰ ক্ৰিয়ামূলক সম্পৰ্কই উৎপাদন ফলন। উৎপাদন ফলনৰ জৰিয়তে সামগ্ৰী এবিধৰ সৰ্বাধিক

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

উৎপাদন পৰিমাণ নিৰ্ণয় কৰিব পাৰি। এই উৎপাদন ফলনে উপাদান সমূহৰ দক্ষতাপূৰ্ণ ব্যৱহাৰৰ ইংগিত দিয়ে। বীজ গাণিতিক ৰূপে উৎপাদন ফলন তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি।

$$Q = F(L, N, K)$$

য'ত Q = উৎপাদিত সামগ্ৰী

L = ভূমি

N = শ্ৰম

K = মূলধন

F = ক্ৰিয়ামূলক চিহ্ন

উক্ত উৎপাদন ফলনত উৎপাদিত সামগ্ৰী (Q) উৎপাদনৰ উপাদান, ভূমি, শ্ৰম, মূলধনৰ ওপৰত নিৰ্ভৰ কৰা দেখুওৱা হৈছে।

**জানি থও আহক**

ব্যৱহৃত উপাদান আৰু উৎপাদিত সামগ্ৰীৰ পৰিমাণৰ মাজত থকা কাৰিকৰী সম্পৰ্কটোৱে হ'ল উৎপাদন ফলন বা ক্ৰিয়া।

উৎপাদন ফলনক সময়ৰ ভিত্তিত হ্ৰস্বকালীন উৎপাদন ফলন আৰু দীৰ্ঘকালীন উৎপাদন ফলনত ভাগ কৰিব পাৰি। এই ধাৰণা ব্যাখ্যা কৰাৰ আগতে হ্ৰস্বকাল আৰু দীৰ্ঘকালৰ অৰ্থ জানিব লাগিব।

### ৩.৫.১ হ্ৰস্বকাল আৰু দীৰ্ঘকাল (Short Run and Long Run)

যি সময়ছোৱাত উৎপাদনৰ সকলোবোৰ উপাদানৰ পৰিমাণ পৰিৱৰ্তন কৰিব পৰা নাযায়, সেই সময়ছোৱাক হ্ৰস্বকাল বুলি কোৱা হয়। হ্ৰস্বকালত কিছুমান উপাদানৰ পৰিৱৰ্তন কৰিব পৰা নাযায়, তেনেবোৰ উপাদানক স্থায়ী উপাদান বুলি কোৱা হয়। গতিকে উৎপাদন কাৰ্য এই সময়ছোৱাত পৰিবৰ্তনশীল উপাদানৰ পৰিবৰ্তনৰ যোগেদি সম্ভৱ হয়। আনহাতে, যি সময়ছোৱাত উৎপাদনকাৰীয়ে উৎপাদনৰ সকলোবোৰ উপাদানৰ পৰিমাণ পৰিৱৰ্তন কৰিব পাৰে সেই সময়ছোৱাই হ'ল দীৰ্ঘকাল।

হ্ৰস্বকালীন অৱস্থাত উৎপাদক আৰু উৎপাদনৰ সম্পৰ্কই হৈছে হ্ৰস্বকালীন উৎপাদন ফলন। আনহাতে যি উৎপাদন ক্ৰিয়া বা ফলন দীৰ্ঘকালীন অৱস্থাৰ লগত জড়িত, তাক দীৰ্ঘকালীন উৎপাদন ফলন বুলি কোৱা হয়।

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

### ৩.৫.২ মুঠ উৎপাদন, গড় উৎপাদন আৰু প্ৰান্তীক উৎপাদন ঃ

**(Total Product, Average Product & Marginal Product)**

**মুঠ উৎপাদন ঃ** উৎপাদনৰ বাকীবোৰ উপাদান স্থিৰ থকা অৱস্থাত পৰিৱৰ্তনীয় উৎপাদকৰ সহায়ত যি উৎপাদন পোৱা যায় সেই উৎপাদনেই পৰিৱৰ্তনীয় উৎপাদকৰ মুঠ উৎপাদন।

**গড় উৎপাদন ঃ** মুঠ উৎপাদনক পৰিৱৰ্তনীয় উৎপাদকৰ (ধৰা হওঁক শ্ৰম) পৰিমাণেৰে ভাগ কৰিলে গড় উৎপাদন পোৱা যায়।

$$\text{Average Product} = \frac{\text{Total Product}}{N}$$

**প্ৰান্তীক উৎপাদন ঃ** উৎপাদনৰ অন্যান্য উপাদান একে থকা অৱস্থাত পৰিৱৰ্তনীয় উপাদানটোৰ অতিৰিক্ত এক একক ব্যৱহাৰ কৰাৰ ফলত মুঠ উৎপাদনৰ যি পৰিৱৰ্তন হয় সেই পৰিৱৰ্তনেই হ'ল পৰিবৰ্তনীয় উপাদানটোৰ প্ৰান্তীক উপাদান।

$$\text{Marginal Product} = \frac{\Delta\ \text{Total Product}}{\Delta\ N}$$

**তালিকা ৩.৫.২ ঃ মুঠ উৎপাদন, গড় উৎপাদন আৰু প্ৰান্তীক উৎপাদন**

| শ্ৰমৰ পৰিমাণ | মুঠ উৎপাদন (TP) | প্ৰান্তীক উৎপাদন (MP) | গড় উৎপাদন (AP) |
|---|---|---|---|
| 1 | 80 | -- | 80 |
| 2 | 170 | 90 | 85 |
| 3 | 270 | 100 | 90 |
| 4 | 368 | 98 | 92 |
| 5 | 430 | 62 | 86 |

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ৩ ঃ হ্ৰস্বকাল আৰু দীৰ্ঘকালৰ পাৰ্থক্য কি ?

প্ৰশ্ন ৪ ঃ মুঠ উৎপাদন, গড় উৎপাদন আৰু প্ৰান্তীক উৎপাদন কি ?

### ৩.৬ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি (Law of variable proportion)

উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি উৎপাদন তত্বৰ এক গুৰুত্বপূৰ্ণ অংগ। ইয়াক হ্ৰস্বকালীন উৎপাদন ফলন বুলিও কোৱা হয়। হ্ৰস্বকালীন অৱস্থাত উৎপাদক আৰু উৎপাদনৰ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

সম্পৰ্ক এই বিধিৰ জৰিয়তে ব্যাখ্যা কৰা হয়। উপৰত উল্লেখ কৰা ধৰণে হ্ৰস্বকালত উপাদান বোৰক দুটা ভাগত ভাগ কৰা হয়, স্থায়ী আৰু পৰিৰ্বতনীয় উপাদান। হ্ৰস্বকালত স্থায়ী উপাদান সমূহ পৰিবৰ্তন সম্ভৱ নহয়, সেয়েহে উৎপাদানৰ পৰিমাণ পৰিৰ্বতনৰ বাবে পৰিৰ্বতনীয় উপাদানসমূহৰ ব্যৱহাৰৰ পৰিৰ্বতন কৰা হয়।

উৎপাদনৰ পৰিৰ্বতনশীল অনুপাত বিধিত স্থায়ী উপাদনৰ লগত এটা পৰিবৰ্তনীয় উপাদানৰ প্ৰয়োগ বৃদ্ধিয়ে যি উৎপাদন ফলন প্ৰতিষ্ঠা কৰে সেই বিষয়ে ব্যাখ্যা দিয়ে। এই বিধি অনুসৰি, আন উপাদানসমূহৰ প্ৰয়োগৰ পৰিমাণ অপৰিৰ্বতীত থকা অৱস্থাত এই পৰিবৰ্তনীয় উৎপাদকৰ ব্যৱহাৰ প্ৰতি একক সময়ত সম পৰিমাণে বৃদ্ধি কৰা হয় তেতিয়া মুঠ উৎপাদন বৃদ্ধি পাব। কিন্তু এটা পৰ্যায়ৰ পিছত উৎপাদন বৃদ্ধিৰ পৰিমাণ ক্ৰমান্বয়ে কমি আহিব।


### ৩.৬.১ এই বিধিৰ স্বীকাৰ্যসমূহ (Assumptions)

ক) এই বিধি হ্ৰস্বকালীন অৱস্থাতহে প্ৰযোজ্য।

খ) এই বিধি প্ৰযোজ্যৰ বাবে উৎপাদন কাৰ্যত ব্যৱহৃত প্ৰযুক্তিবিদ্যা অপৰিৰ্বতীত থাকিব লাগিব।

গ) পৰিৰ্বতনীয় উপাদানৰ অতিৰিক্ত গোটমসূহ সমগুণ বিশিষ্ট হ'ব লাগিব।

এই বিধি মুঠ উৎপাদন (TP), গড় উৎপাদন (AP) আৰু প্ৰান্তীক উৎপাদন (MP) ৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। পৰিৰ্বতনীয় উপাদান (শ্ৰম) প্ৰয়োগৰ পৰিমান পৰিৰ্বতনৰ ফলত মুঠ উৎপাদন, গড় পৰিৰ্বতন, প্ৰান্তীক উৎপাদনৰ পৰিৰ্বতন, উৎপাদনৰ তিনিটা পৰ্য্যায়ৰ সহায়ত ব্যাখ্যা কৰিব পাৰি।



চিত্ৰ ঃ ১.৬.১

**প্ৰথম স্তৰ (Stage 1) ঃ**

প্ৰথম স্তৰত পৰিৰ্বতনীয় উপাদানৰ প্ৰয়োগৰ ফলত মুঠ উৎপাদন ক্ৰমবৰ্ধমান হাৰত বৃদ্ধি পায়। চিত্ৰ ১.৬.১ ত A বিন্দু পৰ্যন্ত মুঠ উৎপাদন ক্ৰমবৰ্ধমান হাৰত বৃদ্ধি পাইছে। কিন্তু A বিন্দুৰ পাছত মুঠ উৎপাদন ক্ৰমহ্ৰাসমান হাৰত বৃদ্ধি পাইছে। A বিন্দুত প্ৰান্তীক উৎপাদন

ৰেখাই (MP) ইয়াৰ শীৰ্ষবিন্দুত উপনীত হৈছে। C বিন্দুত AP আৰু MP সমান হৈছে আৰু এই একেটা বিন্দুৰেই AP ৰ শীৰ্ষ বিন্দু। প্ৰথম স্তৰ C বিন্দুত অন্ত পৰে য'ত AP সৰ্বাধিক হয় আৰু ইয়াত পৰিৱৰ্তনীয় উপাদান প্ৰয়োগৰ পৰিমাণ হয় OL। এই স্তৰত ক্ৰমবৰ্ধমান প্ৰতিদান বিধি প্ৰযোজ্য হয়।

**দ্বিতীয় স্তৰ (Stage 2) ঃ**

দ্বিতীয় স্তৰত মুঠ উৎপাদন ক্ৰমহ্ৰাসমান হাৰত বৃদ্ধি হৈ গৈ থাকে আৰু ইয়াৰ শীৰ্ষবিন্দু B ত উপনীত হয় আৰু এই স্তৰ শেষ হয়। এইটো স্তৰত প্ৰান্তীক উৎপাদন আৰু গড় উৎপাদন হ্ৰাস হৈ গৈ থাকে যদিও দুয়োটা ধনাত্মক হৈ থাকে। এই স্তৰৰ শেষ বিন্দুত প্ৰান্তীক উৎপাদন (MP) শূন্য হয় আৰু মুঠ উৎপাদন সৰ্বাধিক হয়। এই দ্বিতীয় স্তৰত ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি প্ৰযোজ্য হয়।

**তৃতীয় স্তৰ (Stage 3) ঃ**

এই স্তৰটোক ঋণাত্মক প্ৰতিদানৰ স্তৰ বুলি কোৱা হয়। এই স্তৰত প্ৰান্তীক উৎপাদন ঋণাত্মক হয় যাৰ ফলত মুঠ উৎপাদন হ্ৰাস পাবলৈ আৰম্ভ কৰে। স্থায়ী উপাদানৰ তুলনাত পৰিৱৰ্তনীয় উপাদানৰ ব্যৱহাৰ অত্যাধিক হোৱাৰ বাবেই প্ৰান্তীক উৎপাদন নেতিবাচক হয়।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ৫ ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিটো ব্যাখ্যা কৰা।

.....................................................................................................

.....................................................................................................

.....................................................................................................


## ৩.৭ প্ৰযুক্তি বিদ্যাৰ নিৰ্বাচন বা পচন্দ (Choice of Technology)

প্ৰযুক্তিবিদ্যাৰ প্ৰগতিৰ ফলত এখন প্ৰতিষ্ঠানে পূৰ্বতকৈ অধিক দক্ষ পদ্ধতিৰ সহায়ত উৎপাদন কৰিব পাৰে যাৰ ফলত উৎপাদন বৃদ্ধি হয় । এই প্ৰযুক্তিগত প্ৰগতিয়ে উৎপাদন ফলনৰ স্থানান্তৰ ঘটাব পাৰে। চিত্ৰ ১.৭ (a) আৰু ১.৭ (b) ৰ সহায়ত এই স্থানান্তৰ লক্ষ্য কৰিব পাৰি।


চিত্ৰ ১.৭ (a) ত প্ৰযুক্তিবিদ্যাৰ প্ৰগতিৰ ফলত উৎপাদন ফলন $Q = f(L)$ ৰ পৰা ওপৰলৈ $Q^{/} = f(L)$ স্থানান্তৰ হৈছে। আনহাতে চিত্ৰ ১.৭ (b) ত সমউৎপাদন ৰেখা $Q_1$ ৰ পৰা $Q$ লৈ স্থানন্তৰিত হৈছে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*




চিত্ৰ ১.৭ (a)




চিত্ৰ ১.৭ (b)

**৩.৮ সমউৎপাদন আৰু সমব্যয় ৰেখা (Isoquant & Isocost Line)**

**৩.৮.১ সমউৎপাদন ৰেখা ঃ**


উৎপাদন কাৰ্যত ব্যৱহাৰ কৰা উৎপাদক সমূহৰ দুটা উৎপাদক যদি পৰিৱৰ্তনীয় হয়, তেতিয়া উৎপাদন সম্পৰ্ক বা ফলন সমউৎপাদন ৰেখাৰ জৰিয়তে ব্যাখ্যা কৰা হয়। সমউৎপাদন ৰেখাৰ সহায়ত দুটা পৰিৱৰ্তনশীল উৎপাদকৰ বিভিন্ন সমষ্টি প্ৰয়োগৰ দ্বাৰা কেনেকৈ এক নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য উৎপাদন কৰিব পৰা যায় তাক ব্যাখ্যা কৰা হয়। উৎপাদন তত্বৰ সমউৎপাদন ৰেখা ভোক্তাৰ আচৰণ তত্বৰ নিৰপেক্ষ ৰেখাৰ লগত সমিল থকা দেখা যায়। কেৱল এটাই পাৰ্থক্য এডাল সমউৎপাদন ৰেখাই সমান উৎপাদনৰ পৰিমাণ দেখুৱাই আনহাতে নিৰপেক্ষ ৰেখাই সমান উপযোগিতা সূচায়। সমউৎপাদনৰ ধাৰণাটো তলত দিয়া তালিকাৰ সহায়ত ব্যাখ্যা কৰিব পাৰি।

**তালিকা ১.৮.১ শ্ৰম আৰু মূলধন সমষ্টি**

| শ্ৰম আৰু মূলধন সমষ্টি | শ্ৰম | মূলধন | উৎপাদনৰ পৰিমাণ |
|---|---|---|---|
| A | ১ | ১৪ | ১০০ |
| B | ২ | ১০ | ১০০ |
| C | ৩ | ৮ | ১০০ |
| D | ৪ | ৬ | ১০০ |
| E | ৫ | ৩ | ১০০ |

দুটা পৰিৱৰ্তনশীল উৎপাদক শ্ৰম আৰু মূলধনৰ বিভিন্ন জোঁট বা সমষ্টিয়ে একেই পৰিমাণৰ উৎপাদন, ১০০ টা গোট উৎপন্ন কৰিব পাৰে। A সমষ্টিয়ে এজন শ্ৰমিক আৰু মূলধনৰ ১৪ টা গোট ব্যৱহাৰ কৰি ১০০ টা গোট উৎপাদন কৰে। ঠিক একেদৰে B সমষ্টিয়ে ২ জন শ্ৰমিক আৰু ১০ টা মূলধনৰ গোট, C সমষ্টিয়ে ৩ আৰু ৮ টা শ্ৰম আৰু মূলধন, D সমষ্টিয়ে ৪ শ্ৰম আৰু ৬ মূলধন আৰু E সমষ্টিয়ে ৫ জন শ্ৰমিক আৰু ৩ টা মূলধন গোটৰ

সহায়ত ১০০ টা গোট উৎপাদন কৰ। এই গোটেইবোৰ সমষ্টি গ্ৰাফত অংকিত কৰি সংযুক্ত কৰিলে আমি সমউৎপাদন ৰেখা পাওঁ (চিত্ৰ ১.৮.১)।




চিত্ৰ ১.৮.১

### জানি থও আহক

সমউৎপাদন ৰেখাৰ সহায়ত দুটা পৰিৱৰ্তনশীল উৎপাদকৰ বিভিন্ন সমষ্টি প্ৰয়োগৰ দ্বাৰা কেনেকৈ এক নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য উৎপাদন কৰিব পৰা যায় তাক ব্যাখ্যা কৰা হয়।

### ৩.৮.২ সম উৎপাদন ৰেখাৰ বৈশিষ্ট্য ঃ

- সম উৎপাদন ৰেখাই বাওঁফালৰ পৰা সোঁফালৰ তললৈ হেলনীয়া
- সম উৎপাদন ৰেখা সমূহ কেন্দ্ৰ প্ৰতি উত্তল
- উচ্চস্থানৰ সম উৎপাদন ৰেখাই নিম্ন স্থানত থকা সম উৎপাদন ৰেখাতকৈ অধিক উৎপাদনৰ প্ৰতিনিধিত্ব কৰে।
- দুডাল সমউৎপাদন ৰেখা ৰেখাই এডালে আন ডালক ছেদ কৰিব নোৱাৰে।

### আত্মমূল্যায়ণ প্ৰশ্ন

প্ৰশ্ন ঃ ৬ সম উৎপাদন ৰেখা কি?

..............................................................................................

..............................................................................................

প্ৰশ্ন ঃ ৭ সম উৎপাদন ৰেখাৰ বৈশিষ্ট কি কি?

..............................................................................................

..............................................................................................

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*


### ৩.৮.৩ সমব্যয় ৰেখা ঃ

উৎপাদনৰ উপাদানৰ মূল্য বা দৰ সমব্যয় ৰেখাই প্ৰতিনিধিত্ব কৰে। এখন প্ৰতিষ্ঠানে বিভিন্ন উপাদানৰ সমষ্টিৰ মাজৰ পৰা কোনটো সমষ্টি ব্যৱহাৰ কৰিলে ব্যয় কম হ'ব তাক নিৰ্ধাৰণৰ ক্ষেত্ৰত সমব্যয় ৰেখাৰ গুৰুত্ব যথেষ্ট। সীমিত বিত্তিয় সম্পদ প্ৰয়োগৰ জৰিয়তে কিমান পৰিমাণে উৎপাদনৰ উপাদান ব্যৱহাৰ কৰিব পৰা যায়, সেই বিষয়ে সমব্যায় ৰেখাৰ ধাৰণাই ব্যাখ্যা কৰে।

ধৰা হওঁক, শ্ৰমিকৰ প্ৰতি একক মূল্য ১০ টকা আৰু মূলধনৰ প্ৰতি একক মূল্য ৮ টকা, লগতে আমি ধৰি লওঁ যে প্ৰতিষ্ঠান এখনে মুঠ ৬০০ টকা ব্যয় কৰিবলৈ স্থিৰ কৰিছে। যদি উৎপাদনকাৰীয়ে সম্পূৰ্ণ ৬০০ টকাৰে শ্ৰমিক ক্ৰয় কৰে, তেনেহলে উৎপাদনকাৰীয়ে শ্ৰমিকৰ ৬০ টা গোট ক্ৰয় কৰিব পাৰিব, আনহাতে যদি সম্পূৰ্ণ ৬০০ টকাৰে মূলধন ক্ৰয় কৰে, তেনেহলে মূলধনৰ ৭৫ টা গোট ক্ৰয় কৰিব পাৰিব।

চিত্ৰ ১.৮.৩-ত A বিন্দুৱে মূলধনৰ ৭৫ টা আৰু B বিন্দুৱে শ্ৰমিকৰ ৬০ টা গোট প্ৰতিনিধিত্ব কৰিছে। A আৰু B বিন্দু দুটাক যদি এডাল সৰল ৰেখাৰে সংযোগ কৰা হয়, তেতিয়া যি ডাল ৰেখা পোৱা যাব সেই ডালেই সম ব্যয় ৰেখা। এই সমষ্টিৰ (৬০ শ্ৰম আৰু ৭৫ মূলধন) উপৰিও সম ব্যয় ৰেখা বিভিন্ন সমষ্টিৰ সংযোগ। উপাদানৰ মূল্য আৰু বিত্তিয় সম্পদ একে থকা অৱস্থাত এডাল সমব্যয় ৰেখাই দুটা উপাদানৰ বিভিন্ন সমষ্টিৰ প্ৰতিনিধিত্ব কৰে, যিবোৰ উৎপাদনকাৰীয়ে ক্ৰয় কৰিবলৈ সক্ষম। গতিকে, —

$$\text{সমব্যয় ৰেখা} = \frac{\text{মূলধনৰ মূল্য}}{\text{শ্ৰমিকৰ মূল্য}}$$




চিত্ৰ ১.৮.৩

শ্ৰম আৰু মূলধনৰ দৰ অপৰিৱৰ্তিত থকা অৱস্থাত যদি উৎপাদনকাৰীয়ে অধিক পুঁজি ব্যয় কৰে, তেতিয়া সমব্যয় ৰেখাডাল সোঁহাঁতে সমান্তৰাল অৱস্থাত স্থাপন হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**জানি থওঁ আহক**

এডাল সমব্যয় ৰেখাই দুটা উপাদানৰ বিভিন্ন সমষ্টিৰ প্ৰতিনিধিত্ব কৰে, যিবোৰ উৎপাদনকাৰীয়ে ক্ৰয় কৰিবলৈ সক্ষম।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ৮ ঃ সমব্যয় ৰেখা কি? চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

## ৩.৯ ব্যয় সৰ্বনিম্ন কৰণৰ ভাৰসাম্য অৱস্থা ঃ

## (Cost Minimizing Equilibrium condition)

নিম্ন উৎপাদনী ব্যয়ত এক নিৰ্দিষ্ট উৎপাদন জৰিয়তে সৰ্বাধিক মুনাফা উপাৰ্জন কৰাই উৎপাদন প্ৰতিষ্ঠানৰ উদ্দেশ্য। এই উদ্দেশ্য উৎপাদনকাৰীয়ে কেনেকৈ পূৰণ কৰিব পাৰে তাক সমউৎপাদন ৰেখা আৰু সমব্যয় ৰেখাৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। সমউৎপাদন ৰেখাই দুটা পৰিৱৰ্তনশীল উৎপাদকৰ বিভিন্ন সমষ্টিৰ সহায়ত উৎপাদন কৰা নিৰ্দিষ্ট পৰিমাণৰ উৎপাদনৰ পৰিমাণ দেখুৱায়। আনহাতে সমব্যয় ৰেখাই উৎপাদনকাৰী ব্যয়ৰ পৰিমাণ দেখুৱায়। পৰিৱৰ্তনশীল উপাদানৰ কোনটো সমষ্টিৰ প্ৰয়োগে উৎপাদনী ব্যয় নিম্নতম কৰে তাক এই দুডাল ৰেখাই নিৰ্ণয় কৰে।

চিত্ৰ ১.৯ ত সমউৎপাদন ৰেখা Q য়ে ৬০০ টা গোট উৎপাদনৰ প্ৰতিনিধিত্ব কৰিছে। AB, CD, EF, GH হ'ল বিভিন্ন সমব্যয় ৰেখা। Q সমউৎপাদন ৰেখাই প্ৰতিনিধিত্ব কৰা দ্ৰব্যটোৰ ৬০০ টা গোট শ্ৰম আৰু মূলধনৰ P, Q, R, S, T সমষ্টিৰ সহায়ত উৎপাদন কৰিব পৰা যায়। কিন্তু এই সকলোবোৰ সমষ্টিৰ ব্যয়ৰ পৰিমাণ সমান নহয়। যদি উৎপাদনকাৰীয়ে সেই নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য নিম্নতম ব্যয়ত উৎপাদন কৰিব বিচাৰে, তেতিয়াহলে সমউৎপাদন ৰেখাত থকা R বিন্দুৱে প্ৰতিনিধিত্ব কৰা শ্ৰম আৰু মূলধনৰ সমষ্টি ব্যৱহাৰ কৰিব লাগিব। কাৰণ এই বিন্দুত সমব্যয় ৰেখা CD য়ে সমউৎপাদন ৰেখাক

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

স্পৰ্শ কৰিছে। গতিকে R বিন্দুতেই উৎপাদন ব্যয় নিম্নতম হ'ব। ইয়াৰ বাহিৰে আন বিন্দু যেনে P, Q, S, T ত উৎপাদনী ব্যয় R বিন্দুৰে প্ৰতিনিধিত্ব কৰা ব্যয়তকৈ বেছি হ'ব। কাৰন এই বিন্দুবোৰ উচ্চ স্থানত থকা সমব্যয় ৰেখাত অৱস্থিত। গতিকে সমব্যয় আৰু সম উৎপাদন ৰেখাই যি বিন্দুত স্পৰ্শ কৰে, সেই বিন্দুতেই উৎপাদনী ব্যয় নিম্নতম হয়।

**জানি থও আহক**

সমব্যয় আৰু সমউৎপাদন ৰেখাই যি বিন্দুত স্পৰ্শ কৰে, সেই বিন্দুতেই উৎপাদনী ব্যয় নিম্নতম হয়।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ৯ ঃ উৎপাদনৰ নিম্নতম ব্যয়ৰ ভাৰসাম্য অৱস্থাটো ব্যাখ্যা কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

---*---

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

# ব্যয়
## (খ-শাখা)

**বিভাগৰ গঠনঃ**

**৩.১ ভূমিকা (Introduction)**
**৩.২ উদ্দেশ্য (Objectives)**
**৩.৩ হ্ৰস্বকালীন ব্যয়**
**৩.৪ দীৰ্ঘকালীন ব্যয়**
**৩.৫ আয় আৰু মুনাফা সৰ্বোচ্চকৰণ**
**৩.৫.১ আয় সৰ্বোচ্চকৰণ**
**৩.৫.২ মুনাফা সৰ্বোচ্চকৰণ**
**৩.৬ লোকচান সৰ্বনিম্নকৰণ**
**৩.৭ হ্ৰস্বকালীন উদ্যোগ যোগান ৰেখা**
**৩.৮ উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা আৰু অমিতব্যয়িতা**
**৩.৮.১ উৎপাদনৰ মিতব্যয়িতা**
**৩.৮.২ উৎপাদন পৰিসৰৰ অমিতব্যয়িতা**
**৩.৯ দীৰ্ঘকালীন সমযোজনা**
**৩.১০ সাৰাংশ (Summing Up)**
**৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings)**
**৩.১২ আৰ্হি প্ৰশ্ন (Sample Questions)**

### ৩.১ ভূমিকা (Introduction)ঃ

উৎপাদন প্ৰক্ৰিয়াত বিভিন্ন উপাদানৰ ব্যৱহাৰ কৰা হয়। দ্ৰব্য এবিধ উৎপাদন কৰিবলৈ ভূমি, শ্ৰম, মূলধন, আদিৰ ওপৰত যি ব্যয় হয় তাকেই উৎপাদনী ব্যয় বুলি কোৱা হয়। উৎপাদনী ব্যয়ৰ ওপৰত দ্ৰব্য-সামগ্ৰীৰ যোগান নিৰ্ভৰ কৰে। গতিকে উৎপাদনী ব্যয়ক যোগান তত্বৰ অন্তৰ্ভুক্ত কৰা হয়।

### ৩.২ উদ্দেশ্য (Objectives)ঃ

এই অংশত ব্যয়ৰ ধাৰণা সন্নিবিষ্ট কৰা হৈছে। এই অংশৰ অধ্যায়ণৰ পিছত আপুনি জানিবলৈ পাব—

- উৎপাদনী ব্যয়ৰ বিষয়ে
- হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ব্যয়ৰ বিষয়ে

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- উদ্যোগ যোগান ৰেখা বিষয়ে
- উৎপাদনৰ মিতব্যয়িতা আৰু অমিতব্যয়িতাৰ বিষয়ে

## ৩.৩ হ্ৰস্বকালীন ব্যয় ঃ

হ্ৰস্বকালত উৎপাদনত ব্যৱহৃত সকলোবোৰ উপাদানৰ হ্ৰাস-বৃদ্ধি সম্ভৱ নহয়। এই কালছোৱাত কিছুমান উপাদান স্থিৰ থাকে আনহাতে কিছুমান পৰিবৰ্তনীয় হয়। গতিকে এই সময়ছোৱাত উৎপাদনৰ হ্ৰাস বৃদ্ধি নিৰ্ভৰ কৰে পৰিবৰ্তনীয় উপাদানৰ প্ৰয়োগৰ হ্ৰাস-বৃদ্ধিৰ ওপৰত।

এখন প্ৰতিষ্ঠানৰ মুঠ ব্যয়ক মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিৰৰ্তনশীল ব্যয়ত ভাগ কৰিব পাৰি। স্থিৰ উপাদানৰ ওপৰত কৰা ব্যয়ক মুঠ স্থিৰ ব্যয় বুলি কোৱা হয়। এই ধৰণৰ ব্যয় উৎপাদনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰশীল নহয়। আনহাতে পৰিবৰ্তনীয় উপাদানৰ ওপৰত কৰা ব্যয়ক মুঠ পৰিবৰ্তনশীল ব্যয় বুলি কোৱা হয়। ইয়াক প্ৰত্যক্ষ ব্যয় বুলিও কোৱা হয়। উদাহৰণ স্বৰূপে শ্ৰমিক, কেচা মালৰ ওপৰত কৰা ব্যয় ইত্যাদি। গতিকে,

মুঠ ব্যয় (TC) = মুঠ স্থিৰ ব্যয় (TFC) + মুঠ পৰিবৰ্তনশীল ব্যয় (TVC)

ব্যয়ৰ ধাৰণা তলত দিয়া তালিকাৰ সহায়ত ব্যাখ্যা কৰিব পাৰি—


**তালিকা ২.৩.১ মুঠ ব্যয়, গড় ব্যয় আৰু প্ৰান্তীক ব্যয়**

| উৎপাদনৰ গোট | মুঠ স্থিৰ ব্যয় | মুঠ পৰিৱৰ্তনশীল ব্যয় | মুঠ ব্যয় | গড় স্থিৰ ব্যয় | গড় পৰিৱৰ্তনশীল ব্যয় | গড় ব্যয় | প্ৰান্তীক ব্যয় |
|---|---|---|---|---|---|---|---|
| ০ | ৫০ | ০ | ৫০ | ০ | ০ | | |
| ১ | ৫০ | ৩০ | ৮০ | ৫০ | ৩০ | ৮০ | ৩০ |
| ২ | ৫০ | ৫০ | ১০০ | ২৫ | ২৫ | ৫০ | ২০ |
| ৩ | ৫০ | ৭০ | ১২০ | ১৬.৬৭ | ২৩.৩ | ৪০ | ২০ |
| ৪ | ৫০ | ৮০ | ১৩০ | ১২.৫ | ২০ | ৩২.৫ | ১০ |
| ৫ | ৫০ | ৯০ | ১৪০ | ১০ | ১৮ | ২৮ | ১০ |
| ৬ | ৫০ | ১১০ | ১৬০ | ৮.৩ | ১৮.৩ | ২৬.৬ | ২০ |
| ৭ | ৫০ | ১৫০ | ২০০ | ৭.১ | ২১.৪ | ২৮.৫ | ৪০ |
| ৮ | ৫০ | ২২০ | ২৭০ | ৬.২৫ | ২৭.৫ | ৩৩.৭ | ৭০ |

তালিকৰা পৰা স্পষ্ট হয় যে উৎপাদনৰ যিকোনো পৰিমাণৰ বাবে মুঠ স্থিৰ ব্যয় একেই আছে। আনহাতে মুঠ পৰিবৰ্তনশীল ব্যয় উৎপাদনৰ অতিৰিক্ত গোটৰ লগত পৰিবৰ্তন হৈছে। মুঠ ব্যয়, মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিবৰ্তনশীল ব্যয়ৰ আকৃতি চিত্ৰৰ সহায়ত দাঙি ধৰিব পাৰি।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

তালিকাত দেখুৱাৰ দৰে মুঠ স্থিৰ ব্যয় (TFC) অপৰিবৰ্তিত আছে। গতিকে মুঠ স্থিৰ ব্যয় ৰেখা (TFC) OX-অক্ষৰ আনুভূমিক হৈছে। আনহাতে মুঠ পৰিবৰ্তনশীল ব্যয় উৎপাদনৰ হ্ৰাস-বৃদ্ধি অনুসৰি পৰিবৰ্তন হয়। চিত্ৰ ২.৩.১ ত TVC ৰেখা OX আৰু OY অক্ষৰ সংযোগ স্থলৰ পৰা উৎপত্তি হৈ ক্ৰমান্বয়ে সোঁফালে ওপৰলৈ গতি কৰিছে। আনহাতে TC হ'ল মুঠ ব্যয় ৰেখা। মুঠ পৰিবৰ্তনশীল ব্যয় বৃদ্ধি পোৱাত মুঠ ব্যয়ও বৃদ্ধি পাইছে আৰু TC ৰেখাডাল ওপৰলৈ গতি কৰিছে।




চিত্ৰ ২.৩.১

মুঠ ব্যয়ৰ ধাৰণা আমি ইতিমধ্যে ব্যাখ্যা কৰিছো। উৎপাদন প্ৰতিষ্ঠানসমূহে কিমান মুনাফা উপাৰ্জন কৰিব সেয়া নিৰ্ভৰ কৰে উক্ত প্ৰতিষ্ঠানৰ প্ৰতি একক ব্যয়ৰ ওপৰত। গতিকে উৎপাদনী ব্যয়ৰ বিভিন্ন গড় ব্যয় আৰু প্ৰান্তীক ব্যয় সমূহৰ ধাৰণা আমি ব্যাখ্যা কৰিম।

**গড় ব্যয় (Average Cost) ঃ** এটা দ্ৰব্য মুঠ উৎপাদনী ব্যয়ক উৎপাদিত দ্ৰব্যৰ পৰিমাণেৰে ভাগ কৰিলে যি ভাগফল পোৱা যায় তাক গড় ব্যয় বুলি কোৱা হয়।

$$\text{গড় ব্যয় (AC)} = \frac{\text{মুঠ ব্যয় (TC)}}{\text{উৎপাদনৰ পৰিমাণ (Q)}}$$

**গড় স্থিৰ ব্যয় (Average Fixed Cost) ঃ** মুঠ স্থিৰ ব্যয়ক মুঠ উৎপাদনৰ পৰিমাণেৰে ভাগ কৰা ভাগ ফলক গড় স্থিৰ ব্যয় বুলি কোৱা হয়।

$$\text{গড় স্থিৰ ব্যয় (AFC)} = \frac{\text{মুঠ স্থিৰ ব্যয় (TFC)}}{\text{উৎপাদনৰ পৰিমাণ (Q)}}$$

**গড় পৰিৱৰ্তনশীল ব্যয় (Average Variable Cost) ঃ** উৎপাদনৰ পৰিৱৰ্তনশীল উপাদানত হোৱা প্ৰতি একক ব্যয়ক গড় পৰিৱৰ্তনশীল ব্যয় বুলি কোৱা হয়।


*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

$$\text{গড় পৰিৱৰ্তনশীল ব্যয় (AVC)} = \frac{\text{মুঠ পৰিৱৰ্তনশীল ব্যয় (TVC)}}{\text{উৎপাদনৰ পৰিমাণ (Q)}}$$

**প্ৰান্তীক ব্যয় (Marginal Cost) ঃ** কোনো এবিধ দ্ৰব্যৰ অতিৰিক্ত এটা গোট উৎপাদন কৰোতে যি ব্যয় হয় তাক প্ৰান্তিক ব্যয় বুলি কোৱা হয়। যদি কোনো দ্ৰব্যৰ ১০ গোটৰ উৎপাদনৰ খৰছ ১০০ টকা হয় আৰু ১১ সংখ্যক গোট উৎপাদন কৰিলে যদি মুঠ ব্যয় ১১০ হয় তেতিয়াহলে প্ৰান্তীক ব্যয় হব ১১০ - ১০০ = ১০ টকা।

$$\text{প্ৰান্তীক ব্যয় (MC)} = \frac{\Delta\ \text{মুঠ ব্যয় (TC)}}{\Delta\ \text{উৎপাদনৰ পৰিমাণ (Q)}}$$

বিভিন্ন গড় ব্যয় আৰু প্ৰান্তিক ব্যয় ৰেখাৰ আকৃতি তলত দিয়া চিত্ৰ ২.৩.২ ত দেখুওৱা হ'ল।




চিত্ৰ ২.৩.২

গড় ব্যয় আৰু প্ৰান্তিক ব্যয় ইংৰাজী বৰ্ণ U-ৰ দৰে হয়। ইয়াৰ কাৰণ হৈছে আৰম্ভণিতে উৎপাদনৰ বৃদ্ধিৰ লগতে গড় আৰু প্ৰান্তিক ব্যয় হ্ৰাস পায়। কিন্তু এটা পৰ্যায়ৰ পিছত এই ব্যয় বৃদ্ধি পাবলৈ ধৰে। লগতে গড় পৰিৱৰ্তনশীল ব্যয় ৰেখাও প্ৰথম অৱস্থাত হ্ৰাস পায় কিন্তু নিম্নতম বিন্দু পাৰ হৈ বৃদ্ধি পাবলৈ ধৰে।

গড় ব্যয় যেতিয়া নিম্নমুখী তেতিয়া প্ৰান্তিক ব্যয় ৰেখা (MC) গড় ব্যয় ৰেখা (AC) ৰ তলত থাকে। যেতিয়া গড় ব্যয় ৰেখা AC উৰ্ধগামী হয়, তেতিয়া প্ৰান্তিক ব্যয় ৰেখা MC গড় ব্যয় ৰেখাৰ ওপৰত থাকে। গড় ব্যয়ৰ নিম্নতম বিন্দুত প্ৰান্তিক ব্যয় আৰু গড় ব্যয় সমান হয়।

আনহাতে গড় স্থিৰ ব্যয় ৰেখা AFC ক্ৰমান্বয়ে তললৈ হেলনীয়া হয়। কাৰণ উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ লগতে গড় স্থিৰ ব্যয় হ্ৰাস পাবলৈ ধৰে। কিন্তু এই ৰেখাই কেতিয়াও OX অক্ষক স্পৰ্শ নকৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**জানি থও আহক**

TC = TFC + TVC

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ১০ ঃ হ্ৰস্বকালীন ব্যয়ৰ ধাৰণা ব্যাখ্যা কৰা।

..........................................................................................................


..........................................................................................................

..........................................................................................................

### ৩.৪ দীৰ্ঘকালীন ব্যয় ঃ

দীৰ্ঘ কালত উৎপাদনৰ সকলোবোৰ উপাদানেই পৰিৱৰ্তনশীল হয়। গতিকে এই সময়ছোৱাত স্থিৰ আৰু পৰিৱৰ্তনশীল ব্যয়ৰ পাৰ্থক্য নাথাকে। দীৰ্ঘকালীন ব্যয় ৰেখা (LAC) ও হ্ৰস্বকালীন ব্যয় ৰেখাৰ দৰে U বৰ্ণৰ দৰে হয় যদিও হ্ৰস্বকালীন ব্যয় ৰেখাৰ দৰে এই U বৰ্ণ কমকৈ প্ৰতিফলিত হয়।

দীৰ্ঘকালত উৎপাদনৰ হ্ৰাস-বৃদ্ধিৰ প্ৰয়োজন অনুসৰি ইয়াৰ পৰিসৰৰ সংকোচন বা সম্প্ৰসাৰণ ঘটাব পাৰি। গতিকে উৎপাদনৰ পৰিসৰ পৰিৱৰ্তনৰ লগতে আমি নতুন হ্ৰস্বকালীন ব্যয় ৰেখা পাওঁ। আন কথাত কবলৈ গলে দীৰ্ঘকালীন ব্যয় ৰেখা হ্ৰস্বকালীন ব্যয় ৰেখা কেইডালৰ সমষ্টি। হ্ৰস্বকালীন ব্যয় ৰেখাৰ সহায়ত কেনেকৈ দীৰ্ঘকালীন ব্যয় ৰেখা অংকণ কৰিব পাৰি তাক চিত্ৰ ২.৪.১ ৰ সহায়ত দেখুওৱা হ'ল।




চিত্ৰ ২.৪.১

চিত্ৰ ২.৪.১ ত $SAC_1$, $SAC_2$, $SAC_3$, $SAC_4$, $SAC_5$ হ'ল ৫ ডাল বিভিন্ন হ্ৰস্বকালীন ব্যয় ৰেখা। প্ৰতিডাল ৰেখাই এক নিৰ্দিষ্ট উৎপাদন পৰিসৰৰ প্ৰতিনিধিত্ব কৰিছে। দীৰ্ঘকালীন অৱস্থাত সকলোবোৰ উপাদান পৰিৱৰ্তনীয় হোৱা বাবে হ্ৰস্বকালীন অৱস্থাৰ তুলনাত এটা দ্ৰব্য কম খৰছত উৎপাদন কৰিব পৰা যায়। চিত্ৰত থকা হ্ৰস্বকালীন ব্যয় ৰেখা কেইডালৰ ভিত্তিত দীৰ্ঘকালীন ব্যয় ৰেখা LAC অংকণ কৰা হৈছে। হ্ৰস্বকালীন ব্যয় ৰেখা কেইডালক

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

স্পৰ্শ কৰা যিডাল ৰেখা অংকণ কৰা হৈছে সেইডালেই হ'ল দীৰ্ঘকালীন ব্যয় ৰেখা। দীৰ্ঘকালীন ব্যয় ৰেখাই হ্ৰস্বকালীন ব্যয় ৰেখাবোৰক সামৰি লোৱা বাবে ইয়াক আগুৰা ৰেখা (Envelope Curve) বা পৰিকল্পনা ৰেখা বুলিও কোৱা হয়।

**জানি থও আহক**

দীৰ্ঘকালত উৎপাদনৰ হ্ৰাস-বৃদ্ধিৰ প্ৰয়োজন অনুসৰি ইয়াৰ পৰিসৰৰ সংকোচন বা সম্প্ৰসাৰণ ঘটাব পাৰি। গতিকে উৎপাদনৰ পৰিসৰ পৰিৱৰ্তনৰ লগতে আমি নতুন হ্ৰস্বকালীন ব্যয় ৰেখা পাওঁ। আন কথাত কবলৈ গলে দীৰ্ঘকালীন ব্যয় ৰেখা হ্ৰস্বকালীন ব্যয় ৰেখা কেইডালৰ সমষ্টি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ১১ ঃ দীৰ্ঘকালীন ব্যয়ৰ বিষয়ে লিখা।

.............................................................................................................

.............................................................................................................

.............................................................................................................

ইতিমধ্যে আমি ব্যয়ৰ ধাৰণা ব্যাখ্যা কৰিলো। উৎপাদন প্ৰতিষ্ঠান এখনৰ প্ৰধান লক্ষ্য হৈছে মুনাফা উপাৰ্জন। প্ৰতিষ্ঠান এখনে উপাৰ্জন কৰা আয় আৰু উৎপাদনী ব্যয়ৰ মাজৰ ব্যৱধানেই হৈছে মুনাফা। গতিকে আমাৰ পৰৱৰ্তী বিষয়ত আমি আয়ৰ ধাৰণা সম্পৰ্কে আলোচনা আগবঢ়াম।

## ৩.৫ আয় আৰু মুনাফা সৰ্বোচ্চকৰণ (Revenue & Profit Maximisation)

### ৩.৫.১ আয় সৰ্বোচ্চকৰণ ঃ


দ্ৰব্য এটা বিক্ৰি কৰি পোৱা ধনৰ পৰিমাণেই হৈছে আয়। উৎপাদনকাৰীয়ে ১০০ টা গোট বিক্ৰি কৰি যদি ১০,০০০ টকা উপাৰ্জন কৰে, তেতিয়াহলে এই ১০,০০০ টকাই তেওঁৰ আয় হ'ব।

**মুঠ আয়** (Total Revenue) ঃ মুঠ আয় হ'ল দ্ৰব্যৰ বিভিন্ন একক বিক্ৰি কৰি পোৱা মুঠ ধনৰ পৰিমাণ।

**গড় আয়** (Average Revenue) ঃ মুঠ আয়ক সামগ্ৰী বিক্ৰিৰ মুঠ পৰিমাণেৰে ভাগ কৰিলে গড় আয় পোৱা যায়।

**প্ৰান্তীয় আয়** (Marginal Revenue) ঃ অতিৰিক্ত একক সামগ্ৰী বিক্ৰি কৰি উৎপাদনকাৰী যি আয় অৰ্জন কৰে সেয়ে হ'ল প্ৰান্তীয় যায়।

এখন উৎপাদন প্ৰতিষ্ঠানে আয় কেনেকৈ সৰ্বাধিক কৰিব তাক চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা হ'ল। ২.৫.১ চিত্ৰত D ৰেখাই গড় আয় আৰু MR ৰেখাই প্ৰান্তীক আয়ৰ প্ৰতিনিধিত্ব কৰিছে। TR হ'ল মুঠ আয়ৰ ৰেখা।




চিত্ৰ ২.৫.১

মুঠ আয় হ'ল প্ৰান্তীক আয়ৰ সমষ্টি। চিত্ৰ ২.৫.১ ত দেখুওৱা দৰে যেতিয়ালৈকে প্ৰান্তীক আয় যোগাত্মক হৈ আছে মুঠ আয় বৃদ্ধি পাবলৈ ধৰিছে। কিন্তু প্ৰান্তীক আয় যেতিয়া শূন্য হৈছে অৰ্থাৎ X অক্ষ স্পৰ্শ কৰিছে TR সৰ্বাধিক হৈছে। N বিন্দুৰ পিছত MR ঋণাত্মক হৈছে আৰু TR হ্ৰাস পাবলৈ ধৰিছে। গতিকে মুঠ আয় ON পৰিমাণৰ উৎপাদনত সৰ্বাধিক হৈছে।

**জানি থও আহক**

প্ৰান্তীক আয় যেতিয়া শূন্য হয়, মুঠ আয় সৰ্বাধিক হয়।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ১২ ঃ এখন প্ৰতিষ্ঠানে আয় কেনেকৈ সৰ্বাধিক কৰে?

.............................................................................................................

.............................................................................................................

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*